www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ২০৭ ❐ মঙ্গলবাৰ ❐ ৭ অক্টোবৰ, ২০২৫ চন ❐ ২১ আহিন, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 207 ❐ Tuesday ❐ 7th October, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

কৰো বুলি কোনেও প্ৰতিভাৰ সৃষ্টি কৰিব নোৱাৰে। ইয়াক কেৱল সঠিক পথেৰে আগুৱাই নিবহে পাৰে। - এইছ জি বেইলছ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

▪ প্ৰধানমন্ত্ৰীৰ গৰিহণা ▪ ওকালতি কৰাত নিষেধাজ্ঞা বাৰ এচ'ছিয়েচনৰ ▪ নিলম্বন




## উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশলৈ অধিবক্তাই দলিয়ালে জোতা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৬ অক্টোবৰ ঃ** ভাৰতৰ উচ্চতম ন্যায়ালয়ত সোমবাৰে এক অভূতপূৰ্ব আৰু চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে। মুখ্য ন্যায়াধীশ বি আৰ গাভাইৰ ওপৰত এগৰাকী অধিবক্তাই আদালতৰ মজিয়াতে জোতা নিক্ষেপৰ চেষ্টা ⏩ ৬ পৃষ্ঠাত

"এতিয়া আমাৰ একমাত্ৰ লক্ষ্য তোক ন্যায় দিয়া"

## জুবিনৰ ন্যায়ৰ দাবীৰে ফেচবুক পোষ্ট পত্নী-ভগ্নীৰ

**ডিজিটেল ডেস্ক, অসম বাৰ্তা, ৬ অক্টোবৰ ঃ** প্ৰিয় স্বামী জুবিন গাৰ্গৰ অকাল বিদায়ৰ পাছত তেওঁৰ পত্নী গৰিমা শইকীয়া গাৰ্গে প্ৰথমবাৰৰ বাবে সামাজিক মাধ্যমত মনৰ কথা প্ৰকাশ কৰিছে। সোমবাৰে নিশা তেওঁ ফেচবুকত জুবিনৰ ⏩ ৬ পৃষ্ঠাত



ম্যাদ উকলিল ! সাক্ষ্য দিবলৈ উপস্থিত নহ'ল এজনো সাক্ষী প্ৰবাসী অসমীয়া

# তদন্তত সহযোগ নাই অভিযুক্ত প্ৰবাসী অসমীয়াৰ

▪ আজি অসমলৈ আহিব ৰূপকমল কলিতা; অসমৰ আৰক্ষীৰ সৈতে যোগাযোগ ▪

**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ৬ অক্টোবৰ ঃ** এছআইটিয়ে আজি ছিংগাপুৰস্থিত প্ৰবাসী অসমীয়া সকলক জেৰাৰ বাবে হাজিৰ হোৱাৰ দিনৰ সময়সীমা উকলি গৈছে। বৰ্তমানলৈকে এছআইটিৰ সন্মুখত কোনো এজন প্ৰবাসী অসমীয়া হাজিৰ নোহোৱাৰ বাবে এই ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই পৰিস্থিতিয়ে তদন্ত প্ৰক্ৰিয়াক ⏩ ৬ পৃষ্ঠাত



স্বামী-স্ত্ৰীৰ পাঁচটাকৈ প্ৰতিষ্ঠানত পৰিব GSTৰ হাতোৰা

## স্বামীক লগ কৰিবলৈ আহি SITৰ জেৰাৰ সন্মুখীন শ্যামকানুৰ পত্নী অনিতা


**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ৬ অক্টোবৰ ঃ** সামাজিক মাধ্যমত ব্যাপক চৰ্চাৰ পাছতেই এছআইটি-এ জেৰা কৰিলে ⏩ ৬ পৃষ্ঠাত

## তামিলনাডুত দুৰ্ঘটনাত মৃত্যু হোৱা অসমৰ ৯জন ব্যক্তিৰ আত্মীয়লৈ ৫ লাখ টকাকৈ আৰ্থিক সাহায্য অসম চৰকাৰৰ

## শিলচৰত উৰণসেতু নিৰ্মাণ প্ৰকল্পৰ বাবে ৫৬৪.৫০ কোটি টকাৰ প্ৰশাসনিক অনুমোদন

▪ ৰাষ্ট্ৰীয় পেন্সন প্ৰণালীৰ অধীনত থকা অসম চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে ইউনিফাইড পেন্সন স্কীম (UPS)ৰ বিকল্প ▪

**নিউজ ডেস্ক, অসম বাৰ্তা, ৬ অক্টোবৰ ঃ** সোমবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰৰ ⏩ ৬ পৃষ্ঠাত



তদন্তৰ বাবে মুখ্যমন্ত্ৰী ভজন লাল শৰ্মাৰ উচ্চ পৰ্যায়ৰ কমিটি গঠন

## ৰাজস্থানৰ চিকিৎসালয়ৰ ICUত অগ্নিকাণ্ড; ৮ গৰাকী ৰোগীৰ মৃত্যু

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৬ অক্টোবৰ ঃ** ৰাজস্থানৰ এখন চিকিৎসালয়ত সংঘটিত হয় ভয়ংকৰ অগ্নিকাণ্ড। ঘটনাৰ খবৰ লাভ কৰাৰ পাচতেই ঘটনাস্থলীত ⏩ ৬ পৃষ্ঠাত



ৰোগ প্ৰতিৰোধ ক্ষমতাৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত অভূতপূৰ্ব অৱদান মেৰী ই ব্ৰুংকো, ফ্ৰেড ৰেমছডেল আৰু শ্বিমন ছাকাগুচিৰ

## তিনি গৰাকী বিজ্ঞানীলৈ ২০২৫ বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ ন'বেল বঁটা

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৬ অক্টোবৰ ঃ** ২০২৫ বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ ন'বেল বঁটাৰ বাবে তিনিগৰাকী বিশিষ্ট বিজ্ঞানীক সোমবাৰে ঘোষণা কৰা হৈছে। আমেৰিকাৰ ছিয়াটলৰ মেৰী ই ব্ৰুংকো, ⏩ ৬ পৃষ্ঠাত



জুবিন গাৰ্গৰ দেহৰক্ষীৰ একাউণ্টত কোটি কোটি টকাৰ ধনৰ লেনদেন

**ষ্টাফ ৰিপ'টাৰ, কামৰূপ, ৬ অক্টোবৰ ঃ** জুবিন গাৰ্গৰ সন্দেহজনক মৃত্যুৰ তদন্ত প্ৰক্ৰিয়া ক্ষিপ্ৰগতিত ⏩ ৬ পৃষ্ঠাত

তেওঁ যদি 'ক' বুলি কয় তেন্তে 'খ'ও হ'ব পাৰে ঃ মুখ্যমন্ত্ৰী

## জুবিন গাৰ্গৰ মৃত্যুক লৈ অখিল গগৈৰ নিকৃষ্ট ৰাজনীতিৰ অভিযোগ মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ৬ অক্টোবৰ ঃ** জুবিন গাৰ্গৰ অকস্মাৎ মৃত্যুৰ পিছত অসম ⏩ ৬ পৃষ্ঠাত

## শুদ্ধ মতাদৰ্শৰ অভাৱতে আছুৰ পৰা বহুত পায়ো অসমে একো নাপায়গৈ ঃ অখিল গগৈ

ৰঙালী উৎসৱত মহন্তক প্ৰশংসাৰে ওপচাই উদাত্ত ভাষণ উৎপল শৰ্মাৰ; অখিল-উৎপলৰ বাকযুদ্ধ



**নিউজ ডেস্ক, অসম বাৰ্তা, ৬ অক্টোবৰ ঃ** 'জুবিন গাৰ্গৰ মৃত্যুৰ' ঘটনাৰে নাম সাঙোৰ খাই পৰা অন্যতম অভিযুক্ত শ্যামকানু মহন্তৰ ৰঙালী ⏩ ৬ পৃষ্ঠাত

৩৫০ জনক উদ্ধাৰ, অভিযান অব্যাহত

## ব্যাপক তুষাৰধুমুহা; মাউণ্ট এভাৰেষ্টত আবদ্ধ সহস্ৰাধিক

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৬ অক্টোবৰ ঃ** বিশ্বৰ সৰ্বোচ্চ শৃংগ মাউণ্ট এভাৰেষ্টৰ তিব্বতীয়া ঢালত শুকুৰবাৰৰ পৰা আৰম্ভ হোৱা অভূতপূৰ্ব তুষাৰ ধুমুহাই পৰ্বতাৰোহীসকলক বিপদত পেলাইছে। তথ্য অনুসৰি, ⏩ ৬ পৃষ্ঠাত

## মাকুমত নৈশ বাছত সৰবৰাহ কৰি অনা চাৰিটিকৈ কিশোৰ-কিশোৰী উদ্ধাৰ

**অসম বাৰ্তা, মাকুম, ৬ অক্টোবৰ ঃ** সমগ্ৰ তিনিচুকীয়া জিলাখনত কিশোৰ-কিশোৰী ⏩ ৬ পৃষ্ঠাত

## গোলাঘাটত দহ সহস্ৰাধিক জুবিন অনুৰাগীয়ে সমস্বৰে গালে 'মায়াবিনী ৰাতিৰ বুকুত'

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৬ অক্টোবৰ ঃ** গোলাঘাটৰ জোঁৱাই জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান উপলক্ষে গোলাঘাটত আজি বিশাল ⏩ ৬ পৃষ্ঠাত




১২-১৬ নৱেম্বৰলৈকে আউনীআটী সত্ৰৰ ঐতিহাসিক পালনাম



## মাজুলীৰ প্ৰায় ৬৫খন মঞ্চত ৰাসলীলাৰ নাটমেলা পৰ্ব আৰম্ভ

▪ শৰতৰ চন্দ্ৰাৱলী ৰাতি হ'ব অতি বিতোপন ▪ ১০৪ বছৰীয়া পৰম্পৰা ৰক্ষাৰে অনুষ্ঠিত হ'ব ৰাস

**অসম বাৰ্তা, উজনী মাজুলী, বনগাঁও, ৬ অক্টোবৰ ঃ** দুৰ্গোৎসৱবিহীন মাজুলীত আজিৰ দিনটোৰ পৰাই আৰম্ভ হৈছে শাৰদীয় উৎসৱ। শৰৎ মানেই শাৰদীয় উৎসৱৰ বতৰ। বিশেষকৈ শৰৎ অহাৰ লগে লগেই নদীদ্বীপ মাজুলীয়ে ন ৰূপত প্ৰাণ পাই উঠে। মাজুলীৰ শাৰদীয় মূল উৎসৱ ⏩ ৩ পৃষ্ঠাত



# হাতীমূৰা সমন্বয় নগৰ উন্নয়ন সমিতিৰ ৰূপালী জয়ন্তী সমাৰোহৰ লাইখুঁটা স্থাপন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৬ অক্টোবৰ ঃ** ডিব্ৰুগড় জিলা বৰবৰুৱা উন্নয়খণ্ড আৰু মানকটা খনিকৰ পঞ্চায়তৰ অন্তৰ্গত হাতীমূৰা নামনি অংশৰ মুকলি পথাৰত ১৯৯৯ চনৰ মে' মাহত মুষ্টিমেয় ৩৪টা পৰিয়ালে বসবাস কৰা-লোক সকলৰ স্থায়ী ঠিকনা, বাট- পথৰ লগতে বিজুলিবাটি, খোৱাপানী যোগান আদি বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত হৈ থকা সেই সময়ৰ স্থানীয় বাসিন্দা সকলে এই সমস্যা সমূহ নিৰ্মূলৰ বাবে এখনি উন্নয়ন সমাজ গঢ়দিবলৈ গঠন কৰিলে "সমন্বয় নগৰ উন্নয়ন সমিতি"। এই সমিতিয়ে জন্মলগ্নৰে পৰা ৰাইজৰ মংগলৰ বাবে সেৱা আগবঢ়াই অহা সমিতিখনে বহু ঘাট প্ৰতিঘাট নেওচি আজি একুৰি পাঁচোটা বসন্তৰ অভিজ্ঞতাৰে উন্নয়ন সমিতিৰ সহযাত্ৰী হ'লহি প্ৰায় তিনিশতাধিক পৰিয়াল। ইতিমধ্যে পচিশটা বৰ্ষ অতিক্ৰম কৰা একালৰ মুকলি উই হাফলুৰে আবৃত শুকান পথাৰ খনত এতিয়া ৰং বিৰঙৰ ফুলেৰে জাতিস্কাৰ। ৰিং এটা মাৰিও সঁহাৰি পাবলৈ নোহোৱা বাকৰিখনত এতিয়া বিৰদি বাট নোপোৱা অৱস্থা। সমন্বয় ভেটিত সমবেতহৈ সকলো গৃহস্থিয়ে নতুন উদ্যমৰে সেই সমন্বয়ৰ বৰঘৰখন শক্তিশালী কৰি প্ৰায় একুৰি দুটা ভিন্ন জাতি জনগোষ্ঠী ভাষাগোষ্ঠীৰ সমন্বয়ৰ মাজেৰে গঢ়ি উঠা এই সমন্বয়ৰ সমাজখনে দিন পাৰকৰিছে। অতিতৰ স্মৃতি সমূহ ৰোমন্থন কৰা মানসৰে অহা ১১ আৰু ১২ অক্টোবৰ, শনি আৰু দেওবাৰে সমন্বয় নগৰৰ ৰূপালী জয়ন্তীবৰ্ষক সজীৱ কৰি ৰাখিবলৈ 'সমন্বয় সংস্কৃতি সমাৰোহ'খনি আয়োজন কৰিছে। সমন্বয়ৰে জাতিৰ ভেটি সুদৃঢ় কৰাৰ বাবে পদক্ষেপ লৈ একুৰি পাঁচোটা বছৰ অতিক্ৰম কৰিলেও সমন্বয়ৰ প্ৰচেষ্টা আৰু দৃঢ় লক্ষ্যআগত ৰাখি মানুহৰ মাজত সমন্বয় গঢ়ি তুলিবলৈ লগতে সমন্বয়ৰ সাংস্কৃতিক ভেটিক অধিক তৰান্বিত কৰি বিভিন্ন সাংস্কৃতিক উপাদান সমূহক মুকলিমূৰীয়াকৈ একেলগে দাঙি ধৰিবলৈ প্ৰয়াস কৰা এই পবিত্ৰ কৰ্ম ভাগি সম্পন্ন কৰিবলৈ ৰিপুনাথ শইকীয়াই আনুষ্ঠানিক ভাবে লাইখুঁটা স্থাপন কৰে। মাংগলিক কৰ্মৰে সম্পন্ন কৰা অনুষ্ঠানত সহযোগ কৰে মহ: দলিলুৰ ৰহমান, ভগৱত চবৰ, দীপক শইকীয়া, ডিম্বেশ্বৰ কোঁৱৰ, প্ৰণজ্যোতি বড়া, নিজৰা গগৈ, অমৃতপ্ৰভা সোণোৱাল, হেমন্ত কছাৰী আদিয়ে। পুৱাৰ ভাগত এই পবিত্ৰ কৰ্ম সম্পন্ন হোৱাৰ পাছতেই সদস্য সদস্যা সকলৰ সহযোগত চাফাই কৰ্ম সম্পন্ন কৰা হয়। বিয়লি ৩ বজাত এখন মুকলি সভা অনুষ্ঠিত কৰা হয়। সভাখনত পৰিচালনা কৰে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা অনুষ্ঠানৰ মুখ্য উপদেষ্টা ড° আতিকুদ্দিন আহমেদে। এই সভাত বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰ ভিতৰত অন্যতম হৈছে প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই জাকজমকতা কাৰ্যসূচী পৰিহাৰ কৰাৰ লগতে সমাৰোহৰ বাবে আয়োজন কৰা সাংস্কৃতিক শোভাযাত্ৰাৰ কাৰ্যসূচী পৰিহাৰ কৰা হয়। আনহাতে ১২ অক্টোবৰত অনুষ্ঠিত হ'ব মুকলি সভা। সভাত- অসম চৰকাৰ মন্ত্ৰী প্ৰশান্ত ফুকন, কানৈ মহাবিদ্যালয় অধ্যক্ষ ড° শশীকান্ত শইকীয়া, জিলা পৰিষদৰ সভানেত্ৰী পুষ্পাঞ্জলী সোণোৱাল, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, অসম আদিত্য কাকতৰ সম্পাদক মনজিৎ বৰা, অজিত দাস, বিশ্বজিৎ ফুকন, ড° মৃণাল বৰুৱা, নোমল চন্দ্ৰ গগৈ, সুদক্ষিণা দাস, চিত্ৰা ৰাভাকে প্ৰমুখ্য কৰি বহুকেইগৰাকী সন্মানীয় অতিথিয়ে সভাত অংশ গ্ৰহণ কৰিব। উক্ত অনুষ্ঠানত শুভাকাংক্ষী ৰাইজৰ সহযোগিতা তথা উপস্থিতি কামনা কৰিছে-উন্নয়ন সমিতি সভাপতি থুলকান্ত নেওগ আৰু সম্পাদক - দুলাল বৰাই।

# নগাঁৱৰ ২০২৫ বৰ্ষৰ শাৰদীয় দুৰ্গোৎসৱৰ স্থানপ্ৰাপ্ত পূজা সমিতিক বটাঁ বিতৰণী অনুষ্ঠান



**অসম বাৰ্তা, নগাঁও, ৬ অক্টোবৰ ঃ** নগাঁও পৌৰসভা অন্তৰ্গত ২০২৫ বৰ্ষৰ শাৰদীয় দুৰ্গোৎসৱৰ স্থানপ্ৰাপ্ত পূজা সমিতিক বটাঁ বিতৰণী অনুষ্ঠান টি আজি নগাঁও পৌৰসভাৰ কাৰ্যালয় প্ৰাংগনত আয়োজিত হয়। আজি সন্ধিয়া পৌৰসভাৰ কাৰ্যালয় প্ৰাংগনত আজোজিত এই বটাঁ বিতৰনী অনুষ্ঠানটি আনুষ্ঠানিকভাবে মুকলি কৰে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। অনুষ্ঠানটি মুকলি কৰি বিধায়ক শৰ্মাই কয় যে নগাঁও পূজা সমূহৰ এক বিশেষ তাৎপৰ্য তথা ঐতিহ্য আছে। নগাঁৱত আয়োজিত পূজা সমিতি সমূহক আজি বহুদিনৰ পৰাই নগাঁও পৌৰসভাই বিভিন্ন শিতানত পুৰস্কাৰ বিতৰণ কৰি আহিছে। কিন্তু তেতিয়া পূজা সমিতি সমূহক দশমী দিনা নেহৰুবালীৰ বাকৰিতে উক্ত বটাঁ সমূহ বিতৰণ কৰা হৈছে। ৰাইজে পুৰস্কাৰ প্ৰদানৰ কথা জনাই নাছিল। কিন্তু এতিয়া আমি এই পূজা সমিতি সমূহক দশমীৰ দুই তিনিদিন পাছত পুৰস্কাৰ সমূহ ৰাজহুৱাকৈ পৌৰসভাৰ মজিয়াত সভা পাতি বিতৰণ কৰি আহিছো। পূজা সমিতি সমূহক আমাৰ পৌৰসভাৰ তৰফৰ পৰা আগবঢ়োৱা কেৱল এক সৰু উৎসাহজনক বাৰ্তাহে মাথোঁ। আজিৰ এই বটাঁ বিতৰনী অনুষ্ঠানত নগাঁও পৌৰসভাৰ অধ্যক্ষা অম্বিকা মদুমদাৰ, উপাধ্যক্ষ সিমান্ত বৰা, কাৰ্যাবাহী বিষয়া পংকজ ভূএগ, কাৰ্যবাহী অভিযন্তা ৰাজেশ দাসৰ লগতে নগাঁও পৌৰসভাৰ বিভিন্ন মহলাৰ আয়ুক্ত সকলৰ লগতে পুৰস্কাৰ লাভ কৰা পূজা সমিতি সমূহৰ সভাপতি সম্পাদক আৰু সদস্য উপস্থিত থাকে। ২০২৫ বৰ্ষৰ শাৰদীয় দুৰ্গোৎসৱৰ স্থানপ্ৰাপ্ত পূজা সমিতি সমূহৰ নাম এনেধৰণৰ প্ৰথম শ্ৰেষ্ঠ প্ৰতিমা চলন্ত বঁটা শিতানত লাভ কৰিছে, পানীগাওঁ কালীবাড়ী দুৰ্গা পূজা সমিতি, দ্বিতীয় শ্ৰেষ্ঠ প্ৰতিমা চলন্ত বঁটা শিতানত ব্যৱসায়ী পূজা সমিতি, নগাওঁ, তৃতীয় শ্ৰেষ্ঠ প্ৰতিমা চলন্ত বটা শিতানত ফৌজদাৰীপটি শ্ৰী শ্ৰী সৰ্বজনীন পূজা সমিতি (কলা মন্দিৰ), প্ৰথম শ্ৰেষ্ঠ মণ্ডপ চলন্ত বটাঁ শিতানত নগাঁও বঙ্গালী সন্মিলনী, নগাঁও, দ্বিতীয় শ্ৰেষ্ঠ মণ্ডপ চলন্ত বটাঁ শিতানত বিবেকানন্দপল্লী শাৰোদৎসৱ সমিতি, হয়ৱৰগাঁও, তৃতীয় শ্ৰেষ্ঠ মণ্ডপ চলন্ত বটাঁ শিতানত জ্যোতিময় শক্তি উৎসৱ সমিতি, এ, টি ৰোড়, হয়ৱৰগাঁও, প্ৰথম শ্ৰেষ্ঠ আলোক সজ্যা চলন্ত বটাঁ শিতনত সৰ্বজনীন পূজা সমিতি, শংকৰ মিচন পথ, দ্বিতীয় শ্ৰেষ্ঠ আলোক সজ্যা চলন্ত বটাঁ শিতানত মা কালী সংঘ, হায়ৱৰগাঁও। তৃতীয় শ্ৰেষ্ঠ আলোক সজ্যা চলন্ত বটাঁ শিতানত শনি মন্দিৰ দৃগী পূজা সংঘ, হায়ৱৰগাঁও, প্ৰথম শ্ৰেষ্ঠ স্বচ্ছতা চলন্ত বটাঁ শিতানত নৱ দুৰ্গা ক্লাব, আৰ, আৰ বি. ৰোড, দক্ষিণ হয়ৱৰগাওঁ, দ্বিতীয় তোষ্ঠ স্বচ্ছতা চলন্ত বটাঁ শিতানত, দ্বিগবিজয় সংঘ দুৰ্গাপূজা উদ্যাপন সমিতি। তৃতীয় শ্ৰেষ্ঠ স্বচ্ছতা চলন্ত বটাঁ শিতানত বীণাপানী পূজা সমিতি, মাধৱদেব পথ, হয়ৱৰগাঁৱে লাভ কৰিছে। বটাঁ সমূহত প্ৰথম পুৰস্কাৰত নগদ দহ হাজাৰ টকা, চলন্ত ট্ৰফী স্মাৰক, দ্বিতীয় পুৰস্কাৰত নগদ সাত হাজাৰ টকা, চলন্ত ট্ৰফী আৰু স্মাৰক, তৃতীয় পুৰস্কাৰত নগদ পাঁচ হাজাৰ টকা, চলন্ত ট্ৰফী, স্মাৰক আদি প্ৰদান কৰা হয়।

**জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ সম্পন্নৰ লগতে মহাপুৰুষীয়া ভাওনা মঞ্চস্থ**

# দ্বিতীয় বৈকুণ্ঠপুৰীলৈ পৰিণত সৰুপথাৰ কুশল কোঁৱৰ তিনিআলি



**অসম বাৰ্তা, ধনশিৰি, ৬ অক্টোবৰ ঃ** অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অনাকাংক্ষিত মৃত্যুত এতিয়াও ম্ৰিয়মাণ সমগ্ৰ অসম। অসমৰ বিভিন্ন প্ৰান্তৰ লগতে শনিবাৰে গণশিল্পী গৰাকীৰ পুণ্যাত্মাৰ সদ্গতি কামনাৰে সৰুপথাৰ কুশল কোঁৱৰ তিনিআলিৰ যুৱসমাজ, সৰুপথাৰ শাখা সাহিত্য সভা আৰু স্থানীয় ৰাইজ মিলি দিনযোৱা কাৰ্যসূচীৰে আদ্যশ্ৰাদ্ধৰ আয়োজন কৰে। জেষ্ঠ নাগৰিক ইন্দ্ৰ শৰ্মাই জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰা অনুষ্ঠানভাগিত গণশিল্পী গৰাকীক সকলো ৰাইজে শ্ৰদ্ধাঞ্জলি জনাই। জুবিন গাৰ্গৰ আশা আৰু অনুৰোধক সন্মান জনাই স্থানীয় শিক্ষক সুচিত মজুমদাৰ, সমাজকৰ্মী পৰেশ তালুকদাৰ আৰু সৰুপথাৰ শাখা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদক ভুৱন কোঁৱৰ আৰু ৰাজীৱ লোচন সন্দিকৈয়ে অঞ্চলটিৰ কেইবাটাও স্থানত নাহৰ পুলি ৰোপণ কৰে। অনুষ্ঠানৰ লগত সঙ্গতি ৰাখি এক সৰ্বধৰ্মীয় প্ৰাৰ্থনাও অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সূৰ্য গগৈয়ে আঁত ধৰা সৰ্বধৰ্মীয় প্ৰাৰ্থনাৰ আৰম্ভণিতে বিশিষ্ট শিক্ষাবিদ নৰেন চুতীয়াই গীতা পাঠ কৰে। গীতা পাঠ শেষ হোৱাৰ লগে লগে অনুষ্ঠানটিত উপস্থিত থকা ইচলাম, খ্ৰীষ্টান আৰু বৌদ্ধ ধৰ্মীয় লোক সকলে নিজ নিজ ধৰ্মীয় প্ৰাৰ্থনা জনাই। পৰৱৰ্তী সময়ত ভকত বৈষ্ণৱ ৰাইজে নাম-প্ৰসঙ্গ আৰু স্থানীয় মহিলা সকলে দিহানাম পৰিৱেশন কৰে। উক্ত অনুষ্ঠানৰ পিছত ভকত বৈষ্ণৱ আৰু উপস্থিত ৰাইজ সকলৰ মাজত প্ৰসাদ বিতৰণ কাৰ্যসূচী সম্পন্ন হয়। আনহাতে কাৰ্যসূচীৰ শেষৰটো অনুষ্ঠান হিচাপে বিশিষ্ট সাংস্কৃতিক কৰ্মী ৰেৱ চুতীয়াৰ পৰিচালনাৰে 'সমন্বয় শিশু শিল্পী সমাজ সৰুপথাৰ' নামৰ এটি শিশু শিল্পীৰ দলে মহাপুৰুষীয়া ভাওনা "সীতা হৰণ বালিবধ" মঞ্চস্থ কৰে। শিশু শিল্পী সকলৰ নিখুঁত অভিনয়ে কুশল কোঁৱৰ তিনিআলিৰ সম্পুৰ্ণ পৰিৱেশ বৈকুণ্ঠপুৰীলৈ ৰূপান্তৰিত কৰি তোলে আৰু ভাওনা চাবলৈ অগণন ৰাইজে ভৰি পৰে। অনুষ্ঠানটোত কুশল কোঁৱৰ তিনিআলিৰ যুৱসমাজৰ লগতে সৰুপথাৰ শাখা সাহিত্য সভা, স্থানীয় পুৰুষ মহিলাৰ লগতে বহু সংখ্যক সমাজ সচেতন লোকে ওতপ্ৰোতভাৱে সহযোগিতা আগবঢ়াই। উক্ত অনুষ্ঠানৰ মজিয়াৰ পৰাই সকলো লোকে জুবিন গাৰ্গৰ কৰ্মৰাজি আৰু তেখেতে অসম আৰু অসমীয়া সমাজৰ বাবে আগবঢ়োৱা অৱদানসমূহ লগত লৈ আগবাঢ়ি যোৱাৰ উপৰি তেখেতৰ প্ৰতিটো স্মৃতি চিৰযুগমীয়া কৰি ৰখাৰ বাবে সংকল্পবদ্ধ হয়। কুশল কোঁৱৰ তিনিআলিৰ যুৱসমাজে স্থানীয় ৰাইজৰ লগত সম্প্ৰীতি অটুত ৰাখি সুন্দৰ আৰু নিয়াৰিকৈ জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ আৰু ভাওনা প্ৰদৰ্শন অনুষ্ঠানভাগি সম্পন্ন কৰাত সকলোৱে তেওঁলোকৰ পদক্ষেপক শলাগ জনায়। সদ্যপ্ৰয়াত গণশিল্পী জুবিন গাৰ্গে নিজৰ গীত আৰু কথাৰ জৰিয়তে যিধৰণে জাতি ধৰ্ম নিৰ্বিশেষে সকলো এক হৈ মানুহ হিচাপে জীয়াই থাকিবলৈ কৈছিল, সেই কথা সৰুপথাৰ কুশল কোঁৱৰ তিনিআলিৰ যুৱসমাজে আখৰে আখৰে পালন কৰি সমাজলৈ এক সুন্দৰ বাৰ্তা প্ৰেৰণ কৰিবলৈ সক্ষম হয়।

# অভয়াপুৰীত জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি-সৰ্বধৰ্ম প্ৰাৰ্থনা সভা

**অসম বাৰ্তা, অভয়াপুৰী, ৬ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীত কাইলৈ অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা আয়োজন কৰা হৈছে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বঙাইগাঁও জিলা সমিতি, সদৌ অসম সাংবাদিক সন্থাৰ অনুমোদিত বঙাইগাঁও জিলা সাংবাদিক সন্থা আৰু সাহিত্য সংস্কৃতি সাধনা মঞ্চ, অসমৰ বঙাইগাঁও জিলা সমিতিৰ যৌথ উদ্যোগত অভয়াপুৰী জ্যোতি সাংস্কৃতিক অনুষ্ঠানত আয়োজন কৰা অনুষ্ঠানটি পুৱা শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা হ'ব। তাৰ পাছতেই জুবিন অনুৰাগীয়ে সমবেতভাৱে পৰিবেশন কৰিব শিল্পী গৰাকীৰ প্ৰিয় "মায়াবিনী..." শীৰ্ষক গীতটি। চাৰে দহ বজাত জুবিন গাৰ্গৰ স্মৃতিত অভয়াপুৰীৰ বিভিন্ন ঠাইত নাহৰৰ পুলি ৰোপণ কৰাৰ লগতে সকলোৱে প্ৰিয় শিল্পী গৰাকীৰ বিদেহ আত্মাৰ সদ্গতি কামনাৰে ভাগৱত, কোৰান আৰু বাইবেল পাঠৰ আয়োজন কৰিছে। ইয়াৰ পাছতে আৰম্ভ কৰিব নাম-প্ৰসংগ। তেনেদৰে দুপৰীয়া শিল্পী গৰাকীৰ জীৱন পৰিক্ৰমাৰ ওপৰত আলোকপাত কৰিব কেবাজনো বিশিষ্ট ব্যক্তিয়ে। এই অনুষ্ঠানে কেবাগৰাকী শিল্পীয়ে জুবিনৰ গীত-মাত পৰিবেশন কৰিব। সন্ধিয়া সমূহীয়াভাৱে বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে অনুষ্ঠানৰ সামৰণি পৰিব।

# ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিত ১৮ ছেপ্তেম্বৰ পৰা 'শুশ্ৰূষা সেতু' শীৰ্ষক বৃহৎ স্বাস্থ্য শিবিৰ আৰম্ভ

**অসম বাৰ্তা, লাহৰীঘাট, ৬ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা দেৱৰ সবল নেতৃত্বত ৰাজ্যখনৰ প্ৰতিখন জিলাৰ বিধানসভা সমষ্টিত ১৮ ছেপ্টেম্বৰ ২০২৫ ৰ পৰা "শুশ্ৰুষা সেঁতু" শীৰ্ষক বৃহৎ স্বাস্থ্য শিবিৰ ইতিমধ্যে আৰম্ভ হৈছে। এই স্বাস্থ্য শিবিৰৰ মাধ্যমেৰে ১৮ বছৰ বয়সৰ তলৰ শিশু আৰু কিশোৰ কিশোৰী সকলক বিশেষ গুৰুত্ব প্ৰদান কৰাৰ লগতে হৃদযন্ত্ৰ, স্নায়ু, বংশানুক্ৰমিক ৰোগ, যকৃত, বৃক্ক, চকু আৰু নাক কাণৰ ৰোগকে ধৰি ৫০বিধৰো অধিক ৰোগ নিৰ্ণায়ক পৰীক্ষা কৰি পৰৱৰ্তী পৰ্যায়ত যথোপযুক্ত চিকিৎসা প্ৰদান আৰু বিনামূলীয়া পুনৰীক্ষণ ব্যৱস্থা কৰাৰ উপৰিও ৰোগ অনুসৰি পৰ্যায়ক্ৰমে উন্নত তথা বিনামূলীয়া চিকিৎসা প্ৰদানৰ বাবে বিশেষ সা-সুবিধা থকা চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা ইয়াত উপলব্ধ হ'ব। অহা ৭ অক্টোবৰ, ১৭ অক্টোবৰ আৰু ২৪ অক্টোবৰ ২০২৫ তাৰিখে মৰিগাঁও জিলাতো সমষ্টি ভিত্তিত তিনিটা সমষ্টিৰ মৰিগাঁও, জাগীৰোড আৰু লাহৰীঘাট ৰ অন্তৰ্গত সকলো জনসাধাৰণৰ বাবে চৰকাৰে স্বাস্থ্য শিবিৰৰ আয়োজন কৰিছে। ৭ অক্টোবৰত প্ৰথমটো শিবিৰ অনুষ্ঠিত হ'ব মৰিগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত চৰাইবাহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগনত, ১৭ অক্টোবৰত জাগীৰোড বিধানসভা সমষ্টিৰ অন্তৰ্গত জাগীভকতগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগনত আৰু তৃতীয় অৰ্থাৎ অন্তিমটো শিবিৰ অনুষ্ঠিত হ'ব লাহৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগনত। উক্ত তিনিটা সমষ্টিৰ অন্তৰ্গত শিবিৰত মৰিগাঁও জিলাৰ চিকিৎসক বিশেষজ্ঞ সকল উপস্থিত থকাৰ উপৰিও গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পৰা বিভিন্ন বিভাগৰ বহুকেইগৰাকী বিশেষজ্ঞ ক্ৰমে মেডিচিন, স্নায়ুৰোগ, শিশু ৰোগ, শল্য চিকিৎসা, চৰ্মৰোগ, কাণ নাক ডিঙি, হৃদৰোগ, অস্থিৰোগ, দন্ত আৰু চকু বিভাগৰ চিকিৎসক উপস্থিত থাকিব। গতিকে ৰাজ্য চৰকাৰে আয়োজন কৰা এই বৃহৎ স্বাস্থ্য শিবিৰৰ বাবে প্ৰয়োজনীয় সকলো যাবতীয় কাম আৰু ব্যৱস্থাপনা ইতিমধ্যে পূৰ্ণ গতিত চলিছে। সেই অনুসৰি জিলাখনৰ শিক্ষা বিভাগ আৰু মহিলা আৰু শিশু কল্যাণ বিভাগৰ বিষয়াসকলৰ লগত ইতিমধ্যে যোগাযোগ ৰাখি ছাত্ৰ ছাত্ৰীৰ তালিকা প্ৰস্তুত কৰা হৈছে। লগতে প্ৰতিটো সমষ্টিৰ অন্তৰ্গত সকলো এলেকাৰ আশা আৰু অংগনবাদী কৰ্মীসকলৰ সহযোগত ৰোগীসকলক স্বাস্থ্য শিবিৰলৈ অনাৰ সুবিধা কৰা হ'ব। ৰোগীসকলৰ বাবে পঞ্জীয়নৰ সু-ব্যৱস্থা ইতিমধ্যে কৰা হৈছে। সমস্যা সাপেক্ষে ৰোগী সকলক ৰেফাৰৰ বাবেও প্ৰতিটো গোটত স্বাস্থ্য বিভাগৰ বিষয়া কৰ্মচাৰী উপস্থিত থাকিব। তদুপৰি শিবিৰলৈ আগমণ ঘটা প্ৰতিগৰাকী ৰোগীৰ বাবে জীৰণি কক্ষ ব্যৱস্থা থাকিব। প্ৰতিখন শিক্ষানুষ্ঠানৰ পৰা নডেল শিক্ষক সকলেও ছাত্ৰ ছাত্ৰীক শিবিৰলৈ অনা নিয়া কৰাৰ বাবে পৰিবহণৰ সূচল ব্যৱস্থা কৰা হ'ব এই সংক্ৰান্তত যোগাযোগৰ বাবে জিলা পৰ্যায়ৰ আৰু ব্লক পৰ্যায়ৰ বিষয়াসকলৰ লগত যোগাযোগ কৰিব পাৰিব।

# লাউজান তিনিসুঁতিমুখত নৱনিৰ্মিত মা কালি মন্দিৰৰ শুভ উদ্বোধন

**অসম বাৰ্তা, পাথৰিঘাট, ৬ অক্টোবৰ ঃ** দৰং আৰু কামৰূপ সীমান্ত লাউজান তিনিসুঁতিমুখত ব্যক্তিগত ভাৱে এজন ব্যক্তিয়ে তেওঁৰ প্ৰয়াত পিতৃ আৰু প্ৰয়াত মাতৃৰ স্মৃতি সজীৱ কৰি ৰখাৰ উদ্দেশ্যে কেইবা লক্ষ্য টকা ব্যয়ৰে নিৰ্মাণ কৰিলে এটা কালি মন্দিৰ। অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান প্ৰতিষ্ঠাৰ সৈতে জড়িত এগৰাকী সমাজ হিতৈষি ব্যক্তি তথা যুৱক জনৰ পিতৃ প্ৰয়াত ভৱকান্ত শৰ্মা আৰু মাতৃ প্ৰয়াত কণিকা শৰ্মাৰ সোঁৱৰণত দৰঙৰ পশ্চিম প্ৰান্তৰ ঐতিহাসিক তিনিসুঁতিমুখ ৰাজহুৱা শিৱ মন্দিৰ প্ৰাংগনত পুত্ৰ মিণ্টু শৰ্মাই নিজৰ কষ্টসাধ্য উপাৰ্জনৰ ধনৰে পুনৰ নিৰ্মাণ কৰিলে এটা আটক ধুনীয়া কালি মন্দিৰ। মন্দিৰটো সম্পূৰ্ণ হৈ উঠাৰ পিচত ইতিমধ্যে আনুষ্ঠানিক ভাৱে দৰ্শনাৰ্থীৰ বাবে মুকলি কৰা হয়। সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে পৰিয়ালৰ লোকৰ উপস্থিতিত পূজাৰীৰ মন্ত্ৰোস্মাৰণৰ মাজত মাঙ্গলিক কাৰ্যৰে আনুষ্ঠানিকভাৱে ৰাইজৰ বাবে মুকলি কৰে কালি মন্দিৰটো। অঞ্চলটোৰ প্ৰায় শতাধিক ৰাইজৰ অংশ গ্ৰহণেৰে শিৱ মন্দিৰ পৰিচালনা সমিতিৰ বিষয় ববীয়াৰ উপস্থিতিত কালি মন্দিৰটো শুভ উদ্বোধন কৰা হয়। উল্লেখ্য যে এনেদৰে নিজ সন্তানে পিতৃ মাতৃৰ স্মৃতি জীয়াই ৰাখিবলৈ পুত্ৰ বোৱাৰী ভাতৃ আৰু পৰিয়ালবৰ্গই নিজা খৰচত কালি মন্দিৰটো নিৰ্মাণ কৰা কাৰ্যক অঞ্চলবাসীয়ে ভূয়সী প্ৰশংসা কৰে।

**কেন্দ্ৰীয় নাগৰিক মঞ্চৰ উদ্যোগত সম্প্ৰীতিৰ মিলনভূমিত পৰিণত পুৰণিগুদাম**

# পুৰণিগুদামত জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা



**অসম বাৰ্তা, পুৰণিগুদাম, চামগুৰি, ৬ অক্টোবৰ ঃ** সঙ্গীত, সৰলতা আৰু মহানুভৱতাৰ গুণেৰে সমৃদ্ধ বৰ্ণময় যাত্ৰাৰে জীৱনৰ বাটবুলি জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে সমগ্ৰ অসমৰ সকলোকে জীৱন জীয়াৰ সপোন দেখুৱাই আমাৰ মাজৰ পৰা আকস্মিকভাৱে আঁতৰি যোৱা সূৰ্যকণ্ঠ জুবিন গাৰ্গৰ আত্মাৰ সদ্গতি প্ৰাপ্তিৰ কামনাৰে নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামত আজি দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ল ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা সভা। বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ মুঠ ৩৭ টাকৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিবৰ্গৰ সন্মিলিত প্ৰচেষ্টাত গঢ়ি উঠা কেন্দ্ৰীয় নাগৰিক মঞ্চ, পুৰণিগুদামৰ উদ্যোগত আজি প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আত্মাৰ সদ্গতি প্ৰাপ্তিৰ কামনাৰে হিন্দু, মুছলিম, খ্ৰীষ্টান, জৈন আদি ধৰ্মৰ লোক সকলে একেখন ঐক্যমঞ্চৰ পৰাই ঈশ্বৰক প্ৰাৰ্থনা জনাই জুবিন গাৰ্গৰ আহ্বানৰ প্ৰতিও যেন সঁহাৰি জনোৱা পৰিলক্ষিত হয়। সূৰ্যকণ্ঠ জুবিন গাৰ্গৰ স্মৃতিত অনুষ্ঠানস্থলীত সু-সজ্জিতৰূপত পৃথকভাৱে স্থাপন কৰা দুখনকৈ শ্ৰদ্ধাঞ্জলি বেদীত ধূপ-দীপ প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে পুৱাৰ কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। সাংবাদিক কুলপ্ৰদীপ দাস আৰু আবৃত্তিকাৰ পূৰৱী শইকীয়াই আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠান শুভাৰম্ভ কৰে ক্ৰমে, কেন্দ্ৰীয় নাগৰিক মঞ্চ, পুৰণিগুদামৰ সভাপতি জ্যোতিৰ্ময় গোস্বামী আৰু পুৰণিগুদামৰ অভিভাৱকস্বৰূপ, বিশিষ্ট সাহিত্যক ফণীন্দ্ৰনাথ গায়নে। দুয়োগৰাকী ব্যক্তিক সহযোগিতা আগবঢ়াই মঞ্চৰ যুটীয়া সাধাৰণ সম্পাদক ক্ৰমে প্ৰশান্ত শইকীয়া, প্ৰাণকৃষ্ণ ডেকা, পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ সভাপতি পুলিন হাজৰিকা আৰু পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ সম্পাদক তিলক কুমাৰ গায়নে। ইয়াৰ পাছতে বৃহত্তৰ অঞ্চলটোৰ অনুষ্ঠান প্ৰতিষ্ঠা সমূহ ক্ৰমে পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল, পুৰণিগুদাম শতদল শাখা সাহিত্য সভা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, পুৰণিগুদাম আঞ্চলিক সমিতি, পুৰণিগুদাম আঞ্চলিক ছাত্ৰ সন্থা, অনিৰ্বাণ গোষ্ঠী, টাই আহোম ছাত্ৰ সন্থা, টাই আহোম যুৱ পৰিষদ, অৱিনশ্বৰ গোষ্ঠী, অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখা, আলোড়ন গোষ্ঠী, পুৰণিগুদাম প্ৰেছ ক্লাব, পুৰণিগুদাম কৰ্মচাৰী পৰিষদ, জ্যেষ্ঠ নাগৰিক মঞ্চ, ব্যৱসায়ী সন্থা, চামগুৰি বৈদ্যুতিন সংবাদ মাধ্যম, পুৰণিগুদাম ড° বি কে বি মহাবিদ্যালয়, পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়, নিশিকান্ত বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়, শংকৰদেৱ বিদ্যানিকেতন, কলংপাৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামী উচ্চ মাধ্যমিক বিদ্যালয় (মূঢ়ানি) শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামী উচ্চ মাধ্যমিক বিদ্যালয় (চলচলি), সূতাৰ উচ্চ মাধ্যমিক বিদ্যালয়, হালোৱাগাঁও উচ্চ মাধ্যমিক বিদ্যালয়, কলংপাৰ জাতীয় বিদ্যালয়, আঞ্জুমান-ই-ইছলামিয়া সমাজ, চলচলি বৰ মচজিদ, চলচলি সৰু মচজিদ, পুৰণিগুদাম কলং কলা কেন্দ্ৰ, প্ৰজাঘৰ-নাটঘৰ (ভৰাগুৰি), শংখধ্বনি শিল্পী সমাজ, জালজৰী সন্মিলিত যুৱ সমাজ, কেন্দ্ৰীয় বিহু উদ্যাপন সমিতি, পুৰণিগুদাম (চম্পাৱতী), অংগাভিনয় অসম, ইলোৰা বিজ্ঞান মঞ্চ আৰু পুৰণিগুদাম কবি সন্মিলনৰ শোকসন্তপ্ত প্ৰতিনিধিবৰ্গ তথা সমবেত ৰাইজে পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰে। পৰৱৰ্তী সময়ত জুবিন গাৰ্গৰ প্ৰিয় নাহৰ গছৰ দুটিকৈ পুলি ৰোপণ কৰে ক্ৰমে সমাজসেৱক ইমৰান হুছেইন আৰু পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত শইকীয়াই। পাছত দেৱকান্ত চাংমাইৰ নেতৃত্বত সূতাৰ ডেকাচুক গাঁৱৰ ৰাইজে নাম প্ৰসঙ্গৰে এক মাঙ্গলিক পৰিৱেশৰ সৃষ্টি কৰে আৰু সমান্তৰালভাৱে আৰম্ভ কৰা হয় সৰ্বধৰ্ম প্ৰাৰ্থনা সভা। সৰ্বধৰ্ম প্ৰাৰ্থনা সভাত চলচলিৰ দুটা আৰু পুৰণিগুদামৰ চাৰিটাকৈ মজিদৰ ইমাম সকলে পবিত্ৰ কোৰান শ্বৰিফ পাঠ কৰে। আনহাতে, বৰদল আঞ্চলিক খ্ৰীষ্ট সমাজৰ ফাদাৰ সকলে পবিত্ৰ বাইবেল পাঠ কৰাৰ পাছতে জৈন ধৰ্মাৱলম্বী সকলে জৈন ধৰ্মীয় প্ৰাৰ্থনাৰে এক শান্তিময় পৰিৱেশ সৃষ্টি কৰা পৰিলক্ষিত হয়। ইয়াৰ পাছতে দেৱ চাংমাইয়ে গীতা পাঠ কৰে আৰু বিয়লি তিনি বজাৰ পৰা ক্ৰমে প্ৰিয়বন্ধু দিহানামৰ দল, হালোৱাগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দিহানামৰ দল, অৰুণোদয় শিল্পী সমাজ আৰু বকুলতল দিহানামৰ দলে দিহানাম পৰিৱেশন কৰে। সন্ধিয়া ৬ বজাত উদ্যোক্তাসকলে বন্তি প্ৰজ্বলন কৰি পৰিৱেশটো আলোকিত কৰি তোলে।

# ৬-৭ অক্টোবৰত দক্ষিণ চিত্ৰনগৰ শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰৰ ৰূপালী জয়ন্তী

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৬ অক্টোবৰ ঃ** ওদালগুৰি জিলাৰ টংলা ৪ নং খণ্ডৰ দক্ষিণ চিত্ৰনগৰত অৱস্থিত ভক্তপ্ৰাণ ৰাইজৰ জাগ্ৰত উপাসনাৰস্থলী শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰৰ ৰূপালী জয়ন্তী অহা ৬ আৰু ৭ অক্টোবৰত দুদিনীয়াকৈ উদযাপন কৰিবলৈ স্থিৰ কৰিছে। দক্ষিণ চিত্ৰনগৰ শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰ পৰিচালনাৰ স্থায়ী সমিতিৰ সভাপতি বাণেশ্বৰ ৰাভা, উপ সভাপতি বনমালী নাথ, সম্পাদক সোণাৰাম কুমাৰ তথা ৰূপালী জয়ন্তী উদ্যাপন সমিতিৰ সভাপতি ঘটেশ্বৰ বৰুৱা, কাৰ্যকৰী সভাপতি ভূমিধৰ বড়ো আৰু মুখ্য সম্পাদক মিণ্টু পাঠকে জনোৱা অনুসৰি ৬ অক্টোবৰৰ পুৱা ৮-৩০ বজাত শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰৰ পতাকা উত্তোলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব স্থায়ী সমিতিৰ সভাপতি বাণেশ্বৰ ৰাভাই। ৮-৪৫ বজাত ৰূপালী জয়ন্তীৰ পতাকা উত্তোলন কৰিব ক্ৰমে ৰূপালী জয়ন্তী উদ্যাপন সমিতিৰ সভাপতি ঘটেশ্বৰ বৰুৱাৰ লগতে শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰৰ ২৫খন পতাকা উত্তোলন কৰিব আমন্ত্ৰিত উত্তোলকমণ্ডলীৰ দ্বাৰা। পুৱা ৯-৩০ বজাত স্মৃতি তৰ্পণ কৰিব ৰূপালী জয়ন্তী উদ্যাপন সমিতিৰ কাৰ্য্যকৰী সভাপতি ভূমিধৰ বড়োৱে। ১০-৩০ বজাত বৃক্ষৰোপণ কৰিব ৰূপালী জয়ন্তী উদ্যাপন সমিতিৰ উপদেষ্টা মনমোহন দাসে। পুৱা ১১-০০ বজাত চিত্ৰাংকন প্ৰতিযোগিতাৰ পিছতে স্থানীয় আয়তীসকলৰ দ্বাৰা আয়তী নাম-প্ৰসঙ্গ অনুষ্ঠিত হ'ব। আবেলি শ্ৰীশ্ৰীলক্ষ্মী চৰিত পাঠ কৰিব পাঠক দেৱেন্দ্ৰ নাথ চহৰীয়াই। সন্ধিয়া ৫-৩০ বজাত শ্ৰীশ্ৰীলক্ষ্মীদেবীৰ মূৰ্ত্তি স্থাপন আৰু পূজা আৰম্ভ হ'ব। সন্ধিয়া ৫-৪৫ বজাত সমূহীয়া বন্তি প্ৰজ্বলন। সন্ধিয়া ৬-৩০ বজাত নাগাৰা নাম প্ৰদৰ্শন উদ্বোধন কৰিব ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ শান্তিযুছ কুজুৰে। ৭ অক্টোবৰৰ পুৱা ১০-৩০ বজাত আমন্ত্ৰিত আয়তীসকলৰ দ্বাৰা নাম প্ৰদৰ্শনৰ পিছতে মুকলি সভা, সম্বৰ্ধনা আৰু অভিনন্দন অনুষ্ঠান অনুষ্ঠান অনুষ্ঠিত হ'ব। সভা উদ্বোধন কৰিব উত্তৰ দৰং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মনোৰঞ্জন শৰ্মাই। মুখ্য অতিথিৰ আসন শুৱনি কৰিব অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰিব টংলা মহাবিদ্যালয়ৰ প্ৰাণীবিদ্যা বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা অনিমা ভূএগ বৰুৱাই। স্মৃতিগ্ৰন্থ উন্মোচন কৰিব ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গৌৰীশংকৰ দাসে। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব বিটিচিৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱা, প্ৰাক্তন সাংসদ শান্তিযুছ কুজুৰ, প্ৰাক্তন বিধায়ক কমলী বসুমতাৰী, প্ৰাক্তন কাৰ্যবাহী সদস্যদ্বয় বনজাৰ দৈমাৰী আৰু জগদীশ সৰকাৰ। আমন্ত্ৰিত অতিথিৰ আসন শুৱণি কৰিব বিশিষ্ট সমাজসেৱক ক্ৰমে জৌশ্ৰাং বড়ো, অৰ্জুন দৈমাৰী, ৰবীন্দ্ৰ বড়ো, অজয় ডেকা, আৰু টংলা পৌৰসভাৰ পৌৰপতি কমল চৌধুৰীৰে। সন্ধিয়া ভূএগখাট খুলীয়া ভাওৰীয়া দলৰ নাট প্ৰদৰ্শন উদ্বোধন কৰিব অসম সাহিত্য সভা, মঙ্গলদৈ আঞ্চলিক কাৰ্য্যালয়ৰ প্ৰাক্তন সম্পাদক সংৰাম ডেকাই।

# শিৱসাগৰ জিলা কবি সন্মিলনৰ জুবিন গাৰ্গৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, আমগুৰি, ৬ অক্টোবৰ ঃ** শিৱসাগৰ জিলা কবি সন্মিলনৰ উদ্যোগত আজি বিয়লি সদৌ অসম কবি সন্মিলনৰ অন্তৰ্গত ডিমৌ শাখা কবি সন্মিলনৰ সহযোগত ডিমৌ গ্ৰাম্য ক্ৰীড়া প্ৰাংগনত জনতাৰ শিল্পী জুবিন গাৰ্গৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ আয়োজন কৰা হয়। শিৱসাগৰ জিলা কবি সন্মিলনৰ নৱনিৰ্বাচিত সম্পাদক গীতৰাজে আঁত ধৰা উক্ত অনুষ্ঠানত শিৱসাগৰ জিলা কবি সন্মিলনৰ নৱনিৰ্বাচিত সভাপতি ডঃ দিগন্ত গগৈয়ে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভণি কৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকে সদৌ অসম কবি সন্মিলনৰ প্ৰধান সম্পাদক চৈয়দ পাৰভেচ হুছেইন, কাব্যনন্দীনিৰ সম্পাদক কুন্তলা কৈল্যানী সন্দিকৈ, কাব্যনন্দীনিৰ সহ: সম্পাদক মানসী গগৈ, শিৱসাগৰ জিলা কবি সন্মিলনৰ উপঃ সভাপতি হামিদা বেগম, শিৱসাগৰ জিলা কবি সন্মিলনৰ সহঃ সম্পাদক দীতিমণি দত্ত, শিৱসাগৰ জিলা কবি সন্মিলনৰ মুখপত্ৰ তথা পত্ৰিকা সম্পাদক অবিনাশ বাস্তৱ, শিৱসাগৰ জিলা কবি সন্মিলনৰ কোষাধ্যক্ষ নিৰু চেতিয়া ফুকন, সদস্য বিদ্যুৎ বৰুৱা, ডিমৌ শাখা কবি সন্মিলনৰ সভাপতি মৃণাল ৰঞ্জন গগৈ আদি। উপস্থিত সমূহ ৰাইজে সমস্বৰে মায়াবিনী গীতেৰে আৰম্ভ কৰা অনুষ্ঠানত জনকল্যাণ মহিলা সমাজে দিহানাম পৰিৱেশন কৰে। এটি সুন্দৰ প্ৰাকৃতিক পৰিৱেশৰ মাজত নাহৰৰ ছাঁত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বিভিন্নজন কবি, কণ্ঠশিল্পী, বিশিষ্ট ব্যক্তিৰ উপস্থিতিত বৰগীত, কবিতা পাঠ আৰু জুবিন গাৰ্গৰ গীত পৰিৱেশনেৰে মহানায়কৰ মহাপ্ৰয়াণত পুণ্যত্মাৰ সদগতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।

# কচুৱাৰ বুন্দুৱাআটিত গাঞ্জাসহ আৰক্ষীৰ জালত দুজন

**অসম বাৰ্তা, কচুৱা, ৬ অক্টোবৰ ঃ** যোৱা নিশা নগাঁও জিলাৰ কচুৱা থানাৰ অন্তৰ্গত বুন্দুৱাআটিত আৰক্ষীৰ অভিযান। বুন্দুৱাআটিৰ বিলগাঁৱৰ আব্দুল খালেক নামৰ লোকজনৰ ঘৰত কচুৱা আৰক্ষীয়ে চলাইছিল এই অভিযান। অভিযানত আব্দুল খালেকৰ ঘৰৰ পৰা ৯ কেজি ৮৭৬ গ্ৰাম গাঞ্জা জব্দ কৰে। লগতে আৰক্ষীয়ে তিনিজন লোককো আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে আটক কৰা লোক কেইজন ক্ৰমে কচুৱাৰ বুন্দুৱাআটিৰ বিলগাঁৱৰ আব্দুল খালেক, শোনিতপুৰ জিলাৰ ঢেকিয়াজুলি থানাৰ অন্তৰ্গত মজিবুৰ ৰহমান আৰু কচুৱা থানাৰ অন্তৰ্গত বাবুৰাআটিৰ ছাদ্দাম হুছেইন বুলি জনা গৈছে। ধৃত তিনিওজনে আব্দুল খালেকৰ ঘৰৰ পৰা দীৰ্ঘদিন ধৰি গাঞ্জাৰ ব্যৱসায় চলাই থকা বুলি জনা গৈছে। আৰক্ষীয়ে ধৃত লোক তিনিজনক আটক কৰি তদন্ত অব্যাহত ৰাখিছে কচুৱা আৰক্ষীয়ে।

# মৈৰাবাৰী আৰক্ষী থানা পৰ্যায়ৰ নাগৰিক সমিতিৰ গুৰুত্বপূৰ্ণ কাৰ্যকৰী বৈঠক সম্পন্ন

**অসম বাৰ্তা, লাহৰীঘাট, ৬ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰী আৰক্ষী থানা পৰ্যায়ৰ নাগৰিক সমিতিৰ এখনি গুৰুত্বপূৰ্ণ কাৰ্যকৰী বৈঠক শনিবাৰে অনুষ্ঠিত হৈ যায়। মৈৰাবাৰী থানাৰ গাঁওৰক্ষী বাহিনীৰ কাৰ্যালয়ত অনুষ্ঠিত হোৱা মৈৰাবাৰী থানা নাগৰিক কমিটীৰ কাৰ্যকৰী সভাত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। নাগৰিক কমিটীৰ সভাপতি নুৰুজ জামালৰ সভাপতিত্ব আয়োজিত বৈঠকত নাগৰিক কমিটিৰ সদস্য সচিব তথা মৈৰাবাৰী থানাৰ পৰিদৰ্শক পংকজ দাস, নাগৰিক কমিটিৰ সদস্য ক্ৰমে সাংবাদিক ছাইফুল ইছলাম, ফজলুল হক খান, বুলবুল ইছলাম, চুলতান আহমেদ, হৰেন্দ্ৰ শইকীয়া আৰু তছলিমা বেগম উপস্থিত আছিল। নাগৰিক কমিটিয়ে বৈঠকত লোৱা প্ৰস্তাৱৰ ভিতৰত এটি গুৰুত্বপূৰ্ণ প্ৰস্তাৱ হ'ল প্ৰাণৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনাই গছপুলি ৰোপণ কৰা, মৈৰাবাৰী কলেজ আৰু হাইস্কুলৰ সন্মুখত অবাধে বিক্ৰী হোৱা গুটকা জাতীয় দ্ৰব্য জব্দ কৰি সেই সমূহ পুৰি চাই কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# জামুগুৰিত জুবিন গাৰ্গৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

## প্ৰাণৰ আপোন শিল্পীগৰাকীৰ নামৰ আগত 'প্ৰয়াত', 'স্বৰ্গীয়' উল্লেখ নকৰিবলৈ অসমবাসীলৈ আহ্বান

**অসম বাৰ্তা, নগাঁও, ৬ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গা পূজাৰ উলাহ উচাটন সৰ্বপ্ৰথমবাৰৰ বাবে সমগ্ৰ অসমতে ম্লান পৰাৰ সমান্তৰালভাৱে ইয়াৰ ব্যতিক্ৰম নহল নগাঁও জিলাৰ বেবেজীয়াৰ বৃহত্তৰ অঞ্চলতো। তাৰেই অংশ হিচাপে জামুগুৰি গাঁৱৰ সমূহীয়া ভৱন প্ৰাঙ্গণত দুৰ্গা পূজাৰ দশমীৰ দিনা পুৱাৰে পৰা জনতাৰ হিয়াৰ মৰমৰ শিল্পী জুবিন গাৰ্গৰ সমূহীয়া শ্ৰাদ্ধ অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে কনিষ্ঠজনৰপৰা জ্যেষ্ঠজনলৈকে কেৱল মুখত উচ্চাৰিত এটি নাম জুবিন, জুবিন। জামুগুৰিৰ যুৱক সমাজৰ আন্তৰিক প্ৰচেষ্টাত আৰু ৰাইজৰ সহযোগত অনুষ্ঠিত হোৱা ২ অক্টোবৰৰ ১৪ দিনৰ দিনটোৰ আদ্যশ্ৰাদ্ধৰ পুৱা বেলা জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তিপ্ৰজ্জ্বলনৰ শুভাৰম্ভ কৰে বিশিষ্ট সমাজকৰ্মী, শিল্পী ধেনুৰাম নাথে। বন্তি প্ৰজ্জ্বলনৰ পিছতেই স্থানীয় ৰাইজে শৃঙ্খলাবদ্ধভাৱে শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি অবিনশ্বৰ আত্মাৰ চিৰশান্তি প্ৰাৰ্থনা কৰে। পৰৱৰ্তী সময়ত আদৰৰ শিল্পী গৰাকীৰ প্ৰিয় 'নাহৰ গছৰ পুলি' ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ হয়। ৬৫ বছৰৰ পৰা আশীৰোদ্ধৰ হলিৰাম নাথ, থানেশ্বৰ নাথ, হৰেশ্বৰ নাথ, গম্ভীৰ নাথ, লীলাধৰ নাথ, লোকেন নাথ, ধনেশ্বৰ নাথ, মিলন নাথ, মিনুমাই নাথ, পৱন নাথ, অনিল নাথ, অনন্ত নাথ, পৰশু নাথ প্ৰমুখ্যে লোকসকলে একোটিকৈ নাহৰৰ পুলি ৰুই আন্তৰ্ৰাষ্ট্ৰীয় পৰ্যায়ত অসমক গৌৰৱান্বিত কৰা জনপ্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে এই গছপুলি সমূহে জুবিনক সদায়ে জীয়াই ৰাখিব বুলি আশা প্ৰকাশ কৰে। গছপুলি ৰোপণ কাৰ্যসূচীৰ সমাপ্তিৰ অন্তত কীৰ্ত্তন পাঠ, খোল প্ৰসঙ্গ আৰু নাম প্ৰসঙ্গৰ অনুষ্ঠান আৰম্ভ হয়। সমূহীয়া কীৰ্তন পাঠ আৰু নাম প্ৰসঙ্গত গুৰুজনাৰ অমিয়া সৃষ্টি খোল, তাল, নেগেৰা আৰু ডবাৰ শব্দই জামুগুৰিৰ আকাশ বতাহ মুখৰিত কৰি তোলে। নাম প্ৰসঙ্গৰ সামৰণিত আৰম্ভ হয় আই সকলৰ দিহা নাম। শিল্পী জুবিন গাৰ্গৰ নামোল্লেখেৰে মহিলাসকলে পৰিৱেশন কৰা দিহা নামৰ অমিয়া সুৰধ্বনিয়ে সকলোকে সন্মোহিত কৰি তোলে। দিহা নামৰ পৰিসমাপ্তিত বিয়লি ছয় বজাৰ পৰা শিল্পীগৰাকীৰ গীতেৰে আৰম্ভ হোৱা সংগীতানুষ্ঠানত জনপ্ৰিয় শিল্পী বৰণ বিকাশ, ৰিমলী শৰ্মা বৰা, তৰুণ শইকীয়া, অংকিতা কাকতি, সত্যপ্ৰভা দেৱী, প্ৰযুক্তি দেৱী, হৃষীকেশ কাকতি, চিন্ময় নাথ, মৌচুমী বৰা, ৰঞ্জন বেজবৰুৱা, দুলুমণি শইকীয়া, জীতু শ্ৰাৱণ, কানু কন্দলী, অভিজিৎ বৰদলৈ, পঙ্কজ নাথ, কৃষ্ণ নাথ, পবিত্ৰ শইকীয়া প্ৰমুখ্যে বহুকেইগৰাকী শিল্পীয়ে গীত পৰিৱেশন কৰি শ্ৰদ্ধা নিবেদন কৰিবলৈ গৈ সকলো শিল্পীয়েই উচুপি উঠাৰ লগতে অশ্ৰুসিক্ত নয়ন যুগলেৰে আধাতে গীত সামৰি মঞ্চৰ পৰা নামি অহা কৰুণ দৃশ্যই শ্ৰুতা-দৰ্শক সকলকো সমানেই ব্যথিত কৰি তোলা পৰিলক্ষিত হয়। সকলোৱেই জুবিন গাৰ্গৰ জীৱনক লৈ সংঘটিত কৰা নিঃকৰুণ ঘটনাৰ ন্যায় বিচাৰি দোষীক দৃষ্টান্তমূলক শাস্তি বিহিবলৈ চৰকাৰক আহ্বান জনায়। হাঁহি-আনন্দৰ পৰিৱৰ্তে এসাগৰ দুখ বুকুত বান্ধি কণ্ঠশিল্পী সকলৰ সমানেই কুন্দন বৰদলৈ, জ্ঞানদীপ বৰা, পবিত্ৰ শইকীয়া, ৰাজদীপ কোঁৱৰ, ৰিতুমণি দাস, বুবু কাকতি এই সকল বাদ্যযন্ত্ৰীও একপ্ৰকাৰ চকুলো টুকি লিহিৰি আঙুলিৰে বাদ্য সঙ্গত কৰা কৰুণ দৃশ্য আছিল অতিকৈ বেদনাবিধুৰ। বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰতাপ সিং, বিশিষ্ট সমাজকৰ্মী খগেন চন্দ্ৰ নাথ, সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ সভানেত্ৰী মৃণালিনী দেৱীয়ে জনকণ্ঠৰ কণ্ঠ চিৰকাললৈ স্তব্ধ কৰি নিঃশেষ কৰা ঘটনাত জড়িত নৰপিশাচহঁতক দৃষ্টান্তমূলক শাস্তি বিহিবলৈ দাবী জনোৱা অনুষ্ঠানত জুবিন গাৰ্গৰ বন্ধু ৰঞ্জিত বৰা (দাদু) আৰু অভিনেতা পঙ্কজ বৰাই জুবিনৰ লগত থকা বন্ধুত্বপূৰ্ণ দিনৰ সুমধুৰ স্মৃতি সুঁৱৰি আবেগবিহ্বল হৈ পৰে। উল্লেখযোগ্য যে জামুগুৰি গাঁৱৰ যুৱক সমাজৰ ফালৰপৰা জুবিন গাৰ্গৰ নামৰ আগত 'প্ৰয়াত' আৰু 'স্বৰ্গীয়' এই শব্দ ব্যৱহাৰ নকৰি জুবিন গাৰ্গ হিচাপেই সম্বোধন কৰিবলৈ অসমবাসী ৰাইজলৈ মুকলি আহ্বান জনায় কয় যে— "জুবিন গাৰ্গৰ মৃত্যু হোৱা নাই। জুবিন গাৰ্গ সদায় আমাৰ মাজত জীয়াই আছে, জীয়াই থাকিব। আমি ৰাইজলৈ অন্তৰেৰে আহ্বান জনাও আপোনালোকে জুবিন গাৰ্গৰ নামৰ আগত কেতিয়াও প্ৰয়াত, স্বৰ্গীয় এই দুটা শব্দ যেন ব্যৱহাৰ নকৰে।" অনুষ্ঠানতে কুজীডাঁহ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একাদশ মানৰ ছাত্ৰ ৰাজদ্বীপ নাথে অংকন কৰা জুবিন গাৰ্গৰ এখন মনোমোহা আলোকচিত্ৰও উন্মোচন কৰা হয়। তাৎপৰ্যপূৰ্ণ যে অহা ১৮ নৱেম্বৰ জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে জামুগুৰি যুৱক সকলৰ সযত্নত শিল্পী গৰাকীৰ প্ৰতি মৰম নিবেদি ৫৩ টি নাহৰৰ পুলি ৰোপণ কাৰ্যসূচীৰো দিহা কৰা হৈছে বুলি জানিবলৈ দিয়ে।

৮ অক্টোবৰত ১ লাখ চাহ জনগোষ্ঠীয় লোকে কঁপাব তিনিচুকীয়া

# বিজেপি চৰকাৰৰ বঞ্চনাৰ বিৰুদ্ধে বিদ্ৰোহ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৬ অক্টোবৰ ঃ** অহা ৮ অক্টোবৰ তাৰিখে পুৱা ১১ বজাত এক লাখ চাহ জনগোষ্ঠীয় লোকে জনজাতিকৰণ আৰু অন্যান্য জ্বলন্ত সমস্যাসমূহৰ সমাধানৰ দাবীত তিনিচুকীয়া কঁপাবলৈ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। উল্লেখ্য যে, জনজাতিকৰণকে ধৰি অন্যান্য কেতবোৰ সমস্যা সমাধানৰ দাবীত মৰাণ, মটক, কোচ-ৰাজবংশী, আহোমকে আদি কৰি বিভিন্ন জাতি-জনগোষ্ঠীয়ে বিজেপি চৰকাৰৰ বিৰুদ্ধে আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। নিজৰ জাতি-জনগোষ্ঠীৰ প্ৰাপ্য অধিকাৰ বিচাৰি সকলোৱে পৃথকে পৃথকে অন্দোলনত নামি পৰিছে। জনজাতিৰ দাবীৰে একত্ৰিত হোৱা ছয় জনগোষ্ঠীৰ প্ৰত্যেকেই পৰিশেষত সুকীয়া-সুকীয়াকৈ ৰাজপথৰ আন্দোলনত নামি পৰা দেখা গৈছে। ইতিপূৰ্বে সদৌ মৰাণ ছাত্ৰ সন্থাৰ উদ্যোগত তালাপ, কাকপথাৰ, মাৰ্ঘেৰিটা আৰু তিনিচুকীয়া সদৰত জনগোষ্ঠীটোক জনজাতিৰ মৰ্যাদা আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্ব শাসনৰ প্ৰদানৰ দাবীত বিশাল জোঁৰ সমদলৰ কাৰ্যসূচী ৰূপায়ণ কৰি ইতিহাস ৰচনা কৰাৰ পাছতেই এঘাৰদিনীয়া অৰ্থনৈতিক অৱৰোধৰ কাৰ্যসূচী ৰূপায়ণ কৰে। তাৰ পাছত নামনি অসমত ক্ৰমে কোচ-ৰাজবংশী, তিনিচুকীয়া আৰু ডিব্ৰুগড়ত মটক আৰু শদিয়াত আহোমসকলে বৃহৎ জোঁৰ সমদলৰ দৰে কাৰ্যসূচীৰে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছিল। এইবাৰ পাল পৰিল আদিবাসী তথা চাহ জনগোষ্ঠীয় লোকৰ। অহা ৮ অক্টোবৰত ৰূপায়ণ কৰিবলগীয়া বৃহৎ আন্দোলনটোৰ আহ্বায়কমণ্ডলীয়ে জনাইছে যে তেওঁলোককো বিজেপি চৰকাৰে ১০০ দিনৰ ভিতৰত জনজাতিকৰণৰ মৰ্যাদা প্ৰদানৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু আজি ১০ বছৰ অতিক্ৰম কৰাৰ পাছতো চাহ জনগোষ্ঠীয় লোকক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান নকৰিলে। প্ৰতিশ্ৰুতি অনুসৰি চাহ শ্ৰমিকৰ মজুৰি ৩৫১ টকালৈ বৃদ্ধি কৰা আৰু মাটিৰ পট্টা দিয়াৰ প্ৰতিশ্ৰুতিও পূৰণ নকৰিলে। বিজেপি চৰকাৰৰ দিনত চাহ জনগোষ্ঠী একেবাৰে সুৰক্ষিত নহয়। বিজেপি চৰকাৰৰ অপশাসন, শ্ৰমিক বিৰোধী নীতিৰ ফলত চাহ বাগিচাসমূহৰ শ্ৰমিকসকল গভীৰ সংকটত পৰিছে। বৃহৎ বৃহৎ চাহ বাগিচাৰ মালিকসকলে চাহ বাগিচা বিক্ৰী কৰি চাহ উদ্যোগৰ ব্যৱসায় এৰি অন্য ব্যৱসায়ত নামিছে। চাহ বাগিচাৰ মাটি উচ্ছেদ কৰা হৈছে। আদানী, আম্বাণী, ৰামদেৱৰ দৰে পুঁজিপতিক বাগিচাৰ মাটি গটাই দিয়া হৈছে, বাগিচাৰ ১০ শতাংশ মাটি অন্য কামত ব্যৱহাৰ কৰি উদ্যোগ স্থাপন কৰিবলৈ আইন প্ৰস্তুত কৰিছে, যাৰ বাবে এতিয়া চাহ বাগিচাসমূহ ধ্বংসৰ পথলৈ গতি কৰিছে। ডাবল ইঞ্জিনৰ বিজেপি চৰকাৰে চাহ বাগিচাসমূহৰ ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা দেখা নাই। প্ৰধানমন্ত্ৰীয়ে 'আচ্ছে দিন আয়েগা' বুলি কৈছিল যদিও চাহ বাগিচাসমূহলৈ আচ্ছে দিনৰ সলনি বেয়া দিন আহি পৰিছে। আদিবাসীৰ নামত ৩ শতাংশ চাকৰি সংৰক্ষিত হ'ব বুলি আইন প্ৰণয়ণ কৰি ১,৫০,০০০ চাকৰি চৰকাৰে দিলে যদিও আদিবাসী ৰাইজৰ বাবে সংৰক্ষিত চৰকাৰী চাকৰি কেইজন আদিবাসীক দিলে? মডেল স্কুলত শিক্ষক নাই, কেৰাণী-চকীদাৰ নাই। ২-৩ জনীয়া শিক্ষকে বিদ্যালয়সমূহ চলাই থাকিবলগীয়া হোৱাৰ বাবেই এনেকুৱা বিদ্যালয়সমূহত 'ড্ৰপ আউট' ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাইছে। চাহ বাগিচাৰ প্ৰাথমিক বিদ্যালয়সমূহ আজিও সম্পূৰ্ণ চৰকাৰীকৰণ নহ'ল। বাগিচাৰ হাস্পতালত ডাক্তৰ নাই, দৰৱ-পাতিৰ অভাৱ। দেশত অত্যধিক মূল্যবৃদ্ধিৰ ফলত চাহ বাগিচাৰ শ্ৰমিকসকলে ২৫০ টকা মজুৰিত পুষ্টিকৰ খাদ্য কিনি খাব নোপোৱাত ৮০ শতাংশ শ্ৰমিকৰ 'বডিৰেট' ৫০ কিলোগ্ৰামতকৈয়ো কম হোৱা দেখা গৈছে। সকলোতকৈ ডাঙৰ কথাটো হ'ল অলপতে বিজেপি চৰকাৰে আয়োজন কৰা 'ঝুমইৰ বিনন্দিনী'ৰ জৰিয়তে ঝুমইৰক 'গ্ৰীণিজ বুক অব ৱৰ্ল্ড ৰেকৰ্ড' হ'ল বুলি ভুৱা প্ৰচাৰ চলোৱা দেখা গ'ল। এইখন বিজেপি চৰকাৰে মিথ্যাচাৰৰ আশ্ৰয় লৈ আদিবাসী তথা চাহজনগোষ্ঠীয় লোকক ফাঁকি দি আহিছে। নৃত্য শিল্পীসকলক দিব লগা মাননি আজিও প্ৰদান কৰা নহ'ল। এই বিজেপি চৰকাৰৰ দিনত এনে ধৰণৰ বিভিন্ন সমস্যাই গ্ৰাস কৰি পেলাইছে চাহজনগোষ্ঠীয় লোকৰ লগতে চাহ বাগিচাসমূহ। ধ্বংস হ'বলৈ ধৰা এই চাহ উদ্যোগটোক জীয়াই ৰখাৰ বিকল্প ব্যৱস্থা বিজেপি চৰকাৰে আজিও গ্ৰহণ কৰা নাই। আচলতে এই ক্ষেত্ৰত সিবিলাকৰ সদিচ্ছাৰ অভাৱ দেখা গৈছে। সেয়ে চাহ জনগোষ্ঠীয় আদিবাসী ৰাইজে জনজাতিকৰণৰ লগতে উপৰোক্ত জ্বলন্ত সমস্যাসমূহৰ দাবীত অহা ৮ অক্টোবৰ, বুধবাৰে প্ৰায় ১ লাখ লোক সমবেত হৈ তিনিচুকীয়াত প্ৰতিবাদ সাব্যস্ত কৰিব। কাৰ্যসূচী অনুসৰি কচুজান ফিল্ড, চলিহা নগৰ ফিল্ড, এ টি ৰ'ডৰ অভাৰ ব্ৰিজৰ ওচৰত, ন-পুখুৰীৰ ওচৰত, ৰাজহ চক্ৰৰ বিষয়াৰ কাৰ্যালয়ৰ ওচৰত আৰু এৰ'মা হোটেলৰ ওচৰত সমবেত হৈ তিনিচুকীয়াৰ মাজ মজিয়া থানা চাৰিআলিত মিথ্যাচাৰী বিজেপি চৰকাৰৰ শ্ৰমিক বিৰোধী নীতিৰ বিৰুদ্ধে সমদল বাহিৰ কৰি প্ৰতিবাদী কাৰ্য্যসূচী গ্ৰহণ কৰিব। ইতিমধ্যেই অসম চাহ মজদুৰ সংঘ, অসম চাহ জনজাতি ছাত্ৰ সন্থা, আদিবাসী ছাত্ৰ সন্থা, জাতীয় মহাসভা, সদৌ অসম চাহ জনজাতি মহিলা সমিতি(আটুৱা), আদিবাসী মহিলা সমিতিকে আদি কৰি জনগোষ্ঠীটোৰ বিভিন্ন সংগঠনে এই বিষয়ে আলোচনাত মিলিত হৈ উক্ত সিদ্ধান্ত গ্ৰহণ কৰিছে। অসম চাহ মজদুৰ সংঘ, 'আটছা', 'আছা'ৰ লগতে বিভিন্ন জাতীয় সংগঠনৰ সহযোগত অহা ৮ অক্টোবৰৰ পুৱা ১১ বজাত হ'বলগীয়া উক্ত প্ৰতিবাদী কাৰ্য্যসূচীত নিজৰ নিজৰ সংগঠনৰ বেনাৰ, পোষ্টাৰ, প্লে'কাৰ্ড, ফেষ্টুন আদি লৈ তিনিচুকীয়া চহৰত দলে-বলে যোগদান কৰিবলৈ আবাল-বৃদ্ধ-বনিতা আৰু গ্ৰামাঞ্চলৰ চাহ জনগোষ্ঠী আদিবাসী ৰাইজক আহ্বান জনাইছে উদ্যোক্তাসকলে। অসম চাহ মজদুৰ সংঘ, অসম চাহ জনজাতি ছাত্ৰ সন্থা, আদিবাসী ছাত্ৰ সন্থা, জাতীয় মহাসভা, চাহ জনজাতি মহিলা সমিতি, আদিবাসী মহিলা সমিতিকে ধৰি বিভিন্ন জাতীয় সংগঠনসমূহৰ বিষয়ববীয়াক লৈ গঠিত আহ্বায়ক সমিতিয়ে এই আহ্বান জনাইছে।

# ভাদ্ৰাগাঁৱত সূত্ৰধৰ সন্মিলনীৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মজয়ন্তী উদ্‌যাপন

**অসম বাৰ্তা, বাসুগাঁও, ৬ অক্টোবৰ ঃ** অসমীয়া সাহিত্য, সংস্কৃতি জনক তথা একশৰণ হৰিনাম ধৰ্মৰে অসমীয়া জাতিক একত্ৰিত কৰি বৰ অসমৰ ভেটি গঢ়া যুগনায়ক জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ গুৰুজনাৰ ৫৭৭ সংখ্যক জন্মজয়ন্তী উদ্‌যাপন উপলক্ষে কাকৰাগাঁও-ভাদ্ৰাগাঁও আঞ্চলিক সূত্ৰধৰ সন্মিলনীৰ পৰিচালনাত বঙাইগাঁও আৰু চিৰাং জিলাৰ সীমামুৰীয়া অঞ্চলত কাকৰাগাওঁ ভাদ্ৰাগাওঁ আঞ্চলিক নামঘৰত ২ আৰু ৩ অক্টোবৰ তাৰিখে দুদিনীয়া বৰ্নাঢ্য কাৰ্যসুচীৰে অনুষ্ঠিত হয়। উল্লেখযোগ্য যে প্ৰতিবছৰৰ দৰে এইবেলিও কাকৰাগাওঁবাসী ৰাইজে উলহমালহেৰে ভক্তিৰসৰ মাজেৰে অনুষ্ঠান অনুষ্ঠিত কৰে। প্ৰথমদিনৰ কাৰ্যসুচীত নামঘৰ চৌহদত বৃক্ষৰোপণ কৰে দিলীপ সূত্ৰধৰে, নাম-প্ৰসংগ কৰে মমেন চন্দ্ৰ দাসে আৰু ভাগৱত পাঠ আৰু ব্যাখ্যা কৰে বাসুগাঁৱৰ মহেন্দ্ৰ দাসে। দুপৰীয়া আই সকলৰ নাম আৰু সন্ধিয়া সমূহীয়াভাৱে বন্তি প্ৰজলন কৰে। দ্বিতীয় দিনা নাম-প্ৰসংগৰ আঁতধৰে বিজনীৰ ৰবীন চন্দ্ৰ পাঠক আৰু নবকান্ত পাঠকৰ লগতে সংগীবৃন্দই। দিনৰ ১১ বজাত আমন্ত্ৰিত থিয়নাম দলৰ প্ৰদৰ্শন কৰাৰ পিছতে এখন গুৰুত্বপূৰ্ণ দিশত আলোচনাচক্ৰ অনুষ্ঠিত হয়। শৈক্ষিক আৰু আধ্যাত্মিক দিশত হোৱা আলোচনাচক্ৰৰ সভাপতিত্ব কৰে ৰোহিনী সূত্ৰধৰে। উক্ত আলোচনাচক্ৰত আলোচক হিচাপে উপস্থিত থাকে বিদ্যাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ তপন কুমাৰ দাস, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক শৈলেন্দ্ৰ পাঠক। ইয়াৰ উপৰিও সন্মানীয় অতিথিহিচাপে সভাত সদৌ অসম সূত্ৰধৰ ছাত্ৰসন্থাৰ কেন্দ্ৰীয় সভাপতি লক্ষ্মীকান্ত সূত্ৰধৰ, চিৰাং জিলাৰ সূত্ৰধৰ সন্মিলনীৰ সভাপতি কুমুদ সূত্ৰধৰ, সহঃ সম্পাদক বিনয় সূত্ৰধৰ, পশ্চিম থুৰীবাৰী এল পি স্কুলৰ সহঃ শিক্ষক খগেন সূত্ৰধৰ, বাসুগাঁৱৰ অনিল চন্দ্ৰ নেওগ, পপিল সূত্ৰধৰৰ লগতে বহু কেইগৰাকী অতিথি উপস্থিত থাকি জগতগুৰুজনাৰ বিষয়ে যুৱপ্ৰজন্মৰ আগত বিভিন্নধৰণে আলোচনা কৰে। আলোচনাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ বিশুদ্ধ ধৰ্ম প্ৰৱৰ্তনৰ প্ৰধান লক্ষ্য ডাঙি ধৰাৰ লগতে যুৱ উশৃংখলতাৰ বতাহজাকৰ বিপৰিতে থাকি শান্তি শৃংখলাবদ্ধ জীৱন কটাবলৈ আজিৰ প্ৰজন্মক পৰামৰ্শ আগবঢ়ায়। লক্ষ্মীকান্ত সূত্ৰধৰে আজিকালিৰ দিনত মবাইল ফোনৰ বাবে শিশুৰ পৰা যুৱক-যুৱতীলৈকে যথেষ্টখিনি ক্ষতি হৈছে সেয়ে প্ৰতিগৰাকী পিতৃ মাতৃয়ে গুৰুত্ব দি ইয়াক সংব্যৱহাৰ কৰাৰ বাবে শিক্ষা দিবলৈ আহ্বান জনায়। এই অনুষ্ঠানত কাৰ্যসুচীত হিয়াৰ আমঠু অসমৰ উজ্জ্বল নক্ষত্ৰ, মহান শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনায়। এইদুদিনীয়া অনুষ্ঠানত কাকৰাগাওঁ ভাদ্ৰাগাঁৱৰ যথেষ্টখিনি ৰাইজ অংশগ্ৰহণ কৰে বুলি নামঘৰ সমিতিৰ সভাপতি ধনীৰাম সূত্ৰধৰ, সম্পাদক অৰূপ কুমাৰ সূত্ৰধৰ আৰু অভ্যৰ্থনা সমিতিৰ উপদেষ্টা মহেন্দ্ৰ দাসে জানিবলৈ দিয়ে।

# বাহনা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উপলক্ষ্য গল্প প্ৰতিযোগিতা

**অসম বাৰ্তা, নিমাতীঘাট, ৬ অক্টোবৰ ঃ** বাহনা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি সদৌ অসম ভিত্তিত প্ৰমোদ বুঢ়াগোহাঁই সোঁৱৰণি স্বৰচিত চুটিগল্প প্ৰতিযোগিতা এখনিৰ আয়োজন কৰা হৈছে। অসমৰ বিভিন্ন শিক্ষানুষ্ঠানত অধ্যয়নৰত স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ ছাত্ৰ ছাত্ৰীৰ বাবে মুকলি এই প্ৰতিযোগিতাখনিত ইচ্ছুক ছাত্ৰ ছাত্ৰীয়ে অহা ৩০ জানুৱাৰী, ২০২৬ ৰ ভিতৰত ডাকযোগে অথবা ই-মেইল (PDF ৰূপত) যোগে গল্পসমূহ পঠিয়াব পাৰিব। অংশগ্ৰহণকাৰীসকলে অধ্যয়ন কৰি থকা শিক্ষানুষ্ঠানৰ মুৰব্বীৰ পৰা অধ্যয়নৰ এখন প্ৰমাণপত্ৰ লগত সংলগ্ন কৰি দিব লাগিব। বিচাৰকৰ দ্বাৰা শ্ৰেষ্ঠ বিবেচিত প্ৰতিযোগীক হীৰক জয়ন্তীৰ সামৰণি অনুষ্ঠানত উপযুক্ত মানপত্ৰ আৰু নগদ ধনেৰে পুৰস্কৃত কৰাৰ লগতে উচ্চ মানদণ্ডৰ মৌলিক গল্পসমূহক সন্নিবিষ্ট কৰি ISBN যুক্ত এখন চুটিগল্পৰ সংকলন প্ৰকাশ কৰা হ'ব। সেয়েহে ইচ্ছুক প্ৰতিযোগীসকলক তেওঁলোকৰ গল্পসমূহ তলৰ ঠিকনাত প্ৰেৰণ কৰিবলৈ জনোৱা হ'ল।

এক পৃষ্ঠাৰ পৰা

# মাজুলীৰ প্ৰায় ৬৫খন মঞ্চত ৰাসলীলাৰ

আউনীআটী সত্ৰৰ পালনাম আৰু ৰাসোৎসৱক লৈ মাজুলীবাসী অধীৰ অপেক্ষাৰে ৰৈ থাকে। ভগৱান শ্ৰীকৃষ্ণই মৰ্ত্যত কৰা কৰ্মৰাজিক ৰাসোৎসৱৰ জৰিয়তে প্ৰতিফলিত কৰা হয়। এই কৃষ্ণ ৰাস লীলাৰ লগত সত্ৰ দ্বীপ মাজুলীৰ মানুহৰ এক সুকীয়া আধ্যাত্মিক সুখানুভূতি জড়িত হৈ আছে। মাজুলীৰ বাবে শৰৎ বুলিলেই যেন ৰাস-পালনাম। তাতে আজি লক্ষ্মী পূজা। আজি কাতি মাহৰ এই লক্ষ্মী পূৰ্ণিমাৰ পবিত্ৰ ক্ষণতে সমগ্ৰ মাজুলীৰ সমূহ সত্ৰৰ লগতে অৰ্ধশতাধিক মঞ্চত পৰম্পৰাগতভাৱে পৰৱৰ্তী পূৰ্ণিমা তিথিত অনুষ্ঠিত হ'ব লগা শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ আখৰা তথা 'নাট মেলা পৰ্ব' মাংগলীক বিধি অনুসৰি অনুষ্ঠিত কৰা হৈছে। শাৰদীয় মুখ্য উৎসৱ হিচাপে শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা উদ্‌যাপনৰ বাবে আজিৰ পৰা অনাগত এমাহৰ বাবে সমগ্ৰ মাজুলী লুইতৰ পাৰৰ বৃন্দাবনলৈ পৰ্যবসিত হ'ব। গীত-মাতে, খোলে-তালে চলি থাকিব কংস বধৰ আখৰা। শৰতৰ চন্দ্ৰাৱলী ৰাতি হৰ অতি বিতোপন। বাহীঁৰ মাত শুনি ঘৰৰ কাম বন একাষৰীয়া কৰি ঢপলিয়াই আহিব ৰাসৰ আখৰালৈ। দুপৰ নিশালৈকে চলিব ৰাসৰ আখৰা। সেই অনুসৰি সন্মিলিত শিল্পী সমাজ, মাজুলীয়ে এই বৰ্ষটো আগন্তুক ৪, ৫ আৰু ৬ নৱেম্বৰত তিনিদিনীয়া কাৰ্যসূচীৰে শ্ৰীকৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা আয়োজন কৰিছে। সেই উপলক্ষে আজি পৰম্পৰা অনুসৰি লক্ষ্মী পূৰ্ণিমাৰ পবিত্ৰ ক্ষণতে শিল্পী সমাজে কমলাবাৰীৰ হৰিমন্দিৰত পৰৱৰ্তী পূৰ্ণিমা তিথিত অনুষ্ঠিত হ'ব লগা শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ আখৰা তথা 'নাট মেলা পৰ্ব' আধ্যাত্মিক পৰিৱেশত মাংগলীক বিধি অনুসৰি অনুষ্ঠিত কৰে। ইয়াৰ উপৰিও এলেঙি নৰসিংহ সত্ৰ অভয়পুৰীয়া শংকৰী কৃষ্টি বিকাশ কেন্দ্ৰ, ভকতি দুৱাৰ আঞ্চলিক জ্যোতি ৰংঘৰ, গড়মুৰ খোনাচুক স্থিত মাধৱদেৱ কৃষ্টি কেন্দ্ৰ, মাজুলী মিলন সংঘ, নামনি মাজুলীৰ গোৱাল গাঁৱৰ তৰুণ নাট্য সংঘ, বালিচাপৰি মিলিত কৃষ্টি সংঘ, খাৰজান পাৰ কৃষ্টি সংঘ, গড়মূৰ সত্ৰৰ বংশী গোপাল নাট্য মন্দিৰ, গড়মুৰ শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি সংঘ, পুৰণিবাৰী লোহিত পৰিয়া আঞ্চলিক ৰাস মঞ্চ, চিতাদাৰচুক আঞ্চলিক ৰংগমঞ্চ, উত্তৰ কমলাবাৰী সত্ৰ, ভোগপুৰ সত্ৰ, চুমৈমাৰী মিছিং কৃষ্টি সংঘ, কমাৰগাঁও ৰূপালী যুৱক সংঘ, কমাৰগাঁও কৃষ্টি বিকাশ কেন্দ্ৰ, বিহিমপুৰ সত্ৰ, চামগুৰি সত্ৰ, নতুন চামগুৰি সত্ৰ, প্ৰাচীন চামগুৰি সত্ৰ, দক্ষিণপাট সত্ৰ, কঢ়াল গাঁও, শালমৰা, বনগাওঁ ৰংঘৰ, গায়নগাঁও, পানিখাটি, বাঘৰ গাওঁ, ৰতনপুৰ কৃষ্টিসংঘ, মধ্য মাজুলীৰ মাধৱদেৱ কৃষ্টি কেন্দ্ৰ, শেনচোৱা অঞ্চলিক ৰাসমঞ্চ, সোণাৰিআটী নৱজ্যোতি ৰংগমঞ্চ, প্ৰগতি ৰংগমঞ্চ, ফুলনি আঞ্চলিক ৰংগমঞ্চ, চিৰাম আঞ্চলিক ৰংগমঞ্চ, মুদৈবিল আঞ্চলিক কৃষ্টি সংঘ, জেংৰাইমুখ ৰংগমঞ্চ, নতুন বজাৰ আঞ্চলিক ৰংগমঞ্চ আদি প্ৰায় ৬৫টা স্থানৰ ৰাস সমিতিয়ে নিজৰ নিজৰ নাট্য মন্দিৰত পালন কৰে নাট মেলা পৰ্ব। আজিৰ পৰা প্ৰায় ১০৪ বছৰৰ পূৰ্বে স্বাধীনতা সংগ্ৰামী সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীয়ে মুকলি মঞ্চ নিৰ্মাণ কৰি মহিলাই অভিনয় কৰিব পৰা ব্যৱস্থা কৰিছিল আৰু উক্ত আৰ্দশ আগত ৰাখি অৰ্ধশতাধিক মঞ্চই ৰাস উদযাপন কৰে। ইফালে আজিৰে পৰাই ব্যস্ততা বাঢ়িব ৰাসৰ লগত জড়িত প্ৰতিগৰাকী শিল্পীৰ পৰা মুখা শিল্পীলৈ, আয়োজকৰ পৰা ৰাসমেলাৰ খুচুৰা ব্যৱসায়ীলৈ। ব্যস্ততাৰ শেষত অহা ৪, ৫ আৰু ৬ নৱেম্বৰত অনুষ্ঠিত হ'ব ৰাসোৎসৱ। যাৰ বাবে ২৬ শতাধিক শিল্পী কলা কুশলীৰ লগতে পৰোক্ষ পত্যক্ষভাৱে মাজুলীৰ ৰাইজ ব্যস্ত হব ৰাসত। নতুন কমলাবাৰী সত্ৰয়ো দুদিনীয়া কাৰ্যসূচীৰে এই বাৰ ৰাসোৎসৱ উদযাপন কৰিব বুলি জানিব পৰা গৈছে। ঐতিহাসিক আউনীআটী, দক্ষিণপাট, চামগুৰি সত্ৰই ৰাস পূজা কৰাৰ লগতে উত্তৰ কমলাবাৰী সত্ৰই শংকৰদেৱৰ অমৰ সৃষ্টি কেলিগোপালৰ আধাৰত ৰাস উদ্‌যাপন কৰিব। তাৰ সমান্তৰালকৈ ১২-১৬ নৱেম্বৰলৈকে শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ ঐতিহাসিক পালনাম। উদুলি-মুদুলি মাজুলী আনন্দ উৎসৱেৰে লোকাৰণ্য হৈ পৰিব। শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ আখৰা তথা নাট মেলা পৰ্ব আৰু লক্ষ্মী পূজাৰ আজিৰ দিনটো মাজুলীৰ বাবে এটা বিশেষ দিন।

**৩৭১ বছৰীয়া ইতিহাস গৰকা শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰতো ঐতিহাসিক ১৮৬ সংখ্যক ৰাসোৎসৱৰ নাট মেলা পৰ্ব সম্পন্ন**

আজিৰ পৰা ৩৭১ বছৰৰ পূৰ্বে আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহৰ পৃষ্ঠপোষকতাত প্ৰতিষ্ঠিত ঐতিহ্যমণ্ডিত মাজুলীস্থ শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰৰ "ৰাস পূজাঁ"উৎসৱ সত্ৰখনৰ প্ৰধান উৎসৱ। প্ৰতিবছৰে পবিত্ৰ শ্ৰীশ্ৰী লক্ষ্মী পূৰ্ণিমা তিথিৰ দিনতেই ইতিহাস প্ৰসিদ্ধ ৰাস নাটকখনি সম্পূৰ্ণ নীতি-নিয়মৰ মাজত মেলা হয়। সেই অনুসৰি ৰাজ্যৰ আগশাৰী ধৰ্মানুষ্ঠানটিয়ে আজি পুৱাৰ নিত্য —নৈমিত্তক কৰ্মাদিৰ অন্ততঃ বিয়লি সত্ৰাধিকাৰ গোস্বামীৰ চ'ৰাত আনন্দ উচাহৰ মাজত ভকত— বৈষ্ণৱসকলে ১৮৬ সংখ্যক ৰাস নাটক মেলা পৰ্ব সম্পন্ন কৰে। ১৭৬২ শকৰ পৰা নিৰৱিচ্ছন্নভাৱে প্ৰয়াত সত্ৰাধিকাৰ বাসুদেৱ গোস্বামীয়ে প্ৰণয়ন কৰা ৰাস নাটক খনিয়ে সুখ্যাতিৰে ১৮৫টা ঐতিহাসিক বৰ্ষ অতিক্ৰম কৰি আগন্তুক ৰাস পূৰ্নিমা তিথিত ১৮৬ বছৰত পদাৰ্পণ কৰিব। দক্ষিণপাট সত্ৰৰ ৰাসোৎসৱৰ আৰম্ভণিৰে পৰা ৰাস বিধি অনুযায়ী সত্ৰখনত তিনিদিনীয়া এক বিস্তৃত কাৰ্যসূচীৰে "ৰাস পূজাঁ" উৎসৱটি উদ্‌যাপিত হৈ আহিছে। সেই অনুসৰি ৪ নৱেম্বৰ (১৭ কাতি মংগল বাৰ ) সন্ধিয়াৰ অধিবাস কাৰ্যসূচীৰে পাতনি মেলিব উৎসৱৰ। ৫ নৱেম্বৰ ((১৮ কাতি বুধ বাৰ ) ৰাস পূৰ্ণিমা তিথি। পুৱাৰ নিত্য নৈমিত্তিক কৰ্মৰ উপৰিও ৰাসোৎসৱৰ লগত সংগতি হোম যজ্ঞ, গীতা পাঠ, গোপাল নাম, গায়ন-বায়ন, নটুৱা নৃত্য, ওজাপালি আদি অনুষ্ঠিত হ'ব। নিশালৈ প্ৰয়াত সত্ৰাধিকাৰ বাসুদেৱ গোস্বামীৰ ৰচিত "শ্ৰীকৃষ্ণ জন্মৰ পৰা অৰিষ্টাসুৰ বধ" পৰ্যন্ত ৰাস নাটক অভিনয় অনুষ্ঠিত হ'ব। ৬ নৱেম্বৰ (১৯ কাতি বৃহস্পতিবাৰ) উৎসৱৰ তৃতীয় অন্তিম দিন। "ইন্দ্ৰাভিষেক" কাৰ্যসূচীৰে সত্ৰখনত তিনিদিনীয়া উৎসৱৰ সামৰণি পৰিব যদিও জিলাখনৰ আন আন সত্ৰ ৰংগমঞ্চত ৫ নৱেম্বৰ বুধবাৰ ৰাসপূৰ্ণিমাৰ তিথিৰ পৰাহে ৰাসলীলা আৰম্ভ হ'ব।

# যোগ্য লোকৰ সলনি ধন লৈ অযোগ্য লোকৰ নাম অন্তৰ্ভুক্ত

## কচুৱাত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহৰ জিঅ' ট্ৰেগত অনিয়ম

**অসম বাৰ্তা, কচুৱা, ৬ অক্টোবৰ ঃ** নগাঁও জিলাৰ কচুৱা গাওঁ পঞ্চায়তৰ অন্তৰ্গত উপৰকাহুন্দা গাঁৱত প্ৰধানমন্ত্ৰী আবাস যোজনা গৃহৰ জিঅ ট্ৰেগৰ নামত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি গাঁওখনৰ যোগ্য লোকৰ সলনি ধনৰ বিনিময়ত অযোগ্য লোকৰ নাম প্ৰধানমন্ত্ৰী আবাস যোজনা গৃহৰ জিঅ ট্ৰেগত অন্তৰ্ভুক্ত কৰে। জিঅ ট্ৰেগ কৰা সময়ত গাওঁখনৰ প্ৰতিঘৰ লোকৰ পৰা পশু সখী হাচিনা বেগমে ওপৰকাহুডা গাঁৱৰ প্ৰাক্তন ৱাৰ্ড সদস্য মুজিবুৰ ৰহমানক লগত লৈ নথি-পত্ৰ জমা লয় যদিও নাম অন্তৰ্ভুক্ত নকৰে তালিকাত। বৰ্তমান প্ৰধানমন্ত্ৰী আবাস যোজনা গৃহৰ ই কে ৱাই চি চলি থকা সময়ত নিজৰ নাম তালিকাত নথকাত ক্ষোভ উজাৰে লোকসকলে। এক প্ৰকাৰ যোগ্য হিতাধিকাৰীয়ে প্ৰধানমন্ত্ৰী আবাস যোজনা গৃহৰ পৰা বাদ পৰিব বুলি সন্দেহ প্ৰকাশ কৰে। যাৰ বাবে ন্যায় বিচাৰি চৰকাৰলৈ আহ্বান জনাছে অঞ্চলবাসীয়ে।

# নাহৰকটীয়াত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আত্মৰ চিৰশান্তিৰ বাবে সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা

**অসম বাৰ্তা, নাহৰকটীয়া, ৬ অক্টোবৰ ঃ** আজি নাহৰকটীয়া ক্ৰীড়া সন্থাৰ খেলপথাৰৰ ৰাঙলী ৰূপালী মঞ্চত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত আৰু নাহৰকটীয়াৰ প্ৰায় ত্ৰিশ তাতকৈ অধিক বিভিন্ন দল-সংগঠনৰ সহযোগত সদ্যপ্ৰয়াত জনপ্ৰিয় গায়ক জুবিন গাৰ্গৰ আত্মাৰ চিৰশান্তি কামনাৰে সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়। এই প্ৰাৰ্থনা সভাত নাহৰকটীয়াৰ সকলো ধৰ্মৰ লোকে জুবিন গাৰ্গৰ আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা কৰে। এই অনুষ্ঠানত ডিব্ৰুগড় জিলাৰ ৰহমৰিয়াৰ এটা সাংস্কৃতিক দলে দিহানাম পৰিৱেশন কৰে। আজি প্ৰাৰ্থনা সভাত উপস্থিত থাকে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সদস্য ৰাজীৱ গগৈ, ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি সম্পাদক ক্ৰমে উদয়ন বৰুৱা আৰু গৌৰাংগ গগৈ, অৱসৰ প্ৰাপ্ত শিক্ষক পুলিন চন্দ্ৰ দিহিঙ্গীয়া, নামফাঁকে বৌদ্ধ বিহাৰৰ ভান্টে জ্ঞানপাল মহাথেৰা, জুবিন গাৰ্গৰ খুড়াক প্ৰণৱ বৰঠাকুৰ, আটছাৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য ললীত মাহালি আদিৰ লগতে নাহৰকটীয়াবাসী ৰাইজে এই অনুষ্ঠানত অংশ লয়।

# বঙাইগাঁত বাইক ৰেলী, মাণিকপুৰত আৰক্ষীৰ বাধা

**অসম বাৰ্তা, মাণিকপুৰ, ৬ অক্টোবৰ ঃ** অসমবাসীৰ হিয়াৰ আমঠু, কিংবদন্তী গায়ক জুবিন গাৰ্গৰ আকস্মিক আৰু ৰহস্যজনক মৃত্যুৱে সমগ্ৰ ৰাজ্যক স্তব্ধ কৰি দিছে। প্ৰিয় শিল্পীগৰাকীৰ মৃত্যুৰ পাছত সকলো জাতি, ধৰ্ম, বৰ্ণ-পাৰ্থক্য পাহৰি সমগ্ৰ অসমবাসীয়ে গাভীৰ শোকত বিভোৰ হৈ শ্ৰদ্ধাঞ্জলি জনাই আহিছে। প্ৰতিটো জিলাৰ পৰা উত্থিত হোৱা শোকৰ সোঁত অসমৰ সাংস্কৃতিক ভেটি শক্তিশালী শিল্পীগৰাকীৰ অমূল্য অৱদানৰ প্ৰতি সন্মানত পৰিণত হৈছে। আজিও বঙাইগাঁও জিলাৰ পৰা শতাধিক অনুৰাগীয়ে বাইক ৰেলী উলিয়াই গুৱাহাটীস্থিত সোণাপুৰ সমাধিক্ষেত্ৰলৈ শ্ৰদ্ধাঞ্জলি জনাবলৈ যাত্ৰা কৰে। ৰাষ্ট্ৰীয় ঘাইপথৰ মাজেদি অগ্ৰসৰ হৈ আহি ৰেলীখন মাণিকপুৰত প্ৰৱেশ কৰাৰ লগে লগে বৃহৎ সংখ্যক আৰক্ষীয়ে যাত্ৰা প্ৰতিৰোধ কৰে। ফলস্বৰূপে ৰেলী অগ্ৰসৰ হোৱাৰ পৰা উভতি যাব লগা হয়। ইয়াৰ ফলত উপস্থিত অনুৰাগী সকলৰ মাজত তীব্ৰ ক্ষোভ দেখা দেয়। তেওঁলোকে কয় যে— "আমাৰ প্ৰিয় শিল্পীজনৰ সমাধিক্ষেত্ৰলৈ ফুলৰ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিবলৈ গৈছো, ই একেবাৰে অহিংসা পূৰ্ণ আৰু সন্মানজনক যাত্ৰা। ইয়াৰ ওপৰত এইদৰে বাধা প্ৰদান কৰাটো অসমঞ্জসজনক।" অভিযোগ উত্থাপন কৰি অনুৰাগী সকলে কয়, ৰাজ্যবাসীৰ নয়নমণি জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনোৱাৰ অধিকাৰ কাঢ়ি লোৱাৰ প্ৰচেষ্টা চলাইছে আৰক্ষীয়ে। প্ৰসঙ্গত উল্লেখযোগ্য, জুবিন গাৰ্গৰ মৃত্যুৰ পাছত গুৱাহাটীৰ সোণাপুৰত তেওঁৰ সমাধিক্ষেত্ৰলৈ প্ৰতিদিনে বিভিন্ন স্থানৰ পৰা হাজাৰ হাজাৰ অনুৰাগীয়ে যাব ধৰিছে। ফুল, মোমবাতি, প্ৰাৰ্থনা আৰু সশ্ৰদ্ধ সঁহাৰিৰে সকলোৱে মুখে মুখে ক্ৰন্দন—"জুবিন আমাক এৰি যাব নালাগিছিল।" বঙাইগাঁৱৰ পৰা উলোৱা বাইক ৰেলী প্ৰতিৰোধৰ ঘটনা এই পৰিপ্ৰেক্ষিতত নতুন প্ৰশ্নৰ সৃষ্টি কৰিছে। অনুৰাগীসকলে ইতিমধ্যেই পুনৰ শীঘ্ৰে বৃহৎ শ্ৰদ্ধাঞ্জলি সভা আয়োজনৰ ঘোষণাও কৰিছে।

গোলাঘাটত বিভিন্ন দল-সংগঠনৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন

# অসম আন্দোলনৰ অগ্ৰণী নেতা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় আমন্ত্ৰিত উপদেষ্টা নলিনীৰঞ্জন বৰুৱাৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৬ অক্টোবৰ ঃ** অসম আন্দোলনৰ অগ্ৰণী নেতা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ আমন্ত্ৰিত উপদেষ্টা, গোলাঘাটৰ এজন সংগ্ৰামী নেতা নলিনীৰঞ্জন বৰুৱাৰ ৬৫ বছৰ বয়সত শনিবাৰে পুৱা ৮.১০ বজাত গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি ঘটে। অসম আন্দোলনত ওতপ্ৰোতভাৱে জড়িত নলিনীৰঞ্জন বৰুৱাই ১৯৭৮ চনৰ ১৬ অক্টোবৰ তাৰিখে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদত যোগদান কৰি মৃত্যু পৰ্যন্ত সংগঠনটোৰ অনুষ্ঠানসমূহত জড়িত হৈ আছিল। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদক গোলাঘাট জিলাখনত এক শক্তিশালী স্থিতি প্ৰদান কৰা সংগঠনটোৰ অভিভাৱকস্বৰূপ নলিনীৰঞ্জন বৰুৱাৰ মৃত্যুত শোকস্তব্ধ সমগ্ৰ গোলাঘাটবাসী। তেখেতৰ মৃত্যুৰ পিছতেই নশ্বৰ দেহ গোলাঘাটৰ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ জিলা কাৰ্যালয়লৈ আনি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় উপ-সভাপতি জিতুল ৰাজখোৱা, শিৱ কলিতা, কেন্দ্ৰীয় যুটীয়া সম্পাদক আব্দুল হাছিম, কেন্দ্ৰীয় ক্ৰীড়া সম্পাদক দিগন্ত চেতিয়া, কাৰ্যনিৰ্বাহক সদস্য জয়ন্ত শইকীয়া, জিলা সভাপতি বাবুল দত্ত, সম্পাদক বিদ্যুৎ বৰা, আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য প্ৰিন্স দলে, আছুৰ জিলা সভাপতি মিণ্টু গগৈ, সম্পাদক চিৰঞ্জীৱ বৰা, অগপৰ জিলা সভাপতি ডঃ নৃপেন বৰুৱা, সম্পাদক আচিকুৰ ৰহমান, গোলাঘাট মটৰ পৰিবহণ সন্থাৰ সভাপতি পূৰ্ণ ৰাজখোৱা, টাইপাৰ কেন্দ্ৰীয় যুটীয়া সম্পাদক শোভন কোঁৱৰ, জিলা সভাপতি ভাৰত গগৈ, সম্পাদক মুকুন্দ গগৈ, অসম যুৱ পৰিষদৰ কেন্দ্ৰীয় সম্পাদক বিশ্বজিৎ গগৈ, অধিবক্তা জয়ন্ত গোস্বামী, প্ৰাক্তন আছু নেতা যতীন বৰা, অজয় ভৰালী, জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক ৰাজীৱ লস্কৰ, সাংবাদিক জয়দ্বীপ গুপ্তা, পংকজ হাজৰিকা, গিৰিন বৰা, প্ৰবীন দাস, চন্দন কৰ্মকাৰ, সাৰঙ্গ তামোলী, দেৱাসিষ সাহাৰ লগতে গোলাঘাট জিলা সাংবাদিক সংস্থা, গোলাঘাট মিডিয়া ফ'ৰাম, গোলাঘাট প্ৰেছ ক্লাৱৰ লগতে বিভিন্ন দল-সংগঠনৰ সদস্যসকলে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। দীৰ্ঘদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি থকা নলিনীৰঞ্জন বৰুৱা গোলাঘাটৰ নতুন আমোলাপট্টিত বসবাস কৰি আছিল। শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পিছতেই গোলাঘাটৰ এৰেঙ্গাপাৰস্থিত মুক্তিধামত সৎকাৰ কৰা হয়। মৃত্যুৰ সময়ত জাতীয়তাবাদী নেতাগৰাকীয়ে এজন ভাতৃ আৰু এগৰাকী ভগ্নীক এৰি থৈ গৈছে। জীৱনৰ প্ৰতিটো মুহূৰ্তত কেৱল জাতীয়তাবাদী আদৰ্শতে থাকি সকলোৰে প্ৰিয়ভাজন হোৱা নলিনীৰঞ্জন বৰুৱাৰ মৃত্যুত সমগ্ৰ গোলাঘাট জিলাখনতেই শোঁকৰ ছাঁ পৰিছে।

# ডিব্ৰুগড় লৰুৱা আঞ্চলিক শাখাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৭৭ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৬ অক্টোবৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘ, ডিব্ৰুগড় জিলা শাখাৰ অন্তৰ্গত লৰুৱা আঞ্চলিক শাখাৰ উদ্যোগত চেচুঘাট বাঁহবাৰী শংকৰদেৱ প্ৰাথমিক শাখাৰ আতিথ্যত ৫৭৭ সংখ্যক গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ অনুষ্ঠিত হয়। বৃক্ষৰোপণ, নাম প্ৰসংগৰ পিছতে কীৰ্ত্তন-পাঠ আগবঢ়ায় ডিব্ৰুগড় আঞ্চলিক শাখাৰ সদস্য জিতেন চুতীয়া বাপে আৰু জোনাই জিলা শাখাৰ সদস্য ৰঞ্জিত শইকীয়াই ব্যাখ্যা আগবঢ়ায়। ডিব্ৰুগড় জিলা শাখা সম্পাদক ব্ৰজানন্দ ভূএগ, সদস্য বীৰেণ নিৰ্মলীয়াসহ বহুকেইগৰাকী জিলা আৰু আঞ্চলিক শাখাৰ বাপ-আই উপস্থিত থকা এই আৱিৰ্ভাৱ মহোৎসৱৰ কাৰ্যসূচীত ধৰ্মধ্বজা উত্তোলনৰ পাছতেই ভাগৱত পাঠ আৰু সাংস্কৃতিক শোভাযাত্ৰা কৰা হয়। লৰুৱা আঞ্চলিকৰ ভকত সকলে ভাগৱত শোভাযাত্ৰা কৰি হৰিনামৰ ধ্বনিৰে মুখৰিত কৰি তোলে সমগ্ৰ অঞ্চল। দুপৰীয়া লৰুৱা আঞ্চলিক শাখাৰ উপ-সভাপতি সুভাষ শইকীয়াৰ বাপৰ সঞ্চালনাত অনুষ্ঠিত হোৱা মুকলি সভাখনি উদ্বোধন কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ ডিব্ৰুগড় আঞ্চলিক শাখাৰ সদস্য প্ৰশান্ত কাকতি বাপে। লৰুৱা আঞ্চলিক শাখাৰ সম্পাদক, মীনাকান্ত দত্ত আৰু আদৰণী সমিতিৰ সম্পাদক ৰাণা দত্তই আতঁধৰা সভাত ডিব্ৰুগড় জিলা শাখা সভাপতি দিগন্ত গোঁহাই বাপে সভাত মুখ্য অতিথি ৰূপে উপস্থিত থাকি ভাষণ প্ৰসংগত গুৰুজনাৰ বিশুদ্ধ ধৰ্ম প্ৰৱৰ্তনৰ প্ৰধান লক্ষ্য আছিল বুলি সভাত ডাঙি ধৰা লগতে যুৱ উচ্ছৃঙ্খলতাৰ বতাহজাকৰ বিপৰীতে থাকি শৃংখলাবদ্ধ জীৱন কটাবলৈ সেৱাবাহিনীৰ সেৱক-সেৱিকা সকললৈ পৰামৰ্শ আগবঢ়ায়। সভাৰ আৰম্ভণিতে মাইনি গগৈয়ে বৰগীত পৰিৱেশন কৰে আৰু কৃষ্ণনৃত্য লগতে প্ৰাণিকা প্ৰদৰ্শন কৰে।

## সম্পাদকীয়

# সম্পদৰ কেন্দ্ৰীভূতকৰণ

M3M Hurun India-ৰ শেহতীয়া প্ৰতিবেদনখনে ভাৰতীয় অৰ্থনীতিৰ এক কঠোৰ বাস্তৱৰ চিত্ৰ উপস্থাপন কৰিছে। প্ৰতিবেদনমতে, দেশৰ মুঠ সম্পত্তিৰ প্ৰায় অৰ্ধ এতিয়া মাত্ৰ ১, ৬৮৭জন ব্যক্তিৰ নিয়ন্ত্ৰণত। এই সংখ্যাই ভাৰতৰ অৰ্থনৈতিক বৈষম্যৰ ৰূপটোৰেই ফুটাই তুলিছে। প্ৰতিবেদন অনুসৰি, ২৮৪জন নতুন বিলিয়নেয়াৰৰ নাম প্ৰথমবাৰৰ বাবে তালিকাত সংযোজন কৰা হৈছে, যাৰ মুঠ সম্পত্তিৰ পৰিমাণ ১৬৭ লাখ কোটি টকা। এই পৰিমাণ ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ (জিডিপি) প্ৰায় ৫০ শতাংশৰ সমান। আনহাতে, দেশৰ বিলিয়নেয়াৰৰ সংখ্যা ৩৫০ যি গতিয়ে ১৩ বছৰত ছয়গুণ বৃদ্ধি পাইছে। এই অৰ্থনৈতিক বৈষম্যৰ পটভূমিত বিৰোধী দলসমূহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বাধীন চৰকাৰৰ নীতিৰ তীব্ৰ সমালোচনা কৰিছে। বিৰোধী দলসমূহে দাবী কৰিছে যে চৰকাৰী নীতি ধনী উদ্যোগপতি আৰু তেওঁলোকৰ বন্ধুসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ দিশত কাম কৰিছে, যাৰ ফলত সাধাৰণ নাগৰিকৰ আৰ্থিক সুযোগ ক্ৰমাগতভাৱে হ্ৰাস পাইছে। এই পৰিস্থিতিয়ে সাধাৰণ নাগৰিকৰ মনত বহুতো প্ৰশ্নৰ সৃষ্টি কৰিছে- এই সম্পদ কেন্দ্ৰীভূতকৰণ সাধাৰণ মানুহৰ বাবে কিমান সহায়ক? শিক্ষা আৰু স্বাস্থ্যৰ দৰে মৌলিক খণ্ডত বিনিয়োগ হ্ৰাস পোৱাটোৱে আমাৰ ভৱিষ্যত প্ৰজন্মৰ বাবে কিমান অপকাৰী? MNREGAৰ দৰে আঁচনি দুৰ্বল হৈ পৰাটোৱে গ্ৰামীণ অৰ্থনীতিৰ বাবে কিমান ধ্বংসাত্মক? শিক্ষা খণ্ডত বিনিয়োগ হ্ৰাস পোৱাৰ ফলত শিক্ষাৰ গুণগত মান হ্ৰাস পোৱাৰ লগতে দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলৰ উচ্চশিক্ষাৰ সুযোগ সীমিত হৈ পৰিব। এনে অৱস্থাত ছাত্ৰ-ছাত্ৰীসকলৰ মনত এনে প্ৰশ্ন উঠাটো স্বাভাৱিক যে চৰকাৰে যদি শিক্ষাখণ্ডলৈ যথেষ্ট অৰ্থ সঁহাৰি নিদিয়ে, তেন্তে তেওঁলোকৰ ভৱিষ্যত উজ্জ্বল হ'ব নেকি? মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ ৰোজগাৰ নিশ্চিতকৰণ আঁচনি (MNREGA)-ৰ দৰে কাৰ্যসূচী, যিয়ে কোটি কোটি লোকক আৰ্থিক আৰু সামাজিক সুৰক্ষা প্ৰদান কৰিছিল, সি এতিয়া দুৰ্বল হৈ পৰিছে। এই আঁচনিৰ বাজেট হ্ৰাস আৰু ব্যৱস্থাপনাৰ অদক্ষতাই গ্ৰামীণ জনগণৰ জীৱিকাৰ ওপৰত প্ৰভাৱ পেলাইছে। ক্ষুদ্ৰ আৰু মধ্যম উদ্যোগ (MSME), যি ভাৰতীয় অৰ্থনীতিৰ মেৰুদণ্ড হিচাপে পৰিগণিত, সেয়াও এতিয়া বিপদৰ সন্মুখীন হৈছে। বিৰোধী দলসমূহে অভিযোগ কৰিছে যে চৰকাৰৰ ঘৰুৱা আৰু বৈদেশিক নীতিৰ বিফলতাই এই খণ্ডৰ পতনৰ বাবে দায়ী। এই অৰ্থনৈতিক বৈষম্যই কেৱল সমাজত বিভাজনৰ সৃষ্টি কৰাই নহয়, ৰাজনৈতিক প্ৰক্ৰিয়াত ধনী শ্ৰেণীৰ প্ৰভাৱ বৃদ্ধি কৰি গণতান্ত্ৰিক নীতিক ক্ষতিগ্ৰস্ত কৰিছে। এখন সুস্থ গণতন্ত্ৰৰ বাবে অৰ্থনৈতিক সম্পদৰ সুষম বিতৰণ এক অপৰিহাৰ্য চৰ্ত। সম্পদৰ এই কেন্দ্ৰীভূতকৰণে কেৱল অৰ্থনৈতিক বিপৰ্যয়েই নহয়, সামাজিক অস্থিৰতা আৰু ৰাজনৈতিক সংঘৰ্ষৰ বীজো সিঁচিব পাৰে। গতিকে এনে এক অৱস্থাৰ সৃষ্টি কৰাটো আমাৰ ৰাষ্ট্ৰীয় কৰ্তব্য য'ত দেশৰ সম্পদ সুষমভাৱে বিতৰিত হ'ব আৰু প্ৰত্যেক ভাৰতীয়ই জাতীয় সমৃদ্ধিৰ সুফল ভোগ কৰিব পাৰিব। এখন স্থায়ী আৰু শান্তিপূৰ্ণ সমাজৰ বাবে আটাইতকৈ প্ৰয়োজন হ'ল অৰ্থনৈতিক সম্পদৰ সুষম বিতৰণ।

**সময়ে কাৰোবাক শিকায় জীৱনৰ সুখপাদ্য। কাৰোবাক কৰে প্ৰহাৰ। সময়ৰ হাতত প্ৰহৃত হৈ কতজন ধাৰাশায়ী হয় তাৰ কোনো লেখ জোখ নাই। মুঠতে ক'বলৈ গ'লে কোনোৱা যদি সময়ৰ হাতত ধৰি উপকৃত হৈছে আকৌ কোনোবাজন হৈছে অতি বেয়াকৈ প্ৰহৃত। চাবলৈ আজিৰ মানৱ সমাজৰ সাম্প্ৰতিক পৰিস্থিতিৰো পটভূমি ৰচোতা সময়েই। সময়ে আমাৰ অসমীয়া সমাজ জীৱনলৈ কিধৰণৰ পৰিৱৰ্তনবোৰ আনিলে আৰু ইয়াৰ ধাৰা প্ৰতিঘৰ মানুহ কিদৰে ধাৰাশায়ী হৈছে আহকচোন অলপ ফহিয়াই চাও।**

# সময়ে কিদৰে সলনি কৰি পেলালে আমাক

অজিত বৰুৱা

সময় গতিশীল, পৰিৱৰ্তনশীল। গতিশীল সময়ৰ হাতত ধৰি আমাৰ সমাজ আগবাঢ়ি উন্নয়ন আৰু প্ৰগতিৰ বাটেৰে। সময় হৈছে আমাৰ সকলোৰে বাবে আটাইতকৈ বৃহত্তম শিক্ষানুষ্ঠান আৰু শিক্ষকৰ দৰে। সময়ে সকলোকে শিকায় দৈনন্দিন জীৱনৰ প্ৰাত্যহিক কৰ্মৰাজিৰ বিষয়ে। সময়ৰ লেলিহান জুইত জাহ অতীত আৰু অতীতৰ সোণ সেৰীয়া স্মৃতিও। সময়ে সময়ে দৈনিক প্ৰস্তুত কৰে নিজৰ দিনপঞ্জী। সেই দিনপঞ্জী মানি চলিবলৈ এই পৃথিৱীৰ মানৱ সভ্যতাই নিতৌ কৰে ন ন দিনৰ কছৰৎ।



সময়ে কাৰোবাক শিকায় জীৱনৰ সুখপাদ্য। কাৰোবাক কৰে প্ৰহাৰ। সময়ৰ হাতত প্ৰহৃত হৈ কতজন ধাৰাশায়ী হয় তাৰ কোনো লেখ জোখ নাই। মুঠতে ক'বলৈ গ'লে কোনোৱা যদি সময়ৰ হাতত ধৰি উপকৃত হৈছে আকৌ কোনোবাজন হৈছে অতি বেয়াকৈ প্ৰহৃত। চাবলৈ আজিৰ মানৱ সমাজৰ সাম্প্ৰতিক পৰিস্থিতিৰো পটভূমি ৰচোতা সময়েই। সময়ে আমাৰ অসমীয়া সমাজ জীৱনলৈ কিধৰণৰ পৰিৱৰ্তনবোৰ আনিলে আৰু ইয়াৰ ধাৰা প্ৰতিঘৰ মানুহ কিদৰে ধাৰাশায়ী হৈছে আহকচোন অলপ ফহিয়াই চাও।

পূৰ্বতে আমাৰ অসমীয়া পুৰুষ মহিলাই যেতিয়া বজাৰলৈ গৈ কাপোৰৰ দোকানীক বিশেষ দুপদ বস্ত্ৰ কিনিবলৈ তাৰ নাম আৰু আকাৰ (চাইজ) ক'বলৈ সংকোচ অনুভৱ কৰিছিল। সেই বস্ত্ৰ দুপদ হৈছে পুৰুষৰ বাবে জাঙ্গিয়া আৰু মহিলাৰ বাবে ব্ৰা। যদিহে দোকান খনত আন গ্ৰাহক থাকে তেতিয়া গ্ৰাহক গৰাকীয়ে কেৱল দোকানীজনে শুনা নুশুনাকৈ কাণৰ কাষত লাহেকৈ ইয়াৰ নাম কৈছিল। আকৌ কেতিয়াবা দোকানীজনে নিজেই প্ৰথম পৰ্যায়ত নিজৰ ফালৰ পৰা গ্ৰাহক (পুৰুষ/মহিলা) গৰাকীক নিৰীক্ষণ কৰি কৈছিল বাইদেউ আপোনাক ৩৪ চাইজৰ লাগিব বা দাদা আপোনাক ৯০ চাইজৰ লাগিব। এয়া দোকানীজনে তেখেতৰ ক্ৰেতাজনক চকুৰে স্কেনিং কৰি অনুমান কৰি লৈছিল। অৱশ্যে ইয়াৰ দ্বাৰা তেওঁৰ অসুবিধাও হৈছিল অথবা গ্ৰাহকজনেও দোকানীয়ে দিয়া হিচাপ ভুল হ'লে পুনৰ দোকানখনলৈ যাব লগীয়াত পৰিছিল।

কিন্তু এতিয়া সময় সলনি হ'ল। সময়ে এই কাৰ্যটো ইমানেই উজু কৰি তুলিলে যে মানুহৰ নাকৰ পৰা লাজ বুলি কোৱা শব্দটি আৰু মনত অনুভৱ কৰা সংকোচ বোলা কথাষাৰ দলিয়াই পেলাব পৰা হ'ল। এই কাৰ্য বহু পৰিমাণে বহুলভাৱে প্ৰচলিত সামাজিক মাধ্যম সমূহে সহজ কৰি তুলিলে। বহু ক্ষেত্ৰত মানুহৰ মাজত মুক্তভাৱে আলোচনা হ'বলৈ ধৰিলে যে "আজি অমুক চাইজৰ.... হেৰি এটা আনিলোঁ, পিন্ধিবলৈ বৰ আৰামদায়ক। মই এইটো Meesho/Flipkart ৰ পৰা লৈছোঁ, আপোনালোকেও Meesho/Flipkart ৰ পৰা অৰ্ডাৰ কৰি ল'ব পাৰে। ইয়াৰ দামো কম মাত্ৰ ৯৯ টকা!"

এই সামাজিক মাধ্যম বোৰে আনকি এইবোৰ কিদৰে পিন্ধিব লাগে তাকো দেখুৱাইও দিয়ে। কথাবোৰ ইমানেই সহজ হৈ পৰিছে যে ভাবিলে বৰ আচৰিত যেন লাগে। হয়তো দুদিনমান পাছত দোকনীজনেও ক'ব, "বাইদেউ আপোনাৰ বাবে অমুক চাইজ আৰু দাদাৰ বাবে অমুক চাইজহে লাগিব নহয়নে বাৰু? কাৰণ মই কালিৰ ৰীলছটোত আপুনি কৈ থকা দেখিছিলো।"

ওপৰত উল্লেখ কৰা কথাটো বৰ্তমান সময়ৰ সমাজ জীৱনৰ এটা মাত্ৰ সৰু উদাহৰণহে। আমাৰ সমাজত এনে বহু উদাহৰণ আছে যাৰ কথা কবলৈ গ'লে হয়তো শেষেই হৈ নাহিব। এইখিনিতে আমি আৰু এটা উদাহৰণ ল'ব পাৰোঁ।

পূৰ্বতে যদি কাৰোবাৰ খা-খবৰ লোৱা হয় তেতিয়া বাকী কথাৰ সৈতে ভাত কিহেৰে খালে? কি ৰান্ধিলে? আদি কথাবোৰো সুধিছিল। একেদৰে উত্তৰ দিয়া জনেও অতি সুন্দৰকৈ কিহেৰে খালে, কি ৰান্ধিলে সকলো কথা ধুনীয়াকৈ এফালৰ পৰা উত্তৰ দি গৈছিল আৰু আমি নিজেও সেইবোৰ শুনিয়েই কাণ আৰু জিভাৰ সন্তুষ্টি লভিছিলো বুলি ক'লে ও বঢ়াই কোৱা নহয়। কিন্তু সাম্প্ৰতিক সময়ত বহুলভাৱে প্ৰচলিত সামাজিক মাধ্যম তথা ম'বাইল, ইণ্টাৰনেটৰ ব্যৱহাৰ অত্যধিক হোৱাৰ ফলত এতিয়া আৰু কাৰ ঘৰত কি ৰান্ধিছে, ভাত কিহেৰে খালে, কোন আলহী আহিছিল আদি কথাবোৰ নোসোধাকৈ সকলো সামাজিক মাধ্যম বোৰতেই জানিব পৰা যায়। আনকি এতিয়া এনে কিছুমান ট্ৰেণ্ডৰ সৃষ্টিৰ হৈছে যে নিজৰ পাকঘৰ আৰু ইয়াৰ ম্যেনুখনৰ লগতে খাদ্যৰ ৰং পৰ্যন্ত সামাজিক মাধ্যমত প্ৰকাশ কৰি আদিম আনন্দ উপলব্ধি কৰাৰ প্ৰতিযোগিতা চলিছে। যদি সম্ভৱ হ'ল হয় তেনে হ'লে খাদ্যৰ গোন্ধটোও আমি সামাজিক মাধ্যমতেই লাভ কৰিলোঁ হয়।

এইখিনিতে প্ৰাতঃ ভ্ৰমণ সম্পৰ্কীয় এটা কথা উল্লেখ কৰিব বিচাৰিছোঁ। আমি দেখিছিলো যে ৰাতিপুৱা প্ৰাতঃভ্ৰমণৰ বাবে যোৱাসকলে বাটত লগালগি হ'লে গুড্ মৰ্ণিং বুলি সম্ভাষণ জনাইছিল। কিন্তু এতিয়া আৰু ৰাতিপুৱা গুড্ ইভিনিং দিয়াৰ পৰিৱেশ নাই অথবা ফোন কৰি খবৰ লৈ গুড্ ইভিনিং বা গুড্ নাইট দিবলৈও মানুহৰ আহৰি নাই। এইবোৰ এতিয়া ফেচবুকত বিৰামহীনভাৱে অনৰ্গল আহিয়েই থাকে। যদিহে ফেচবুকৰ ডিপিখন অলপ ধুনীয়া মুখৰ জীয়ৰী বোৱাৰীৰ হয় তেনে হ'লে ইনব' ভৰ্তি হোৱাতো নিশ্চিত।

এইবোৰৰ উপৰিও আমাৰ ভালদৰে মনত আছে যে যেতিয়া চুবুৰীত কাৰোবাৰ লগত কাজিয়া হয় আৰু সেই কাজিয়াত কোনোবাই বেয়াকৈ ক'লে বা অশ্লীল শব্দৰে গালি পাৰিলে অথবা অশ্লীল ইংগিত দিলে মানুহৰ আগত লাজ পোৱাৰ ভয়ত লুকুৱাই ৰাখিবলৈ বাধ্য হৈছিল বা মনে মনে থাকিছিল। কিন্তু এতিয়া আগৰ সেই গালি শপনি অশ্লীল কথা-বতৰা এইবোৰো ফেচবুক, ইণষ্টাগ্ৰাম আদিৰ দৰে সামাজিক মাধ্যমবোৰত সহজলভ্য হৈছে। আনকি কোনোবাই মেচেজৰ দ্বাৰা কিবা ক'লে তাৰ স্ক্ৰীনশ্বৰ্ট সামাজিক মাধ্যমত ৰাজহুৱা কৰা হয়। এনে কৰাতো সম্প্ৰতি এটা ট্ৰেণ্ডত পৰিণত হৈছে। ইয়াৰে সুযোগ গ্ৰহণ কৰি কোনে কাক কিমান বেয়াকৈ ক'ব পাৰে তাৰ প্ৰতিযোগিতা চলে। গালিত কোনে কিমান অশ্লীল শব্দ প্ৰয়োগ কৰি গোপন অংগৰ নাম মুকলিকৈ ক'ব পাৰি তাৰ চলে প্ৰতিযোগিতা।

আকৌ আজি দুদিন আগত ফেচবুকত পালোঁ যে অসমীয়া সুন্দৰী যুৱতী এগৰাকীয়ে চিতাৰ জুই দপ দপাই জ্বলি থাকোঁতেই বনাইছে ৰীলচ। আচলতে আমাৰ যুৱ প্ৰজন্ম কোন দিশে গতি কৰিছে? কেইটামান ভিউচ, লাইক বা কমেণ্টৰ আশাত কৰা এনেকুৱা গৰ্হিত কামৰ সমৰ্থন কৰিব পাৰি নে?

আগৰ দিনত গাঁৱৰ জীয়ৰী বোৱাৰীয়ে পৰ পুৰুষৰ আগত বা স্বামীৰ আগতো ওলালে নিজকে ওৰণিৰে ঢাকি ৰাখিহে ওলাইছিল। চোৰৰ ভয়ত যিদৰে ঘৰৰ দুৱাৰ-খিৰিকী বন্ধ কৰি দিয়ে একেদৰে যদি বলাৎকাৰী পুৰুষ দেখে তেনে হ'লে কাপোৰ-কানি টানিটুনি ঠিক কৰি লৈছিল। অৱশ্যে আজিকালি সামাজিক মাধ্যমে হেনো পইচাৰ বৰষুণ দিয়ে এই ধাৰণা আমাৰ জীয়ৰী বোৱাৰীৰ মুখে মুখে। সেয়েহে দেহৰ যিমান পাৰি সিমান উলংগ কৰি দেখুৱাই লাইক কমেণ্ট বঢ়াবৰ বাবে চলে প্ৰতিযোগিতা। ক্ৰমশঃ শৰীৰৰ কাপোৰ কমি আহিবলৈ ধৰিলে। প্ৰতিযোগিতা আৰম্ভ হ'ল কোনে কিমান নিজকে উলংগ কৰি দেখুৱাব পাৰে। যেন শ্বপিং মলহে, গ্ৰাহকক আকৰ্ষিত কৰিবলৈ নতুন নতুন কাপোৰৰ কালেকছন বাহিৰত ওলোমাই ৰখাৰ দৰে। এয়াই সাম্প্ৰতিক সময়ৰ ৰূঢ় বাস্তৱ। সেই বাস্তৱৰ মুখামুখি হ'বলৈ গৈ আমিবোৰে হেৰুৱাই পেলাইছো আত্মমৰ্যাদা আৰু আত্ম পৰিচয়।

# 'সঁজাল'ৰ আঁৰৰ কথা

ব্ৰজেন দাস


সাম্প্ৰতিক কণ্টকাকীৰ্ণ সমাজ ব্যৱস্থাৰ স্বৰূপটোক কবিতাৰ মাধ্যমেৰে দাঙি ধৰিবলৈ সক্ষম হোৱা এখন কবিতা বিষয়ক আলোচনী 'সঁজাল'। নৱীন-প্ৰৱীন কবি সকলৰ প্ৰেৰণা, উৎসাহ আৰু উদ্দীপনাৰ এখন দলিল 'সঁজাল'। উনবিংশ শতিকাৰ শেষৰ ফালে সংবাদ পত্ৰ "অৰুণোদয়'ৰ জন্ম স্থান শিৱসাগৰৰ পৰা প্ৰকাশিত কাব্যালোচনী 'সঁজাল'ৰ প্ৰথম সংখ্যা ঐতিহাসিক ৰূপহী পথাৰত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত হিম চেঁচা ৰাতিৰ এক শুভক্ষণত বিশিষ্ট প্ৰৱীণ সাংবাদিক, লেখক তথা বৰ্তমানৰ ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞা দেৱে উন্মোচন কৰে। ভোগালী বিহুৰ প্ৰাকক্ষণত বৈদ্যুতিন নিউজ চেনেল "প্ৰাগ চেনেল"ৰ সৌজন্যত আৰু বৃহত্তৰ ৰূপহী পথাৰ অঞ্চলৰ ৰাইজৰ সহযোগত অনুষ্ঠিত হোৱা প্ৰাক- ভোগালী উৎসৱ অনুষ্ঠানত হাজাৰ হাজাৰ সাংস্কৃতিক প্ৰেমী ৰাইজৰ উপস্থিতিত এডিটৰ ইন চীফ অজিত কুমাৰ ভূঞা দেৱৰ হাতত 'সঁজাল'ৰ পৰিয়ালে কাব্যালোচনী খন অৰ্পণ কৰে। কাব্যালোচনী 'সঁজাল' উন্মোচন কৰি তেখেতে বিখ্যাত দাৰ্শনিক অস্কাৰ ৱাইল্ডৰ এষাৰ কথা উদ্ধৃতি দি কৈছিল-"সাহিত্য সদায় জীৱন আৰু সমাজৰ লগত জড়িত হৈ থাকে। ই জীৱন আৰু সমাজক নকল নকৰে; কেৱল ই মাথোঁ উদ্দেশ্যৰ ফালে ধাৱমান হয়।" তেখেতে আকৌ কয় - "ঐতিহাসিক শিৱসাগৰ সাহিত্য-সংস্কৃতিৰে ভৰপূৰ এখন ঐতিহ্যমণ্ডিত অঞ্চল। প্ৰথম সংবাদ পত্ৰ 'অৰুণোদয়'ৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়লৈকে সাহিত্য আৰু সংস্কৃতিৰ জগত খনলৈ বিপুল বৰঙনি আগবঢ়োৱা শিৱসাগৰীয়াই আজি এই মাহেন্দ্ৰক্ষণত প্ৰকাশ কৰি উলিয়াইছে এখন ক্ষুদ্ৰ আলোচনী 'সঁজাল'। আকাৰত সৰু হ'লেও মোৰ বিশ্বাস এই কাব্যালোচনী খনে নিশ্চয় এটা আলোকিত পথৰ সন্ধান দিব পাৰিব। সাহিত্য কাণ্ডাৰী হেমচন্দ্ৰ বৰুৱা, মহেশ্বৰ নেওগ, ডিম্বেশ্বৰ নেওগ, যতীন্দ্ৰনাথ দুৱৰা, বীৰেন বৰকটকী, পৰাগধৰ চলিহা, ইমৰান শ্বাহ, লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে কবি-সাহিত্যিক সকলৰ বসতি স্থান শিৱসাগৰৰ পৰা প্ৰকাশিত কাব্যালোচনী 'সঁজাল'এ ইতিমধ্যে শতাধিক নতুন কবি-সাহিত্যিকৰ জন্ম দিব পাৰিছে বুলি অনুভৱ কৰিছোঁ। মাথো মাজ বাটতে সূতা চিগাৰ দৰে চিগি আঁত হেৰাই যেন নাযায় তাৰ বাবে চিন্তা কৰিব লাগিব।

চকুৰ আগতে যোৱা দুটা দশকত শিৱসাগৰতে নহয় সমগ্ৰ অসমতে বহু কাকত, আলোচনী জন্ম হোৱাৰ কিছু দিনৰ পিছতে কালৰ সোঁতত হেৰাই গৈছে। 'সঁজাল' কাব্যালোচনী খনে সুদীৰ্ঘ নটা বৰ্ষ অতিক্ৰম কৰি দশম বছৰত ভৰি থবলৈ সক্ষম হৈছে। সঁচাকৈয়ে ই শিৱসাগৰ বাসী আৰু 'সঁজাল'ৰ পৰিয়ালৰ বাবে সুখবৰ। কিন্তু 'সঁজাল'ৰ এই যাত্ৰা পথতো কিছু সমস্যাই দেখা দিয়া পৰিলক্ষিত হৈছে। অৱশ্যে বিভিন্ন সমস্যা আৰু সংকটৰ সন্মুখীন হৈও 'সঁজাল'এ দশম বছৰত ভৰি থলেহি।

আমাৰ সকলোৰে জ্ঞাত যে একোখন কাকত, আলোচনী প্ৰকাশ আৰু প্ৰচাৰৰ আঁৰত একো একোজন বিশেষ ব্যক্তিৰ সান্নিধ্য থাকে। আঁৰত থকা ব্যক্তি গৰাকী আৰু সম্পাদক জনৰ ইচ্ছা অনিচ্ছাৰ ওপৰত সেই কাকত বা আলোচনীখন সম্পূৰ্ণৰূপে বৰ্তি থাকে।

প্ৰণিধানযোগ্য যে গত নটা বৰ্ষত পাঁচজন সম্পাদকে 'সঁজাল' 'আলোচনীখনৰ দায়িত্ব বিভিন্ন সময়ত বহন কৰিব লগাত পৰে। অৰ্থ-পুঁজি সংক্ৰান্তীয় বিষয়টো নকলোৱেইবা। অসমীয়া মানুহৰ এটা দস্তুৰ আছে যে বিনা স্বাৰ্থত কোনেও কাকো সহায় নকৰে। তাতে যদি ভবা হয় যে মই কৰা অৰ্থ ব্যয়ত আপোনাৰহে মান- যশস্যা বাঢ়িব লাগিছে, সেয়েহে মই অৰ্থ ব্যয় কৰা কি প্ৰয়োজন আছে? কিয় ধন বা অৰ্থ, সময় খৰচ কৰি আপোনাক উপকাৰ কৰিম, নহয় নে? অপ্ৰিয় হ'লেও সত্য যে এই গুণটো অসমীয়া সমাজত নিৰান্নৈ শতাংশ লোকৰেই আছে। কিন্তু আমি পঢ়িছোঁ যে আনৰ কাৰণে কান্দিব পাৰিলে কান্দোনতো সুখ পায়। শাস্ত্ৰীয় মাৰ্গ দৰ্শনতো আছে যে আপুনি সহায় কৰক, প্ৰতিদান নিবিচাৰিব। যিজনক সহায় কৰিব সেইজনে সহায় নকৰে যদিও ভগৱানে আপোনাক সহায় কৰিব। আধ্যাত্মিক দৰ্শনত বিশ্বাসী লোকৰ বাবেহে এই মাৰ্গ উত্তম বুলি ভবা হয়। আপোনাৰ মোৰ বাবে এই দৰ্শন মানি চলা কষ্টকৰ।

এটা কথা সকলোৱে অনুভৱ কৰা উচিত যে 'সঁজাল' কোনো ব্যক্তি বিশেষৰ নহয়। 'সঁজাল' কবিসকলৰ দ্বাৰা, কবিসকলৰ বাবে কাব্য সাহিত্যৰ জগতখনৰ ভঁৰাল চহকী কৰাৰ স্বাৰ্থত সৃষ্টি। তাহানিৰ সেই সোণালী যুগ কেইটালৈ মনত পেলালে দেখিব যে একোখন আলোচনীয়ে একোটা সোণালী যুগৰ বাৰ্তা বহন কৰি আহিছে। অৰুণোদয়, জেউতি, জোনাকী, আৱাহন, বাঁহী আদি আলোচনীৰ দৰেই 'সঁজাল' আলোচনীখনেও ভৱিষ্যতে যে একোটা যুগৰ সৃষ্টি কৰিব নোৱাৰিব তাৰও কিন্তু মানে নাই। মাথোঁ লাগিব পৰিয়ালৰ সকলো সদস্যৰ ত্যাগ আৰু সহযোগিতা। "আশা আছে বাবেই




পৃথিৱীখন ইমান ধুনীয়া"- হেম বৰুৱা দেৱে কোৱাৰ দৰে এ পি জে আব্দুল কালামে ও কৈছিল-

"Great dreams of great dreamers are always transcended."

'সঁজাল' কাব্যালোচনী খনৰ প্ৰথম সংখ্যাটোত ঠাই পোৱা কবি সকলৰ বুজন সংখ্যকেই আছিল নতুন কবি। বৰ্তমান তেওঁলোকৰ বহুজনে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। বিশিষ্ট কবি, সাহিত্যিক পেঞ্চনাৰ দীপ্তিময়ী বুঢ়া গোহাঁই গগৈ, বিশিষ্ট কবি প্ৰেম গগৈ, বিশিষ্ট নিবন্ধকাৰ কবি চামচুল বাৰিক, বিশিষ্ট গীতিকাৰ অপূৰ্ব বেজবৰুৱা, নীৰদা ভাগৱতী আদি প্ৰবীন কবি সকলৰ লগতে ন-কবি হিচাপে অশ্ৰুমণি দত্ত ঘোষ, ৰঞ্জন কুমাৰ দেউৰী, কবিতা চৌধুৰী, ভাৰত শৰ্মা,দুষ্যন্ত মাধৱ বৰুৱা,ৰূপা শইকীয়া, জ্যোতি প্ৰসাদ দাস,নৱজ্যোতি কলিতা, অতীত শইকীয়া, দীনেশ কুমাৰ গৌতম,মিনাক্ষী দাস,দেৱযানী শইকীয়া গগৈ, অনন্যা খাৰঘৰীয়া, জিলমিল বৰুৱা, ববী বৰুৱা, বৰ্ষাৰাণী দত্ত, মণিপ্ৰভা মহন, দীতিমণি দত্ত, বিজয় ৰবি কাশ্যপ, ববিতা ভৰালী, নয়নমণি হাজৰিকা, আভাৰাণী বৰা, অনুৰাগ শইকীয়া, মধুমিতা মহন, অৰ্চনা দত্ত ভূঞা, অপৰাজিতা দাস, ইৰা দেৱী আৰু দীপামণি হাজৰিকা বৰুৱাৰ কবিতা সঁজালৰ প্ৰথম সংখ্যাত প্ৰকাশ পাইছিল। প্ৰথম সংখ্যাৰ মূল কাণ্ডাৰি মুখ্য উপদেষ্টা- ৰঞ্জন কুমাৰ দেউৰী, মুখ্য সম্পাদক ব্ৰজেন দাস, সম্পাদক সত্যজিত নাথ, সহযোগী সম্পাদক ভাৰত শৰ্মা, অশ্ৰুমণি দত্ত ঘোষ, ঊষা হাজৰিকা দেউৰীৰ লগতে বিশেষ ব্যৱস্থাপক প্ৰান্তিক শৰ্মাৰ সহযোগত কাব্যালোচনী 'সঁজাল'খনে প্ৰথম অৱস্থাত কিছুদিন ভালদৰে গতি কৰে। পিছলৈ সম্পাদক সত্যজিত নাথে একান্ত ব্যক্তিগত কাৰণত অব্যাহতি লোৱাত কিছুদিন মুনীন বড়া দেৱে সম্পাদকৰ কলম ধৰে। বড়া দেৱেও পিছলৈ সময় দিব নোৱাৰাৰ বাবে বিশিষ্ট নিবন্ধকাৰ, কবি জয়ন্ত মাধৱ গগৈ দেৱক সম্পাদকৰ দায়িত্ব দিয়া হয়। জয়ন্ত মাধৱ গগৈ দেৱেও সম্পাদকৰ দায়িত্বৰ পৰা বিভিন্ন এৰাব নোৱাৰা কামৰ বাবে সম্পাদকৰ পদ অনানুষ্ঠানিকভাৱে মুখ্য সম্পাদকৰ ওপৰত ন্যস্ত কৰে। পৰৱৰ্তী সময়ত কুন্তলা সন্দিকৈ আৰু তৰণ নাথেও সম্পাদকৰ দায়িত্ব কিছুদিনৰ বাবে বহন কৰে। তাৰ পৰৱৰ্তী সময়ত 'সঁজাল' সম্পাদনা সমিতিৰ উপদেষ্টা হিচাপে ড° প্ৰফুল্ল হাজৰিকা, যোগেশ কিশোৰ ফুকন, চামচুল বাৰিক, ড° জীৱন কলিতা, ড° নিৰজ কুমাৰ দাসে দায়িত্ব বহন কৰে। সহযোগী সদস্য হিচাপে ও লাৱণ্য কলিতা দত্ত, দুষ্যন্ত মাধৱ বৰুৱা, দেৱযানী দিক্ষীতা, নীলু নেওগ, প্ৰশান্ত বৰগোহাঁই আৰু লক্ষী ভূঞা ই সহযোগিতা আগবঢ়ায়।

তথাপিও চিন্তাৰ বিষয় এইযে দশম বৰ্ষত ভৰি থোৱা কাব্যালোচনী 'সঁজাল' আগলৈ আগবাঢ়ি যাব পাৰিবনে? নে অজিত কুমাৰ ভূঞা দেৱে কোৱাৰ দৰে 'সঁজাল' ইমানতে ইতি পৰিব! অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী দেৱে কোৱাৰ দৰে ভিয়েটনামৰ যুদ্ধৰ সময়ত বোধকৰো নৱকান্ত বৰুৱাই লিখিছিল - "আমাৰ তৰাবোৰে আকাশকে পোহৰ কৰিলে, তলত উচুপি ৰ'ল অন্ধকাৰ আকাশৰ ক্ষয়িষ্ণু কংকাল। কাব্যালোচনী 'সঁজাল'ৰ যুদ্ধা সকলে আকাশখন পোহৰ কৰাত সহায় কৰিম বুলি দায়িত্ব বহন কৰিব লাগিব। আমাৰ সকলোৰে জ্ঞাত যে ডিম্বেশ্বৰ নেওগ, নৱকান্ত বৰুৱা, ভগৱতী প্ৰসাদ বৰুৱা, বৰ্তমান কাব্য সাহিত্যৰ উচ্চ শিখৰত আৰোহণ কৰা বিশিষ্ট কবি নীলমণি ফুকন আদি কবি সকলে তাহানিৰ 'জোনাকী', 'বাঁহী', 'জেউতি' আদি আলোচনী পাততে কবিতা লিখিছিল। সেই আলোচনী কেইখনৰ পাতত ঠাই পোৱা কবি-সাহিত্যিকসকলৰ নাম আজিও হীৰা জিলিকা দি জিলিকি আছে। 'সঁজাল' আলোচনীখনে গত আঠোটা বছৰত বহু নতুন কবিৰ মুখ পাঠকৰ সন্মুখত চিনাকি কৰি দিবলৈ সক্ষম হৈছে। আশাকৰো কাব্যালোচনী 'সঁজাল'ও শত বছৰ অতিক্ৰম কৰিব আৰু শতাধিক কবি- সাহিত্যিকে 'সঁজাল'ৰ পাতৰ পৰা প্ৰতিষ্ঠা লাভ কৰিব।

উল্লেখযোগ্য যে প্ৰতি বছৰে অসমৰ এগৰাকী বিশিষ্ট কবিক "সঁজাল" ৰ পৰিয়ালৰ তৰফৰ পৰা "সঁজাল বঁটা" শীৰ্ষক এটি বঁটা তেখেতৰ প্ৰকাশিত শ্ৰেষ্ঠ গ্ৰন্থৰ বাবে দি অহা হৈছে। ২০২৪-২৫ বৰ্ষৰ 'সঁজাল বঁটা' প্ৰদান কৰা হৈছে অসমৰ এজন প্ৰখ্যাত কবি হৰেন গগৈ দেৱক তেখেতৰ শেহতীয়াকৈ প্ৰকাশিত 'ৰ'দেৰে খেলোঁ, বৰষুণ খেদোঁ' কাব্যগ্ৰন্থৰ বাবে। গগৈ দেৱলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

দশম বছৰৰ চতুৰ্থ সংখ্যাটি প্ৰকাশৰ দায়িত্ব সম্পাদক হিচাপে বিশিষ্ট কবি প্ৰাঞ্জল আবিৰ দাস দেৱক অৰ্পণ কৰা হৈছে। আশা ৰাখিছোঁ তেখেতৰ উদ্যোগতে "সঁজাল" আৰু এঢাপ ওপৰলৈ গতি কৰিব।

শেষত এসময়ত 'সঁজাল'ৰ পাত শুৱনি কৰা বিশিষ্ট কবি প্ৰয়াত দিব্যজ্যোতি গোহাঁই গগৈৰ 'মোৰ আশা' কবিতাৰ কিয়দাংশ উদ্ধৃতি দিব খুজিছোঁ -

"পূৱৰ পৰা পশ্চিমলৈ
উত্তৰৰ পৰা দক্ষিণলৈ
এছাটি বতাহ বৈ থাকক
প্ৰতিজোপা শেৱালি ঠন ধৰি উঠক।"

# ৰাজনৈতিক অংশগ্ৰহণৰ এক নতুন যুগ ঃ ছ'চিয়েল মিডিয়া




প্ৰদীপ চন্দ্ৰ

একবিংশ শতিকাৰ তৃতীয় দশকৰ এই সময়ছোৱাত ছ'চিয়েল মিডিয়া কেৱল যোগাযোগৰ মাধ্যম হৈ থকা নাই, সামাজিক সক্ৰিয়তা আৰু ৰাজনৈতিক অংশগ্ৰহণৰ বাবেওঁ এক শক্তিশালী আহিলা হিচাপে পৰিগণিত হৈছে। টুইটাৰ (এক্স), ফেচবুক, ইনস্টাগ্ৰাম আৰু ইউটিউবৰ দৰে প্লেটফৰ্ম বোৰে ৰাইজক নিষ্ক্ৰিয় দৰ্শক পৰা সক্ৰিয় অংশগ্ৰহণকাৰীলৈ ৰূপান্তৰ কৰিছে। ৰাইজৰ এই স্বতঃস্ফুত ডিজিটেল অংশগ্ৰহণে গণতন্ত্ৰত এক নতুন ৰাজনৈতিক বাগধাৰাৰ সৃষ্টি কৰিছে। ইয়ে জন্ম দিছে সামাজিক ঐক্য আৰু ৰাজনৈতিক মতবিৰোধৰ মিশ্ৰিত সংমিশ্ৰণ।

ভাৰতীয় সংবিধানে নাগৰিক সকলও বাবে সংবিধানৰ তৃতীয় অৰ্থ্যায়ত মৌলিক অধিকাৰৰ ব্যাবস্থা কৰিছে। সংবিধানৰ ২৩, ২৪ নং অনুচ্ছেদত নাগৰিকৰ মত প্ৰকাশৰ স্বাধীনতাক মৌলিক অধিকাৰৰ তালিকাত স্থান দিছে। নাগৰিকসকলে বিভিন্ন সময়ত সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক ইত্যাদি বিষয় বিলাকত মত প্ৰকাশ কৰি নিজৰ নিজৰ মন্তত ৰাখে। ৰাইজৰ মতামতক আগৰ সময়ত প্ৰকাশৰ একমাত্ৰ মাধ্যম আছিল বাতৰি-কাকত, টেলিভিছন, ৰেডিঅ' ইত্যাদি। কিন্তু, বিংশ শতিকাৰ শেষৰফালে আৰু একবিংশ শতিকাৰ এই মাজভাগত ছ'চিয়েল মিডিয়া, ইণ্টাৰনেটৰ উত্থানে সমাজৰ প্ৰায় সকলো ক্ষেত্ৰতে হোৱাৰ নিচিনাকৈ ৰাজনৈতিক ক্ষেত্ৰতো নতুন যুগৰ সৃষ্টি হৈছে। ইয়ে সমাজত সাৰ্বাত্মক প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। এসময়ত গণসমদল আৰু পৰম্পৰাগত সংবাদ মাধ্যমৰ কভাৰেজৰ প্ৰয়োজন হোৱা আন্দোলনবোৰে এতিয়া এটা হেছটেগৰ সৈতে গতি লাভ কৰিব পাৰে #Me Too, #Nipobaby, #Justice for Zubeen ইত্যাদিৰ দৰে অভিযানে দেখাই যে কেনেদৰে ডিজিটেল প্লেটফৰ্মবোৰে ভৌগোলিক পৰিসীমা নেওঁচি সমূহীয়া মতক একত্ৰিত কৰিব পাৰে। হাজাৰ -হাজাৰ লাখ-লাখ লোকে এটা আহ্বানৰ প্ৰতি সঁহাৰি জনাই অভূতপূৰ্ব জনমত গঠনত অৰিহণা যোগাব পাৰে।

এই নতুন ধৰণৰ ৰাজনৈতিক সক্ৰিয়তাই সকলো শ্ৰেণীৰ মানুহৰ মাজত থকা সীমাবদ্ধতাক আতৰাই তুলিব পাৰে। দল-মত-নিৰ্বিশেষে ডিজিটেল যুগৰ বাগধাৰাক স্বীকাৰ কৰিবলৈ বাধ্য হয়। সাধাৰণতে, সমূহীয়া সিদ্ধান্তত উপনীত হ'ব নোৱাৰা বিষয়বোৰো ছ'চিয়েল মিডিয়াই বস্তুনিষ্ঠ উপস্থাপন আৰু যুক্তি আৰু তথ্যৰে পৰিৱেশন কৰাৰ পৰিণতি স্বৰূপে সামাজিক সংবেদনশীল বিষয়সমূহত মানুহৰ একত্ৰিত মনোভাবে ছ'চিয়েল মিডিয়াৰ ইতিবাচক দিশটো প্ৰতিফলিত কৰে। আগৰ সময়ত নিৰ্বাচনী ইস্তাহাৰৰ জৰিয়তে জনপ্ৰতিনিধি সকলে ৰাইজৰ ওচৰ চাপিছিল। ৰাইজেও ৰাজনৈতিক দল বিলাকৰ দলীয় ইস্তাহাৰত উল্লেখিত বিষয় আৰু দলসমূহৰ ৰাজনৈতিক আদৰ্শ আৰু সংসদীয় চৰিত্ৰৰ ওপৰত ভিত্তি কৰি ভোটদান কৰিছিল। কিন্তু, ছ'চিয়েল মিডিয়াত এই উত্থানৰ যুগত ৰাজনৈতিক নেতা সকলে অধিক পৰিমানে ছ'চিয়েল মিডিয়াত সক্ৰিয় হৈ থাকিব লাগে। ভোটাৰ ৰাইজৰ লগত সঘন যোগাযোগৰ একমাত্ৰ মাধ্যম হৈ পৰিছে ছ'চিয়েল মিডিয়া। কোনো এক ৰাজনৈতিক নেতাৰ দৈনন্দিন কাৰ্য্যসূচী জানিবৰ বাবে বাতৰি কাকতৰ পৃষ্ঠা বা টেলিভিছনৰ বাতৰিৰ বাবে অপেক্ষা কৰাৰ দিন আতৰিল। এতিয়া ছ'চিয়েল মিডিয়াৰ জৰিয়তে সকলো খিনি জনাটো সম্ভৱ হৈ উঠিল। ইয়ে সৃষ্টি কৰিলে নতুন নতুন সম্ভাবনা তথা কিছু নতুন প্ৰত্যাহ্বান।

প্ৰায় সকলো ক্ষেত্ৰৰ নিচিনাকৈ ছ'চিয়েল মিডিয়াৰ ব্যৱহাৰে ৰাজনৈতিক ক্ষেত্ৰতো কিছু প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। কেতিয়াবা এই প্ৰত্যাহ্বানসমূহ ভয়াবহ ৰূপত আত্মপ্ৰকাশ কৰিছে। তথ্যৰ বিকৃত কৰণে সমাজক বিপথে পৰিচালিত কৰাও দেখা গৈছে। কিছু সংখ্যক লোকে উদ্দেশ্য প্ৰণোদিতভাবে ঘৃণাৰ ৰাজনীতি বিয়পাই দিয়াৰ ফলস্বৰূপে ৰাজনৈতিক মূল্যবোধৰ স্খলন হৈছে। সেইদৰে, ছ'চিয়েল মিডিয়াৰ এই যুগত মানুহক ট্ৰ'ল কৰাটো অতি সুলভ হৈ পৰিছে। সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক আদি ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰা যিকোনো মানুহ যিকোনো সময়ত ট্ৰলৰ বলী হৈছে। এই সময়ত মানুহজনক সঁচা-মিছা, শুদ্ধ -অশুদ্ধ বিচাৰ নকৰি ট্ৰ'ল কৰি ভাইৰেল কৰোৱাৰ প্ৰৱণতাই বহুক্ষেত্ৰত ব্যক্তিসত্বাক আৰু মানব অধিকাৰক ভেঙুচালি কৰা হৈছে। কিছুমান লোক পিছত সামাজিক জীৱনত নিঃচিহ্ন হৈ যোৱা দেখা গৈছে। ইয়াৰ অন্তৰালত থাকে ব্যক্তি বিশেষৰ কু-অভিসন্ধি অথবা ক্ষমতা লাভৰ অদমনীয় হেঁপাহ। সেইবাবে, ডিজিটেল দায়বদ্ধ আচৰণহে সমাজ ব্যাবস্থাৰ বাবে উপকাৰী। নৈতিক সমাজ এখন তেতিয়াহে গঠন হ'ব যেতিয়া নৈতিকতাৰ ভিত্তিত সমাজ সকলো ব্যৱস্থা প্ৰচলিত হ'ব। ছ'চিয়েল মিডিয়াও এই নৈতিক সমাজৰে এক গুৰুত্বপূৰ্ণ অংশ।

### সাংস্কৃতিক অনুষ্ঠানত বিভিন্ন জাতি-জনগোষ্ঠীৰ নৃত্য, গীতৰ অনুষ্ঠান

# কাজলগাঁৱত বাৰদিনীয়া শ্ৰীশ্ৰী লক্ষ্মী পূজা




**অসমবাৰ্তা, বাসুগাঁও, ৬ অক্টোবৰ ঃ** অইন অইন বছৰৰ দৰে এইবেলিও চিৰাং জিলা সদৰ কাজলগাঁৱত অহা ৬ অক্টোবৰৰ পৰা বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব ৬৫ সংখ্যক শ্ৰী শ্ৰী লক্ষ্মী পূজা আৰু মেলা। কাজলগাঁও ব্ৰহ্ম যজ্ঞালয় আৰু শ্ৰী শ্ৰী লক্ষ্মীমন্দিৰ প্ৰাংগণত আয়োজিত এক সংবাদমেলত আয়োজক সমিতিৰ শীৰ্ষ বিষয়ববীয়াই সদৰি কৰে যে বৃহত্তৰ কাজলগাঁও অঞ্চলৰ জনসাধাৰণৰ মাজত ঐক্য, শান্তি-সম্প্ৰীতি আৰু ভাতৃত্ববোধ গঢ়ি তোলাৰ উদ্দেশ্যেৰে ১৯৬১ চনৰ পৰাই জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে বিভিন্ন কাৰ্যক্ৰমণিকাৰে পালন কৰি অহা এই পূজা আৰু মেলা ১৯৯০ চনৰ পৰাই আধুনিক মেলাৰ প্ৰতিটো উপকৰণেৰে উদযাপিত হৈ আহিছে। চৰকাৰী পঞ্জীয়নভুক্ত কাজলগাঁও ব্ৰহ্ম যজ্ঞালয়া আৰু শ্ৰী শ্ৰী লক্ষ্মী মন্দিৰ পৰিচালনা সমিতিয়ে ইতিমধ্যে কাজলগাঁও বজাৰ প্ৰাংগণত স্থায়ী লক্ষ্মী মন্দিৰ, ব্ৰহ্ম মন্দিৰ আৰু শিৱ মন্দিৰৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰিছে। কেবা কোটি টকা বাজেটৰ এই মন্দিৰৰ নিৰ্মাণ কাৰ্য ইতিমধ্যে বিগত ৭ বছৰত ত্বৰান্বিত কৰি ইতিমধ্যে প্ৰায় ৮০ শতাংশ কাম সম্পন্ন হৈছে। অনৈক্যৰ মাজত ঐক্যৰ বাৰ্তা কঢ়িয়াই অনা কাজলগাঁৱৰ এই ঐতিহ্যমণ্ডিত পূজা আৰু মেলা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ হিতেশ বসুমতাৰীক সভাপতি, ছবিন্দ্ৰ নাৰ্জাৰীক কাৰ্যকৰী সভাপতি, সঞ্জয় দৈমাৰী, ৰঞ্জন দেৱ আৰু সঞ্জয় কুমাৰ সৰকাৰক উপ সভাপতি, দিলীপ বসুমতাৰীক সাধাৰণ সম্পাদক, সঞ্জয় ছেত্ৰীক যুটীয়া সম্পাদক, নয়ন ব্ৰহ্ম, মঞ্জিল বসুমতাৰী আৰু বিপ্লৱ সৰকাৰক সহকাৰী সম্পাদক, দশৰথ মণ্ডল আৰু জগদীশ নাৰ্জাৰীক কাৰ্যালয় সম্পাদক আৰু অনছুলা ব্ৰহ্মক ধন ভৰালী হিচাপে লৈ মূল কাৰ্যকৰী সমিতিখন গঠন কৰা হয়। লগতে বৃহত্তৰ কাজলগাঁও অঞ্চলৰ পাৰ্শ্বৱৰ্তী ১০খন গাঁৱৰ শতাধিক প্ৰতিনিধিৰ অন্তৰ্ভুক্তিৰে মূৰ্তি পূজা, যজ্ঞাহুতি, বিত্ত, খাদ্য, প্লট বিতৰণ, স্বেচ্ছাসেৱক, বিদ্যুৎ, স্বাস্থ্য, প্ৰচাৰকে ধৰি মুঠ ১২খন উপ সমিতি গঠন কৰি পূজা আৰু মেলাৰ কাম দ্ৰুত গতিত আগবঢ়াই নিয়া হৈছে। উল্লেখ্য যে, অহা ৬ অক্টোবৰত বিয়লি আমন্ত্ৰিত বিশিষ্ট অতিথিৰ দ্বাৰা এই শ্ৰীশ্ৰী লক্ষ্মী পূজা আৰু মেলা আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব। মুকলি মঞ্চত প্ৰতিদিনে বড়ো, ৰাভা, অসমীয়া, আদিবাসী, নেপালী, বেংগলী, কোঁচ ৰাজবংশীকে ধৰি বিভিন্ন জাতি জনগোষ্ঠীৰ নৃত্য গীতৰ অনুষ্ঠান অনুষ্ঠিত হোৱাৰ উপৰিও ৰাইজৰ মনোৰঞ্জনৰ বাবে খাৰাতাল, নাগাৰা নাম আদিও পৰিৱেশন কৰা হ'ব বুলি উদ্যোক্তা সমিতিয়ে সংবাদ মাধ্যমক সদৰি কৰে। উদ্বোধনীৰ দিনাখন সদ্য প্ৰয়াত অসমৰ প্ৰাণৰ শিল্পী হাৰ্টথ্ৰব জুবিন গাৰ্গৰ প্ৰতি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে আন এক কাৰ্যসূচী গ্ৰহণ কৰা বুলিও জানিবলৈ দিয়ে। লগতে এইবাৰৰ পূজা আৰু মেলাত বিশেষ আকৰ্ষণ হিচাপে থাকিব মিনা বজাৰ, ৰাষ্ট্ৰীয় বাণিজ্য মেলা, চাৰ্কাচ, বড়ো ভিডিঅ', নাগৰদলা, ব্ৰেক ডাঞ্চ আদি। লক্ষ্মী পূজা আৰু মেলা সমিতিয়ে এইবেলি পূজা ও মেলা চলাকালীন সময়ত নিৰ্ধাৰিত এলেকাৰ ভিতৰত যিকোনো ধৰণৰ জুৱা খেল আৰু মাদক দ্ৰব্য বিক্ৰী আৰু সেৱন নিষিদ্ধ ঘোষণা কৰিছে।

# ৰূপাইত মৰাণ সাহিত্য সভাৰ নতুন সমিতিৰ দায়িত্ব গ্ৰহণ

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ৬ অক্টোবৰ ঃ** ইয়াৰ সমীপৰ ৰূপাই তপোবনস্থিত সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ ভৱনত আজি নৱনিৰ্বাচিত মৰাণ সাহিত্য সভাক দায়িত্বভাৰ অৰ্পণ কৰা হয়। সভাৰ বিদায়ী সভাপতি হৰকান্ত মহন্তৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত অতিথি হিচাপে অংশগ্ৰহণ কৰি বক্তব্য ৰাখে অসম মৰাণ সভাৰ সভাপতি আৰু সম্পাদক ক্ৰমে ৰাজীৱ বড়া আৰু বিতোপন মৰাণ, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বড়া, সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ সভাপতি লম্বেশ্বৰ মৰাণ, মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চৰ সভাপতি ভাৰ্গৱ মৰাণ আৰু মৰাণ জাতীয় মহিলা পৰিষদৰ সভানেত্ৰী দীপা বড়া শইকীয়াই। সভাত নৱনিৰ্বাচিত মুখ্য সম্পাদক মৃদুল দহোটীয়া, উপ-সভাপতি বন্দনা বড়া বৰুৱা আৰু পানীৰাম ডেকা মৰাণ, সহকাৰী সম্পাদক দিলীপ মৰাণ, সাংগঠনিক সম্পাদক মণিকান্ত মৰাণ, মুখপত্ৰ সম্পাদক মণ্টু মৰাণ, পুৰণা সমিতিৰ মুখ্য সম্পাদক বিধান মৰাণ আদিয়েও বক্তব্য ৰাখে। উক্ত সভাত মৰাণ জাতীয় কৰ্মচাৰী বিকাশ মঞ্চৰ সম্পাদক জ্ঞান বৰুৱা, মৰাণ কলা-সংস্কৃতি বিকাশ মঞ্চৰ ভাৰপ্ৰাপ্ত সভাপতি মৃণাল মৰাণ, সম্পাদিকা ৰুণু মৰাণ চাউৰক, মৰাণ জাতীয় মহিলা পৰিষদৰ সহকাৰী সম্পাদিকা চ'না চুতীয়া মৰাণ, সদৌ মৰাণ ছাত্ৰ সন্থাৰ বিষয়ববীয়া পদ্মজিৎ মৰাণ, অসম মৰাণ সভাৰ বিষয়ববীয়া কুসুম্বৰ নেওঁগ, দিবাকৰ বড়া আৰু বীৰেন্দ্ৰ চুতীয়া, মৰাণ সাহিত্য সভাৰ ন-পুৰণি সতীৰ্থ আৰু শাখাসমূহৰ বিষয়ববীয়াকে ধৰি জনগোষ্ঠীটোৰ ছয় সংগঠনৰ বহু কৰ্মকৰ্তা উপস্থিত থাকে। বিদায়ী মুখ্য সম্পাদক বিধান মৰাণে আঁত ধৰা সভাত নৱনিৰ্বাচিত সভাপতি ৰবীন মৰাণে বক্তব্য আগবঢ়োৱাৰ পাছতেই পুৰণা সমিতিয়ে যাৱতীয় নথি-পত্ৰসহ নতুন সমিতিক দায়িত্বভাৰ অৰ্পণ কৰে।

### ৰামপুৰত ফুটবল প্ৰতিযোগিতা

# বেংগালুৰু এফ চিক পৰাস্ত কৰি অগ্ৰগামী পুথিভঁৰাল বৰতেজপুৰ দলৰ জয়



**অসম বাৰ্তা, মিৰ্জা, ৬ অক্টোবৰ ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ৰামপুৰৰ ৰেঙণি সংঘৰ উদ্যোগত ৰামপুৰ উচ্চতৰ মাধ্যমিক খেলপথাৰত অনুষ্ঠিত হোৱা ৪ৰ্থ বাৰ্ষিক স্বৰ্গীয় উমাকান্ত ঠাকুৰীয়া সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ আজি চূড়ান্ত খেল অনুষ্ঠিত কৰা হয়। বেংগালুৰু এফ চি ফুটবল দল আৰু বৰতেজপুৰ অগ্ৰগামী পুথিভঁৰাল দলৰ মাজত অনুষ্ঠিত হোৱা উক্ত চূড়ান্ত ফুটবল প্ৰতিযোগিতাখনি ১-১ গ'লৰ ব্যৱধানত অন্ত পৰে। পিচত ট্ৰাইবেকাৰ পদ্ধতিত বৰতেজপুৰ অগ্ৰগামী পুথিভঁৰাল দলে বেংগালৰু এফ চি ফুটবল দলক পৰাস্ত কৰি বিজয়ী হবলৈ সক্ষম হয়। খেলৰ অন্তত প্ৰতিযোগিতাখনিৰ বঁটাসমূহ খেলুৱৈ সকলক প্ৰদান কৰে বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু দক্ষিণ কামৰূপ ক্ৰীড়াসন্থাৰ প্ৰাক্তন উপ-সভাপতি তথা প্ৰতিযোগিতাৰখনিৰ ২য় পুৰস্কাৰ দাঁতা ৰাজেন্দ্ৰ নাথে। বঁটা প্ৰদান কৰি বিধায়ক হেমাংগ ঠাকুৰীয়াই খেলুৱৈ সকললৈ শুভেচ্ছা জ্ঞাপন কৰে আৰু উদগনি সূচক বক্তব্য প্ৰদান কৰে।

### ম'বাইলৰ ফ্লাচ্ লাইটতেই ভৰসা চিকিৎসক-ৰোগীৰ

# অন্ধকাৰত বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম আদৰ্শ চিকিৎসালয়

**অসম বাৰ্তা, লেঙটিছিঙা, ৬ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম আদৰ্শ চিকিৎসালয়ত নিশা হ'লেই নামি আহে অন্ধকাৰৰ সাম্ৰাজ্য। বিদ্যুৎ সংযোগ বিচ্ছিন্ন হোৱাৰ পাছত চিকিৎসকে, ৰোগীক ম'ম বাতিৰ পোহৰত বা ম'বাইলৰ ফ্লাচ্ লাইটৰ পোহৰত চিকিৎসা চলায় —এনে দৃশ্য সুলভ চিকিৎসালয়খনত। কালি পুৱাৰ পৰা বেয়া বতৰ আৰু বজ্ৰপাতৰ ফলত প্ৰায় ১৫ ঘণ্টা ধৰি বিদ্যুৎ সংযোগ সম্পূৰ্ণৰূপে বিচ্ছিন্ন হৈ আছিল অভয়াপুৰী সম জিলাৰ অন্তৰ্গত অঞ্চল সমূহত। ফলত চিকিৎসালয় খনৰ কৰ্তব্যৰত চিকিৎসক, নাৰ্চে ম'বাইলৰ পোহৰ বা ম'মবাতিৰ সহায়ত চিকিৎসা প্ৰদান কৰিবলগীয়া পৰিস্থিতি হৈছিল। এয়া এদিন- দুদিনৰ সমস্যা নহয়, এক দীঘলীয়া সমস্যা। কেতিয়াবা জেনেৰেটৰ বিকল, কেতিয়াবা তেলৰ অভাৱ। চিকিৎসালয়খনৰ দায়িত্বত থকা ড° অৱনী কুমাৰ শৰ্মাৰ বিৰুদ্ধেও গাফিলতি আৰু গুৰুত্বহীনতাৰ অভিযোগ উঠিছে। স্থানীয় লোকৰ মতে, সময়মতে জেনেৰেটৰ বা বিদ্যুৎ সুবিধা ঠিক-ঠাক ৰাখিবলৈ কোনো পদক্ষেপ লোৱা নাই ড° শৰ্মাই। তদুপৰিও চিকিৎসালয়খনত প্ৰয়োজনীয় ঔষধৰ অভাৱ দেখা যায়। স্থানীয় লোক এজনে মন্তব্য কৰেযে এই চিকিৎসালয়খনক আদৰ্শ চিকিৎসালয় বুলি কোৱা হয়, কিন্তু ব্যৱস্থাপনাৰ অভাৱত এইখন এক অন্ধকাৰ সাম্ৰাজ্যলৈ পৰিণত হৈছে। চিকিৎসালয়খনৰ বিদ্যুৎ, জেনেৰেটৰ আৰু ঔষধৰ যোগান সংক্ৰান্ত সমস্যাৰ সমাধানৰ বাবে জিলাৰ স্বাস্থ্য বিভাগে তৎক্ষণিক হস্তক্ষেপ কৰা দাবী স্থানীয় লোকৰ।

# বকোতো আৰ এছ এছৰ শতাব্দী বৰ্ষৰ উদ্বোধনী কাৰ্য্যক্ৰম পালনসংঘৰ সমৰ ক'লাৰ চালনা প্ৰদৰ্শন

**অসম বাৰ্তা, বকো, ৬ অক্টোবৰ ঃ** ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ শতাব্দী বৰ্ষৰ উদ্বোধনী কাৰ্য্যক্ৰম কামৰূপ জিলাৰ বকোতো পালন কৰা হয়। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ উদ্যোগত বকো নগৰ সমিতি আৰু বনগাঁও খণ্ডৰ সহযোগত বকোস্থিত সুঁৱৰীক্ষেত্ৰত আজি আয়োজন কৰে সংঘৰ শতাব্দী বৰ্ষ ২০২৫/২৬ৰ কাৰ্য্যসূচী। আৰ এছ এছৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ সংঘ চালক বিশ্বনাথ গয়াৰী আৰু কাৰ্য্যবাহ কবিন্দ্ৰ ভাগৱতী আৰু বকো নগৰ সমিতিৰ কাৰ্য্যবাহ হুমেশ্বৰ শৰ্মাই জনোৱা মতে অনুষ্ঠানত গুৱাহাটী বিভাগৰ কৰ্মী বিৰাজ মেধি, বকোৰ যুৱ নেতা কাম্বু ৰাম ৰাভা, বিজেপিৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ সম্পাদক মৃণ্ময় বড়ো, প্ৰহ্লাদ বিশ্বাস, জ্যেষ্ঠ সমাজ কৰ্মী তথা বকো থানা নাগৰিক সমিতিৰ সভাপতি বিনোদ দত্ত শৰ্মা, শিক্ষক নৰেন শৰ্মা, শংকৰদেৱ শিশু বিদ্যা নিকেতন ডাকুৱাপাৰাৰ প্ৰধান আচাৰ্য্য বিজন কুমাৰ ৰাভাকে ধৰি বহু সংখ্যক বিশিষ্ট সমাজ কৰ্মীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত আৰ এছ এছৰ নীতি আদৰ্শৰ ওপৰত আলোকপাত কৰা হয়। শতবাৰ্ষিকী সমাৰোহ শুভাৰম্ভ অনুষ্ঠানত যোগদান কৰি গুৱাহাটী বিভাগৰ কৰ্মী বিৰাজ মেধিয়ে ৰাষ্ট্ৰ নিৰ্মাণত নতুন প্ৰজন্মৰ ভূমিকা, কৰ্তব্য আৰু ত্যাগৰ ওপৰত বহল ব্যাখ্যা দাঙি ধৰে। লগতে আৰ এছ এছৰ শতাব্দী বৰ্ষৰ কাৰ্য্যব্যৱস্থাৰ ওপৰত আলোকপাত কৰে।

# দৈয়াং আঞ্চলিক মইনা পাৰিজাতৰ উদ্যোগত শিশুসকলৰ চিত্ৰাংকন, ঠাইতে লিখা সাহিত্য প্ৰতিযোগিতা

**অসম, বাৰ্তা, মেৰাপানী, ৬ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ মেৰাপানী থানাৰ অন্তৰ্গত নৱগঠিত দৈয়াং আঞ্চলিক মইনা পাৰিজাতৰ উদ্যোগত আজি দৈয়াংৰ বিভিন্ন শাখাৰ মইনা পাৰিজাতৰ মইনা সকলৰ মাজত স্বৰচিত ঠাইতে লিখা কবিতা, গল্প, প্ৰবন্ধ, সাধু লিখা ৰচনা আৰু চিত্ৰাংকণ প্ৰতিযোগিতা আয়োজন কৰা হয়। অনুষ্ঠানটীত গোলাঘাট জিলা মইনা পাৰিজাতৰ হৈ প্ৰতিযোগিতা সমূহৰ পৰ্যবেষক হিচাপে উপস্থিত থাকে সুনিল গগৈ, দৈয়াং আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি কেশৱ চন্দ্ৰ ফুকন, কাৰ্যকৰী সভাপতি, অজিত শইকীয়া, সাধাৰণ সম্পাদক, ভদ্ৰেশ্বৰ, সম্পাদক, ৰূপাংকৰ বৰুৱা, আলোক সন্ধানী শাখা সাহিত্য সভাৰ সভাপতি মদন গগৈ, গোলাঘাট জিলা চুতীয়া ছাত্ৰ সন্থাৰ কাৰ্যকৰী সভাপতি লোহিত শইকীয়া, সংবাদ কৰ্মী জোন গগৈ, শাখা মইনা পাৰিজাতৰ পৰিচালক পৰিচালিকা সকলৰ লগতে দৈয়াংৰ শিশুপ্ৰেমী ৰাইজ।

### তিনিমহীয়া কাব্যালোচনী 'সঁজাল' উন্মোচন আৰু সঁজাল কাব্য বঁটা-২০২৪ প্ৰদান

# শিৱসাগৰ জিলা কবি সন্মিলনৰ অধিৱেশন সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৬ অক্টোবৰ ঃ** সদৌ অসম কবি সন্মিলনৰ প্ৰতিষ্ঠাপক, পথাৰৰ কবি ৰাম গগৈদেৱৰ লক্ষ্য আৰু উদেশ্যক সাৰোগত কৰি শিৱসাগৰ জিলা কবি সন্মিলনৰ বিভিন্ন শাখাৰ প্ৰায় ডেৰ শতাধিক প্ৰতিনিধি, কাৰ্যকৰী সদস্য-সদস্যা আৰু শতাধিক সদৌ অসম কবি সন্মিলনৰ আজীৱন সভ্যৰ উপস্থিতিত শিৱসাগৰ জিলা কবি সন্মিলনৰ উদ্যোগত আৰু শিৱসাগৰ কবি চক্ৰৰ আতিথ্যত শিৱসাগৰ জিলা কবি সন্মিলনৰ অষ্টাদশ দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশনখনি ৫ অক্টোবৰ, ২০২৫ তাৰিখে দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে 'ঐক্য'ৰ প্ৰেক্ষাগৃহত সম্পন্ন হৈ যায়। শিৱসাগৰ জিলা কবি সন্মিলনৰ সভাপতি মুকুল নাথ ডাঙৰীয়াই পুৰা পতাকা উত্তোলন কৰাৰ পাছতেই সুধাকণ্ঠ ভূপেন হাজৰিকা, সদৌ অসম কবি সন্মিলনৰ জন্মদাতা 'পথাৰৰ কবি' ৰাম গগৈ, সদ্যপ্ৰয়াত অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে জিলা সমিতিৰ প্ৰাক্তন সভাপতি তথা সঁজাল কাব্যালোচনীৰ মুখ্য সম্পাদক কবি ব্ৰজেন দাস, প্ৰাক্তন সম্পাদক সুৰেশ ভূঞা আৰু জিলাৰ উপ সভাপতি ৰবীন বৰঠাকুৰে। শিৱসাগৰ কবি চক্ৰৰ সভাপতি অশ্ৰুমনি দত্ত ঘোষে আঁতধৰা মুকলি সভাৰ আৰম্ভণিতে সমবেত সংগীত পৰিবেশন কৰে নাজিৰা শাখা কবি সন্মিলনৰ শিল্পীসকলে আৰু মুকলি সভাত সভাপতিত্ব কৰে শিৱসাগৰ জিলা কবি সন্মিলনৰ বিদায়ী সভাপতি মুকুল নাথ দেৱে, উদ্দেশ্য ব্যাখ্যা আগবঢ়াই ভাৰপ্ৰাপ্ত সম্পাদক প্ৰাঞ্জল আবিৰ দাসে। "কাব্যধ্বনি অসম"ৰ মুখ্য সম্পাদক যোগেশ বিকাশ গগৈ দেৱে উদ্বোধন কৰা মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট লেখক তথা জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়া ডাঙৰীয়াই। তেওঁ 'কাব্যগুঞ্জন' শীৰ্ষক পত্ৰিকাখন উন্মোচন কৰে। মুকলি সভাৰ বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি নগাঁও জিলা কবি সন্মিলনৰ সভাপতি দুৰ্গেশ্বৰ বৰকটকী ডাঙৰীয়া, "কাব্যধ্বনি অসম"ৰ সম্পাদক লক্ষ্মী ফিল'বাৰী ডাঙৰীয়া, সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সম্পাদক পৱন শৰ্মা ডাঙৰীয়া, মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ অধ্যাপক ড° মৃদুল কুমাৰ দহোটীয়া ডাঙৰীয়া, নগাঁও জিলা কবি সন্মিলনৰ সম্পাদক দ্বীপজ্যোতি কাকতি ডাঙৰীয়া, বিশিষ্ট বুৰঞ্জীবিদ নবীন বুঢ়াগোহাঁই উপস্থিত থাকি বক্তব্য আগবঢ়ায়। উক্ত অনুষ্ঠানতে আন্তঃৰাষ্ট্ৰীয় শিক্ষক দিৱসৰ সৈতে সংগতি ৰাখি শিক্ষক অনিল পাংগিং দেৱ, ড° প্ৰশান্ত কুমাৰ চুতীয়া দেৱ, ৰবীন ফুকন ডাঙৰীয়া, ৰাজীৱ দত্ত দেৱ, অসীম বুঢ়াগোহাঁই ডাঙৰীয়াক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আনহাতে ৰূদ্ৰসাগৰ নিবাসী অসম লোকসেৱা আয়োগৰ পৰীক্ষাত ৯৭ সংখ্যক স্থান লাভ কৰি কৃষি উন্নয়ন বিষয়া হিচাপে নিযুক্ত হোৱা বিদ্যুৎ জ্যোতি দাসক অভিনন্দন জনায়। বিগত সময়ছোৱাত সাংগঠনিক দক্ষতা আৰু কৰ্মৰাজিৰ বাবে শিৱসাগৰ কবি চক্ৰক শ্ৰেষ্ঠ আৰু নাজিৰা কবি সন্মিলনক দ্বিতীয় শ্ৰেষ্ঠ শাখাৰ সন্মান প্ৰদান কৰে। মুকলি সভাৰ পাছতে 'জুবিনক সুঁৱৰি কবিতা আবেলি' শীৰ্ষক কবিতাৰ অনুষ্ঠানটি উদ্বোধন কৰে জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মন ডাঙৰীয়াই। আনহাতে প্ৰাঞ্জল আবিৰ দাসৰ সম্পাদনাত নৱম বৰ্ষৰ চতুৰ্থ সংখ্যাৰ তিনিমহীয়া কাব্যালোচনী 'সঁজাল' উন্মোচন কৰে বিশিষ্ট কবি, সাহিত্যিক, সমালোচক তথা নাজিৰা মহাবিদ্যালয়ৰ অধ্যাপক ৰাজীৱ বৰাই। উক্ত অনুষ্ঠানতে সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন উপ-সভাপতি তথা বিশিষ্ট কবি হৰেন গগৈক 'সঁজাল কাব্য বঁটা ২০২৪' প্ৰদান কৰা হয়। বিশিষ্ট কবি বিজয় ৰবি দাসেদৰে সঞ্চালন কৰা কবি সন্মিলনত শিৱসাগৰৰ বিভিন্ন শাখাৰ পৰা প্ৰায় সত্তৰগৰাকী কবিয়ে কবিতা পাঠ কৰে। কবি, কল্পনা গোঁহাই গগৈ, দীপালী ৰাজকুমাৰী, বৃষ্টিৰাণী শইকীয়া, আৰু প্ৰাঞ্জল আবিৰে জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰি অনুষ্ঠানটো উপভোগ্য কৰি তোলে। আনহাতে পুৱা অনুষ্ঠিত প্ৰতিনিধি সভাত হেমন্ত ৰাজখোৱা সভাপতি, প্ৰাঞ্জল আবিৰ দাসক সম্পাদক হিচাপে লৈ আগন্তুক দুটা বৰ্ষৰ বাবে শিৱসাগৰ জিলা কবি সন্মিলন গঠন কৰা হয়। প্ৰতিনিধি সভাত নিম্নোক্ত প্ৰস্তাৱটি গ্ৰহণ কৰা হয় - "শিৱসাগৰ জিলা কবি সন্মিলনলৈ কোনো জাননী বা কাৰণ দৰ্শোৱাৰ সুযোগ নিদিয়াকৈ বৰ্তমানৰ সদৌ অসম কবি সন্মিলনৰ দুবছৰীয়া সমিতিখনে শিৱসাগৰ জিলাই স্বতন্ত্ৰবাবে কাম কৰি যোৱাত বাধা কৰি ভংগ কৰাৰ প্ৰেছ বিজ্ঞপ্তিৰ বিষয়টো তীব্ৰ বিৰোধিতা কৰে। লগতে জিলাৰ অন্তৰ্গত সকলো শাখাৰ সভাপতি সম্পাদকক অৱগত নকৰাকৈ আৰু শতাধিক আজীৱন সদস্যৰ মতামত নোলোৱাকৈ সৌ সিদিনা ডিমৌত গঠিত সমিতিখনক অবৈধ বুলি গণ্য কৰিবলৈ আজিৰ প্ৰতিনিধি সভাই সিদ্ধান্ত গ্ৰহণ কৰে আৰু আজি নৱ-নিৰ্বাচিত সমিতিখনে ৰাম গগৈৰ আদৰ্শৰে স্বতন্ত্ৰভাৱে আগবাঢ়ি যাব বুলি প্ৰস্তাৱ গ্ৰহণ কৰে।" আজি অনুষ্ঠানটিৰ সফলতাৰ আঁৰত থকা জিলা আৰু শাখাসমূহৰ প্ৰতিগৰাকী বিষয়ববীয়া তথা সদস্য আৰু কাব্য অনুৰাগীলৈ শিৱসাগৰ কবি চক্ৰৰ তৰফৰ পৰা সহৃদয়েৰে কৃতজ্ঞতা তথা শলাগৰ শৰাই আগবঢ়ায় কবি চক্ৰৰ সম্পাদক প্ৰশান্ত বৰগোঁহাঞিয়ে।

# ধুবুৰীত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ "শতাব্দী বৰ্ষ" উদ্বোধন কাৰ্যক্ৰম




**অসম বাৰ্তা, ধুবুৰী, ৬ অক্টোবৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে সংগতি ৰাখি যোৱা ৫ অক্টোবৰত ২০২৫ ধুবুৰী নগৰতো ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ "শতাব্দী বৰ্ষ" উদ্বোধন কাৰ্যক্ৰম অনুষ্ঠিত হয়। ধুবুৰীৰ নন্দলাল ভৱনত অনুষ্ঠিত কাৰ্যক্ৰমত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ধুবুৰী চহৰৰ বিশিষ্ট বয়োজেষ্ঠ নাগৰিক, গৌৰীপুৰ প্ৰমথেশ বৰুৱা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক তথা নিখিল ভাৰত বংগীয় সাহিত্য সন্মেলনৰ প্ৰাক্তন সহ সভাপতি শ্ৰীযুত দেৱাশিস ভট্টাচাৰ্য। অনুষ্ঠানত বৌদ্ধিক প্ৰদান কৰে উত্তৰ অসম প্ৰান্তৰ প্ৰচাৰ প্ৰমুখ শ্ৰীযুত কিশোৰ শিৰমে। ধুবুৰী নগৰৰ ১০খন ৱাৰ্ডৰ প্ৰায় ২৯১ গৰাকী স্বয়ংসেৱকে অনুষ্ঠানটোত অংশগ্ৰহণ কৰি বিভিন্ন ধৰণৰ শাৰীৰিক ব্যায়াম আদি প্ৰদৰ্শন কৰে। ধুবুৰী নগৰৰ এক বুজন পৰিমাণৰ মাতৃ শক্তি, বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত থকা বিভিন্ন জাতি জনগোষ্ঠীৰ মুৰব্বী সকলৰ লগতে সমাজৰ সকলো স্তৰৰ নাগৰিকে অনুষ্ঠানটোত উপস্থিত তথা অংশগ্ৰহণ কৰা পৰিলক্ষিত হৈছে। অনুষ্ঠানটোত ধুবুৰী নগৰৰ প্ৰায় তিনি শতাধিক পুৰুষ-মহিলা উপস্থিত থাকে বুলি জানিবলৈ পোৱা যায়। দেওবাৰৰ দিনটোত সমগ্ৰ ধুবুৰী জিলাৰ মুঠ ১৪টা স্থানত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ শতাব্দী বৰ্ষ উদযাপন অনুষ্ঠিত কৰা হয় বুলি ধুবুৰী নগৰ সংঘ চালক ধ্ৰুৱ চক্ৰৱৰ্তীয়ে জনায়।

### চীল কৰিলে অনুজ্ঞাপত্ৰ নথকা পেট্ৰ'ল পাম্প

# নগাঁৱৰ উৰিয়াগাঁও পেট্ৰ'ল পাম্পত প্ৰশাসনৰ অভিযান

**অসম বাৰ্তা, নগাঁও, ৬ অক্টোবৰ ঃ** খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অন্তৰ্গত বৈধ পৰিমাপ বিজ্ঞান (লিগেল মেট্ৰ'লজী)ৰ নিয়ন্ত্ৰক, নগাঁও জিলাৰ শাখাই আৰম্ভ কৰা পৰিদৰ্শন কাৰ্যসূচীৰ অংশস্বৰূপে, জিলাখনৰ উৰিয়াগাঁও চ'কৰ সমীপত অৱস্থিত ইণ্ডিয়ান অইলৰ পাম্পটোত বিভিন্ন সময়ত উৎখাপিত হোৱা অনিয়মৰ অভিযোগৰ ভিত্তিত আজি নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই তেল ডিপুটোত আকস্মিক পৰিদৰ্শন কৰে। এই পৰিদৰ্শন সময়ত জিলা আয়ুক্ত গৰাকীৰ লগত অতিৰিক্ত আয়ুক্ত শৌভিক ভূঞা, জিলা খাদ্য বিষয়া আৰু জিলা বৈধ পৰিমাপ বিজ্ঞান শাখাৰ বিষয়া সকল উপস্থিত থাকে। পৰিদৰ্শনকালত তেল ডিপুটো বৈধ অনুজ্ঞাপত্ৰ অবিহনে চলাই থকা আৰু গ্ৰাহকসকলক সঠিক পৰিমাণৰ তেল প্ৰদান নকৰাৰ কথা তথ্যসহ পোহৰলৈ আহে। জিলা আয়ুক্তই তেলজোখা সঁজুলিৰ জৰিয়তে তেলৰ পৰিমাণ পৰীক্ষা কৰাৰ লগতে বৈধ অনুজ্ঞাপত্ৰ অবিহনে ডিপুটো চলাই থকা বিষয়টি লক্ষ্য কৰি লগতে উপভোক্তাসকলৰ সুৰক্ষা আৰু আইনী প্ৰক্ৰিয়া সুনিশ্চিত কৰাৰ উদ্দেশ্যেৰে, বৈধ পৰিমাপ বিজ্ঞান (লিগেল মেট্ৰ'লজী) বিভাগৰ দ্বাৰা পৰৱৰ্তী তদন্তৰ বাবে সম্পূৰ্ণ তেল ডিপুটো জব্দ (ছীল) কৰে।

# আমগুৰি সমষ্টি বিলুপ্তিকৰণৰ বিৰুদ্ধাচৰণ কৰি গোচৰৰ সন্মুখীন হোৱা আন্দোলনকাৰী নেতৃত্বক দোষমুক্ত ঘোষণা আদালতৰ

**অসম বাৰ্তা, আমগুৰি, ৬ অক্টোবৰ ঃ** আমগুৰি সমষ্টি বিলুপ্তিকৰণৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাৰ অভিযোগত গোচৰত সন্মুখীন হোৱা সাতগৰাকী নেতাক আদালতে নিৰ্দোষী ঘোষণা কৰিছে। ২০২৩ চনৰ সমষ্টি পুনৰনিৰ্ধাৰণত শিৱসাগৰ জিলাৰ আমগুৰি সমষ্টিয়ো বিলুপ্তসাধন কৰা হৈছিল। সমষ্টি বিলুপ্তকৰনৰ প্ৰতিবাদত হোৱা আন্দোলনক নেতৃত্ব দিয়াৰ অভিযোগত জিলা প্ৰশাসনে আকাশ শইকীয়া, ৰিতঙমণি হাজৰিকা, গৌতম দিহিঙীয়া, উদয়াদিত্য বড়া, প্ৰদ্যুৎ গগৈ, পল্লৱ শইকীয়া আৰু প্ৰমোদ ভুৱন ফুকনৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধি আইনৰ ১৪৩/ ১২০৩/ ১৮৬/ ৩৪১/ ৩৪২/ ৩৫৩/ ৫০৬/ ৩০৬ আদি একাধিক ধাৰাৰ অধীনত ২১৯/২০২৩ নম্বৰৰ এক গোচৰ ৰুজু কৰে। ২০২৩ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা শিৱসাগৰৰ চিভিল জজ (জুনিয়ৰ ডিভিজন) আদালতত এই গোচৰৰ বিচাৰ চলে। প্ৰায় দুটা বছৰ ধৰি চলা আই নীযুঁজৰ পিছত আজি শিৱসাগৰ চিভিল জজ (জুনিয়ৰ ডিভিজন)ৰ মহামান্য আদালতে আটাইকেউগৰাকী অভিযুক্তকে দোষমুক্ত ঘোষণা কৰে। উক্ত গোচৰটোত অভিযুক্ত সকলৰ হৈ আদালতত যুক্তি প্ৰদৰ্শন কৰিছিল অধিবক্তা সঞ্জয় শৰ্মাই।

# ৰাভা গণ মঞ্চৰ হাগ্ৰামা মহিলাৰীক অভিনন্দন

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৬ অক্টোবৰ ঃ** ৰাভা জাতীয় উমৈহতীয়া মঞ্চ ৰাভা গণ মঞ্চ, বিটিচিয়ে বিটিচিৰ পঞ্চম পৰিষদীয় নিৰ্বাচনত ২৮খন আসনেৰে একক সংখ্যা গৰিষ্ঠতা লাভ কৰি বিটিচিৰ মছনদ দখল কৰা বিপিএফৰ সভাপতি তথা নৱ নিৰ্বাচিত বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী, উপ মুখ্য কাৰ্যবাহী সদস্য ৰিহণ দৈমাৰী, প্ৰতিগৰাকী কাৰ্যবাহী সদস্য আৰু নিৰ্বাচিত পাৰিষদসকলক আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। ৰাভা গণ মঞ্চৰ সভাপতি হৰকান্ত ৰাভা আৰু সাধাৰণ সম্পাদক পূৰ্ণ সিং ৰাভা স্বাক্ষৰিত এক প্ৰেছ বিবৃতিযোগে হাগ্ৰামা মহিলাৰীক আন্তৰিক অভিনন্দন জনোৱাৰ লগতে বিটিচিৰ মুখ্য কাৰ্যবাহী হিচাপে পাই অতিশয় আনন্দিত বুলি জানিবলৈ দিয়ে।

# পুৰণিগুদামৰ কাষৰিগাঁৱত শিল্পী যজ্ঞজ্যোতি বৰাই নিৰ্মাণ কৰিছে এঘাৰ ফুট উচ্চতাৰ জুবিন গাৰ্গৰ পূৰ্ণাংগ প্ৰতিমূৰ্ত্তি

### হোজাই জিলাৰ ২ নং কাকীত প্ৰতিষ্ঠা হ'ব প্ৰতিমূৰ্ত্তিটো

### কাঁচ ফাইবাৰেৰে নিৰ্মাণ হোৱা সু-বিশাল প্ৰতিমূৰ্ত্তি দুশ বছৰ পৰ্যন্ত থাকিব ৰ'দ-বৰষুণত

**অসম বাৰ্তা, পুৰণিগুদাম, ৬ অক্টোবৰ ঃ** হোজাই জিলাৰ ২ নং কাকীৰ নিবাসী দীপক বৰা আৰু নিপা বৰাৰ পুত্ৰ যজ্ঞজ্যোতি বৰাই নিৰ্মাণ কৰিছে বিশিষ্ট কণ্ঠশিল্পী জুবিন গাৰ্গৰ ১১ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি। সম্পূৰ্ণ নিজা খৰচত নিৰ্মাণ কাৰ্য চলাই থকা এই বিশাল প্ৰতিমূৰ্ত্তিত দহ লাখৰো অধিক টকা খৰচ হ'ব। পুৰণিগুদামৰ কলঙৰ বাকৰি কাষৰিগাঁৱত থকা যজ্ঞ প্ৰতিষ্ঠানৰ কাৰখানাৰ চৌহদত নিৰ্মাণ কাৰ্য চলাই থকা এই প্ৰতিমূৰ্তিটোৰ কাম ইতিমধ্যে আশী শতাংশৰ সম্পূৰ্ণ হৈছে। নিজে দিনে নিশাই লাগি থাকি আন দহজন সহযোগীৰ সৈতে অসমীয়া ৰাইজৰ হিয়াৰ আমঠু শিল্পীগৰাকীৰ প্ৰতি থকা অপৰিসীম ভালপোৱা আৰু শ্ৰদ্ধা, ভক্তিৰ বাবে শিল্পীজনৰ হাতৰ পৰশত প্ৰাণ পাই উঠিছে জুবিন গাৰ্গৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি। পুৰণিগুদামৰ কলঙৰ পাৰৰ কাষৰিগাঁৱত নিৰ্মাণ হৈ থকা প্ৰতিমূৰ্তিটোৰ কাম সম্পূৰ্ণ হ'লেই শিল্পীগৰাকীয়ে তেওঁৰ জন্মভূমি ২ নং কাকীত প্ৰতিষ্ঠা কৰিব। কাঁচ ফাইবাৰৰ জৰিয়তে অতি ব্যয় বহুলভাৱে নিৰ্মাণ হ'ব লগা এই প্ৰতিমূৰ্তিটো দুশ বছৰ পৰ্যন্ত বেয়া নহয় বুলি জনালে শিল্পীগৰাকীয়ে।

# নাহৰকটীয়াত মহিলা বজাৰ শুভাৰম্ভ

**অসম বাৰ্তা, নাহৰকটীয়া, ৬ অক্টোবৰ ঃ** উজনি অসমৰ অন্যতম বাণিজ্যস্থলী হিচাপে পৰিচিত নাহৰকটীয়াৰ মহিলাসকলক স্ব-নিৰ্ভৰশীল কৰাৰ লক্ষ্যৰে পোন প্ৰথমবাৰৰ বাবে নাহৰকটীয়াত মুকলি কৰা হল এখন মহিলা বজাৰ। দেওবাৰে নাহৰকটীয়াৰ নগাঁও তিনিআলিস্থিত সাপ্তাহিক বজাৰস্থলীত আনুষ্ঠানিকভাৱে ফিটা কাটি এই মহিলা বজাৰখন উদ্বোধন কৰে নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈয়ে। মণিকাঞ্চন মণ্ডল পৰ্যায়ৰ সংগঠনৰ সৌজন্যত জাগৰণ আৰু লভিমা মণ্ডল পৰ্যায়ৰ সংগঠনৰ সৌজন্যত মুকলি হোৱা এই মহিলা বজাৰখনত প্ৰায় ৭০খন বিপনীত ঘৰুৱা জৈৱিক শাক-পাচলিৰ লগতে ঘৰুৱাভাৱে উৎপাদিত বিভিন্ন সা-সামগ্ৰী মহিলা সকলে বিক্ৰী কৰে। এতিয়াৰ পৰা প্ৰতি সপ্তাহৰ দেওবাৰে বহিব এই মহিলা বজাৰখন। নাহৰকটীয়া উন্নয়ন খণ্ড আৰু নাহৰকটীয়া পৌৰ সভাই যুটীয়া ভাৱে এই বজাৰখন পৰিচালনা কৰিব বুলি উল্লেখ কৰি বিধায়ক তৰংগ গগৈয়ে এই মহিলা বজাৰখনে উদ্যমী মহিলাসকলক আত্মনিৰ্ভৰশীল হোৱাৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাব বুলি উল্লেখ কৰে।

### গেলেকীত জুবিনৰ আদ্যশ্ৰাদ্ধ অনুষ্ঠান

**অসম বাৰ্তা, গেলেকী, ৬ অক্টোবৰ ঃ** গেলেকী জাতীয় দল- সংগঠন তথা ৰাইজৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয় সদ্য প্ৰয়াত সকলোৰে হিয়াৰ আমঠু জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ অনুষ্ঠান। গেলেকী চাৰি আলিত অনুষ্ঠিত হয় এই অনুষ্ঠানৰ। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পুৱা ৮ বজাত আৰম্ভ হয় শিল্পী গৰাকীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি। য'ত গেলেকী অঞ্চলৰ বহু লোকে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পুৱা ৯ বজাত শৰাই অৰ্পণ কাৰ্যসূচীৰ পিছতেই আৰম্ভ হয় নাম প্ৰসঙ্গৰ। দিনৰ ১ বজাত অনুষ্ঠিত হয় স্মৃতিচাৰণ সভা। এই কাৰ্যসূচীত স্থানীয় বহু লোক উপস্থিত থাকে। উপস্থিত সকলোৰে প্ৰাণৰ শিল্পী গৰাকীৰ আত্মাৰ সদ্গতিৰ অৰ্থে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰে। সন্ধিয়া ৫ বজাত শিল্পী গৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ সামৰণি পৰে।

# ৫০ সংখ্যক ৰাষ্ট্ৰীয় চিনিয়ৰ যোগাসন ক্ৰীড়া প্ৰতিযোগিতালৈ অসম দল

**অসম বাৰ্তা, বঢ়মপুৰ, ৬ অক্টোবৰ ঃ** কৰ্ণাটিকৰ মহীশূৰত ৯ অক্টোবৰৰ পৰা ১২ অক্টোবৰলৈ অনুষ্ঠিত হ'বলগীয়া ৫০ সংখ্যক ৰাষ্ট্ৰীয় চিনিয়ৰ যোগাসন ক্ৰীড়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে অসম দলটো আজি ৰাওনা হয়। অসম যোগ সংস্থাৰ সাধাৰণ সম্পাদক, যোগগুৰু প্ৰভাত চন্দ্ৰ বৰাই জনোৱা মতে আজি ৰাওনা হোৱা অসম দলটোৰ খেলুৱৈসকল হ'ল প্ৰিয়ম বৰা, ঈশান বৰা, আয়ুষমান মেহতা, অংকিতা দত্ত, হোনালি হাঙ্গেপি, জ্ঞানদীপ শইকীয়া, নিকিতা কোঁচ, প্ৰণৱ চাংমাই, নম্ৰতা শইকীয়া, ধ্ৰুৱ জ্যোতি হাজৈ, পপী দেৱী, বিনয় তিৱাৰী, ধ্ৰুৱজ্যোতি চৌধুৰী, পম্পী শইকীয়া, অঞ্জু মণ্ডল, দলিচা মেধি বৈশ্য, প্ৰাণজিৎ কলিতা, ৰাজীৱ কুমাৰ মণ্ডল, অংকাৰ জ্যোতি নাথ, পাপৰি দেৱী, কল্পনা দেৱী ঠাকুৰ, গৌৰী মণ্ডল, নৱজ্যোতি নাথ, আৰু মণিময় দাস। ৰেফাৰী ৰূপে বিচিত্ৰ ৰঞ্জন বৰা, জয়া ৰাণী ডেকা, নৱলক্ষ্মী গগৈ, সীতামণি পাচৱান, মামু বায়ন, বিদ্যা ইংতি, ডা ভাৰতী বসুমতাৰী, কবিতা বৰা, পুষ্পাঞ্জলী শইকীয়া আদি।

## শুদ্ধ মতাদৰ্শৰ অভাৱতে

উৎসৱত মহন্তক প্ৰশংসাৰে ওপচাই উদাত্ত ভাষণ দি এতিয়া বিতৰ্কৰ আৱৰ্তত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা। উৎপল শৰ্মাই নিজে ফেচবুকত আপলোড কৰা ভাষণৰ ভিডিঅ'টো সামাজিক মাধ্যমত বিয়পি কৰিছে। ইতিমধ্যে উৎপল শৰ্মাই ভাষণৰ ভিডিঅ'টো সামাজিক মাধ্যমৰ পৰা ডিলিট কৰিছে। উৎপল শৰ্মাই ডিলিট কৰিলেও অখিল গগৈয়ে আপলোড কৰিছে শ্যামকানু মহন্তৰ ৰঙালীত শৰ্মাই দিয়া উদাত্ত ভাষণৰ ভিডিঅ'টো। এই ভাষণ প্ৰসংগতে ৰাইজৰ দলৰ বিধায়ক তথা দলটোৰ সভাপতি অখিল গগৈয়ে উৎপল শৰ্মালৈ এখন ৰাজহুৱা চিঠি লিখিছে। "মৰমৰ উৎপল, মৰম ল'বা" বুলি ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মালৈ লিখা মুকলি চিঠিখনত অখিল গগৈয়ে উৎপলে Superlative degree ত শ্যামকানু তথা ৰঙালীক ভাষণটিত প্ৰশংসাৰে ওপচাই দিছিল বুলি মন্তব্য কৰিছে। অখিল গগৈয়ে লিখিছে, 'ৰঙালী'ৰ মঞ্চত একেলগে আছুৰ সভাপতি তুমি উৎপল শৰ্মা, নৰ্থ-ইষ্ট ফেষ্টিভেলৰ মালিক শ্যামকানু মহন্ত আৰু কেইজনমান জনগোষ্ঠীয় নেতাৰ এটা ভিডিঅ' পালো, য'ত তুমি এটা উদাত্ত ভাষণ দিছা। আছুৰ সভাপতি উৎপল শৰ্মাৰ আনুষ্ঠানিক ভাষণ আছিল সেইটো। তুমি ৰঙালীৰ মঞ্চত শ্যামকানুৰ ৰঙালীক অসমৰ সামাজিক-সাংস্কৃতিক জগতৰ এক আন্দোলনৰ নাম বুলি ঘোষণা কৰিছা। তোমাৰ মতে ৰঙালী বোলে কোনো ধুমুহাতে উভালি নপৰে! ছাত্ৰ সন্থা বোলে সদায়ে শ্যামকানু মহন্তৰ লগত থাকিব, সফলতাৰ আকাশ চুমিবলৈ! Superlative degree ত তুমি শ্যামকানু তথা ৰঙালীক প্ৰশংসাৰে ওপচাই পঠিয়াইছা। কথাখিনি এতিয়া শুনিলে চাগৈ উৎপল তোমাৰো অস্বস্তি অনুভৱ হয়, নহয়নে?" "উৎপল, মই তোমাতকৈ জ্যৈষ্ঠ, সেইবাবে কথা এটা কওঁ। মানুহক সদায়ে সেইবাবেই শুদ্ধ মতাদৰ্শ লাগে। শুদ্ধ মতাদৰ্শ সদায়ে প্ৰগতিশীল। প্ৰগতিশীল মতাদৰ্শই আমাৰ মাজত যুক্তিপূৰ্ণ, সমালোচনাত্মক, critical চিন্তাৰ জন্ম দিয়ে। সমাজখনক, ঘটনা এটাক জনগণৰ, নিঃস্বজনৰ দৃষ্টিভংগীৰে, সমাজৰ গৰিষ্ঠসংখ্যক ৰাইজৰ আৰু তেওঁলোকৰ সাংস্কৃতিক মানৰ মানে way of life দৃষ্টিকোণৰ পৰা চিন্তা কৰাৰ সামৰ্থ্য দিয়ে। যিমান শিক্ষিত হ'লেও কাম নাই, যিমানে পৰিশ্ৰমী হ'লেও ফলাফল শূন্য, যদিহে মানুহৰ বা দল-সংগঠনৰ শুদ্ধ মতাদৰ্শ নাথাকে। সদৌ অসম ছাত্ৰ সন্থাৰ বিপদ এইটোৱে। শুদ্ধ মতাদৰ্শৰ অভাৱতে আছুৰ পৰা বহুত পায়ো অসমে সৰ্বশেষত একো নাপায়গৈ, ওলোটাই আন্দোলনবোৰৰ পৰা অসমৰ সংহতি আৰু সমন্বয়ৰ প্ৰতি বিপদ নামি আহে।" আছুৰ সভাপতি উৎপল শৰ্মালৈ দিয়া পত্ৰখনত অখিল গগৈয়ে জুবিন গাৰ্গৰ ৰাজনৈতিক আদৰ্শক লৈ এটা বিশেষ মন্তব্য কৰিছে। জুবিনদা স্বঘোষিত সমাজবাদী আদৰ্শৰ আছিল বুলি কৈ অখিল গগৈয়ে উৎপল শৰ্মাক উদ্দেশ্যি পত্ৰখনত কৈছে, "চোৱা উৎপল, আমাৰ আধুনিক অসমৰ আটাইকেইজন কাণ্ডাৰী-জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ, ভূপেন হাজৰিকা আটাইকেইজন প্ৰগতিশীল মতাদৰ্শৰ আছিল। আনকি আমাৰ জুবিনদা স্বঘোষিত সমাজবাদী আদৰ্শৰ। সেইবাবে অসমীয়া জাতিৰ জাতীয় মতাদৰ্শ প্ৰগতিশীল হ'ব লাগে। নহয়নে?" "শ্যামকানুৰ পৰা যি বিপদ, জাতিৰ একেই বিপদ তোমাৰ আমাৰ পৰাও হ'ব পাৰে উৎপল, যদিহে আমি সঠিক দৃষ্টিভংগী ল'ব নোৱাৰো "বুলি লগতে অখিল গগৈয়ে কয়। উৎপল শৰ্মাৰ দক্ষতাক প্ৰশংসা কৰিলেও অখিল গগৈয়ে মন্তব্য কৰিছে আছুৰ আদৰ্শই শ্যামকানুৰ দৰে মানুহক জটিল দৃষ্টিভংগীৰে চাবলৈ শিকোৱা নাই তেওঁলোকে। আছুৰ সভাপতিগৰাকীক অখিল গগৈৰ মন্তব্য, "বেয়া নাপাবা, কথা এটা কওঁ, তোমাৰ বুদ্ধিমত্তা আছে, কিছু পঢ়া-শুনাও আছে যেন লাগে, তুমি ধুনীয়া ভাষণ দিয়া, কিন্তু সঠিক মতাদৰ্শ, সঠিক দৃষ্টিভংগী নাই। ওপৰৰ কথাখিনি তুমি ধুনীয়াকৈ কৈছা, কিন্তু বেঠিক ঠাইত কৈছা, বেঠিক মানুহৰ ক্ষেত্ৰত কৈছা, তোমাৰ মতাদৰ্শই তোমাক শ্যামকানু মহন্তৰ দৰে মানুহৰ প্ৰতি critical হ'বলৈ শিকোৱা নাই।" আছু অসমৰ আটাইতকৈ প্ৰভাৱশালী জাতীয় সংগঠন হৈও সঁচাকৈ জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা, ভূপেন হাজৰিকাৰ ৰূপান্তৰক ৰূপায়ণ আছুৰ দ্বাৰা অসম্ভৱ বুলি মন্তব্য অখিল গগৈৰ। ইফালে শৰ্মাই পত্ৰখনত কয়, "চিঠিখনত আপুনি দুটা বিষয় উত্থাপন কৰিছে। প্ৰথমে শ্যামকানু মহন্তৰ "ৰঙালী" অনুষ্ঠানত আমাৰ বক্তব্যৰ বিষয়ে উল্লেখ কৰিছে। দ্বিতীয়তে সামূহিকভাৱে সদৌ অসম ছাত্ৰ সন্থাৰ মতাদৰ্শ সন্দৰ্ভত প্ৰশ্ন তুলিছে। তাৰেই আঁত ধৰি ব্যক্তিগতভাৱে মোৰ আৰু ড° সমুজ্জ্বল ভট্টাচাৰ্য্য ডাঙৰীয়াৰ আদৰ্শগত স্থিতি সন্দৰ্ভতো একাষাৰ লিখিছে। সেয়ে চিঠিখন পঢ়ি আমাৰ মনলৈ অহা কথাখিনিও দুভাগতে লিখিবলৈ থিৰাং কৰিলোঁ।" তেওঁ কয়, "প্ৰথম আহোঁ, 'ৰঙালী' অনুষ্ঠানৰ প্ৰসংগলৈ। 'ৰঙালী'লৈ মই এবাৰেই গৈছিলোঁ, তাকো ২০২৪ চনৰ জুন মাহতে, খানাপাৰা ফিল্ডত। বোধহয় সেয়া দশম সংস্কৰণ। মই সেই মঞ্চত "ৰঙালী" অনুষ্ঠানৰ প্ৰশংসা কৰাটো সঁচা; সেই প্ৰশংসাৰ আধাৰ আছিল অনুষ্ঠানটোত সমাহাৰ ঘটা বিভিন্ন জনগোষ্ঠীয় সংস্কৃতিৰ প্ৰতিফলন, থলুৱা খাদ্য আৰু বস্ত্ৰশিল্পৰ বিপণন আদি। "আমি একেলগে আছিলোঁ, একেলগে আছোঁ, একেলগে থাকিম। হাতে হাত ধৰি আগবাঢ়িম; সফলতাৰ আকাশ চুমিম।" - এই কথাখিনি তাত উপস্থিত হাজাৰ হাজাৰ দৰ্শকক উদ্দেশ্যহে কোৱা হৈছিল। শ্যামকানু মহন্তৰ বাবে নহয়। মই মোৰ প্ৰতিটো ৰাজহুৱা বক্তব্যৰ অন্তত এই বাক্যকেইটা কওঁ। আপুনি বোধহয় জীৱনত প্ৰথম মোৰ বক্তব্য শুনিলে বাবে ভুলকৈ ভাবিলে! অথবা শুদ্ধকৈ বুজি ভুলকৈ ব্যাখ্যা কৰিছে যদিও মই নাজানো।" তেওঁ লগতে কয়, "সেই সময়ত আমাৰ এই ভৱিষ্যৎ দৰ্শনৰ উপায় নাছিল যে যিজন জুবিন গাৰ্গ সেই "ৰঙালী" অনুষ্ঠানৰে নিয়মীয়াকৈ জড়িত আছিল, যিজন শিল্পীক শ্যামকানু মহন্তই নিজৰ মেৰুদণ্ড আখ্যা দিছিল সেইজন জুবিন গাৰ্গকে চূড়ান্ত অৱহেলা কৰি মৃত্যুৰ মুখলৈ ঠেলি দিব। সেই কথা আগতীয়াকৈ জনাৰ উপায় থাকিলে মইতো দূৰৰে কথা কোনো মন্ত্ৰী, আমোলা, আৰক্ষী বিষয়া, জনগোষ্ঠীয় সংগঠনৰ নেতৃবৰ্গ, শিল্পী, সাহিত্যক, বুদ্ধিজীৱী কাহানিও তেওঁৰ অনুষ্ঠানলৈ নগ'লহেঁতেন। তেতিয়া আপুনিও নিশ্চয় "ৰঙালী"লৈ গৈ তেওঁৰ সৈতে ফটো নুঠিলহেঁতেন! এই সন্দৰ্ভত কালিয়েই আমাৰ ক'বলগীয়াখিনি আমাৰ ফেচবুক পেজত দাঙি ধৰিছোঁ। চৰ্বিত চৰ্বণৰ প্ৰয়োজন অনুভৱ কৰা নাই। আমাৰ গভীৰ উপলব্ধি এয়ে যে- এই বিষয়ৰ চৰ্চাই জুবিন গাৰ্গৰ ন্যায়ৰ সংগ্ৰামখনত কোনো প্ৰকাৰেই সহায় নকৰে। বৰঞ্চ প্ৰাণৰ শিল্পীগৰাকীক ন্যায় প্ৰদানৰ মূল বিষয়টোৰ পৰা দৃষ্টি আঁতৰাই নিয়াৰহে এক অজুহাতৰ সৃষ্টি কৰিব। সেই সুযোগ আমি কোনেও কাকো দিয়া উচিত নহয়। বোধহয়, এইক্ষেত্ৰত আপোনাৰো সহমত থাকিব। আমাৰ ক্ষেত্ৰত এই কথা নিশ্চিত যে এনে কোনো কুৎসা ৰটনাই প্ৰাণৰ শিল্পীগৰাকীৰ ন্যায়ৰ বাবে কৰা সংগ্ৰামৰ পৰা আমাক এচুলিমানো বিচলিত কৰিব নোৱাৰে।" তেওঁ আৰু কয়, "আপোনাৰ চিঠিখনৰ দ্বিতীয় অংশটিলৈ আহিছোঁ। আপুনি কেইবাটাও প্ৰতি উত্তৰৰ প্ৰয়োজন থকা বিষয়ৰ অৱতাৰণা কৰিছে। এই কথাত কোনো দ্বিমত নাই যে আধুনিক অসমৰ কাণ্ডাৰী জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, ভূপেন হাজৰিকা আটাইকেইজন প্ৰগতিশীল আদৰ্শৰ ব্যক্তি আছিল। প্ৰাণৰ শিল্পী জুবিন গাৰ্গেও নিজকে সমাজবাদী আদৰ্শত বিশ্বাসী বুলি একাধিকবাৰ স্পষ্টভাৱে কৈ গৈছে। লগতে এই কথাও অনস্বীকাৰ্য যে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, ভূপেন হাজৰিকা বা জুবিন গাৰ্গক অসমৰ জনসাধাৰণে, অসমীয়া জাতিয়ে কোনো নিৰ্দিষ্ট মতাদৰ্শৰ গণ্ডীত ৰাখি চাবলৈ নিবিচাৰে। অসমৰ সাংস্কৃতিক বৰঘৰ আৰু জাতীয় চেতনা চহকী কৰাত এই কাণ্ডাৰীসকলে আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে তেখেতসকলে জনসাধাৰণৰ অন্তৰে অন্তৰে ঘৰ সাজিবলৈ সক্ষম হ'ল; মৃত্যু জিনি অমৰ হ'ল। যিকোনো সামাজিক, ৰাজনৈতিক আদৰ্শত বিশ্বাস কৰা মানুহৰেই তেখেতসকল আপোন আৰু কোনো সামাজিক, ৰাজনৈতিক আদৰ্শত দীক্ষিত নোহোৱাসকলৰ বাবেও আপোন।" আছুৰ সভাপতিগৰাকীয়ে আকৌ কয়, "অখিল দা, বিভিন্ন সময়ত আপুনি ছাত্ৰ সন্থাক সমালোচনাৰ লক্ষ্য কৰি অহাৰ পাছতো ছাত্ৰ সন্থাই কাহানিও আপোনাক প্ৰত্যুত্তৰ দিয়া নাই। প্ৰয়োজনো অনুভৱ কৰা নাই। কাৰণ আপোনাৰ সৈতে আমাৰ চিন্তন, কৰ্মপন্থা আৰু দৃষ্টিভংগীৰ তফাৎ আছে। মতাদৰ্শৰ কথালৈ অহাৰ পূৰ্বে এই কথা পুনৰ এবাৰ স্পষ্ট কৰিলোঁ। এইবেলি যিহেতু জাতীয় শোকৰ এটি মুহূৰ্তত আপুনি আমাৰ নাম লৈ ৰাজহুৱা চিঠি লিখিছে, সেয়ে আমাৰ অনুভৱখিনিও জনোৱাটো বাঞ্ছনীয় বুলি ভাবিলোঁ। আৰু যিহেতু ইয়াৰ পাছত পুনৰ এই সন্দৰ্ভত আমাৰ ফালৰ পৰা একো নিলিখোঁ, সেয়েহে একেবাৰতে অকণ বহলাই লিখিব বিচাৰিছোঁ।"

## স্বামীক লগ কৰিবলৈ আহি

শ্যামকানু মহন্তৰ পত্নী অনিতা ডেকা মহন্তক। প্ৰথমবাৰলৈ শ্যামকানু মহন্তৰ পত্নী অনিতা ডেকা মহন্তৰ ভাষ্য গ্ৰহণ এছআইটিৰ। স্বামীক লকাপত দেখা কৰিবলৈ আহোঁতেই অনিতা মহন্তৰ ভাষ্য গ্ৰহণ এছআইটিৰ। প্ৰথম অৱস্থাত চিআইডি হেড কোৱাৰ্টাৰৰ পৰা ওলাই আহিছিল অনিতা ডেকা। কিন্তু কাৰ্যালয়ৰ সন্মুখৰ পৰা পুনৰ ওভতাই নিয়া হয় অনিতা মহন্তক। উল্লেখ্য যে নৰ্থ ইষ্ট ফেষ্টিভেলৰ বাবে ঘটনাৰ সময়ত ছিংগাপুৰত আছিল অনিতা ডেকা। শ্যামকানু মহন্তৰ প্ৰতিষ্ঠানৰ ব্যৱসায়িক সহযোগীও হৈছে অনিতা ডেকা মহন্ত। ইফালে শ্যামকানু আৰু পত্নীৰ নামে-বেনামে থকা পাঁচটাকৈ প্ৰতিষ্ঠানত GSTৰ হাতোৱা পৰাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। জানিব পৰা অনুসৰি ইতিমধ্যে GST বিভাগে সকলো নথি-পত্ৰ সাজু কৰিছে।

## শিলচৰত উৰণসেতু নিৰ্মাণ

লোকসেৱা ভৱনত অনুষ্ঠিত হয় মন্ত্ৰীসভাৰ বৈঠকত। বৈঠকত শিলচৰ নগৰত যানজঁটৰ সমস্যা কমোৱাৰ উদ্দেশ্যৰে অসম কেবিনেটে '২০২৫-২৬ বৰ্ষৰ বাবে SOPD-Gৰ অধীনত শিলচৰত NH-306ৰ ট্ৰাংক ৰোডৰ কেপিটেল পইণ্টৰ পৰা ৰঙীৰখাৰী পইণ্টলৈ উৰণসেতু নিৰ্মাণ (প্ৰথম পৰ্যায়) প্ৰকল্পৰ বাবে ৫৬৪.৫০ কোটি টকাৰ প্ৰশাসনিক অনুমোদন প্ৰদান কৰিছে। ইয়াৰ ভিতৰত ১০০ কোটি টকা ভূমি অধিগ্ৰহণৰ বাবে ব্যয় কৰা হ'ব। এই উৰণ পথৰ মুঠ দৈৰ্ঘ্য হ'ব ৩.৫ কিলোমিটাৰ। এই প্ৰকল্পৰ ফলত শিলচৰ নগৰৰ মাজভাগত সুচল, নিৰাপদ আৰু কাৰ্যকৰী যাতায়াত সম্ভৱ হ'ব, যাত্ৰীৰ সময় ৰাহি হ'ব আৰু বাহনৰ নিৰ্গমন হ্ৰাস পাই পৰিচ্ছন্ন আৰু সেউজীয়া নগৰীয় যাতায়াতত অৰিহণা যোগাব বুলি আশা কৰা হৈছে। উল্লেখ্য যে অসম কেবিনেটে 'অসমৰ চিকিৎসা আৰু দন্ত চিকিৎসা মহাবিদ্যালয় (প্ৰথম বৰ্ষৰ MBBS/BDS পাঠ্যক্ৰমত নামভৰ্তিৰ নিয়ন্ত্ৰণ) নিয়ম, ২০১৭ (২০২৫লৈ সংশোধিত)'ত সংশোধনীত সোমবাৰে অনুমোদন জনায়। অসমৰ স্থায়ী বাসিন্দা হৈয়ো বাহিৰত পঢ়া প্ৰাৰ্থীসকলক ৰাজ্যৰ কোটাত নামভৰ্তিৰ যোগ্য কৰাৰ বাবে নতুন নীতি সন্নিৱিষ্ট কৰা হৈছে। এই সিদ্ধান্ত অনুসৰি যদিহে শেষৰ তিনিপুৰুষ অসমৰ স্থায়ী বাসিন্দা হয় (জিলা আয়ুক্তৰ দ্বাৰা প্ৰমাণিত হ'ব লাগিব), তেতিয়া তেওঁলোক এই নীতিৰ অধীনত পৰিব। ১৯৭১ চনৰ সীমা এই ক্ষেত্ৰত প্ৰযোজ্য হ'ব। ইয়াৰ লগতে নিয়ম ৩(১)(চ) বিলোপন ঘটোৱা হৈছে। অসমত সপ্তমৰ পৰা দ্বাদশ শ্ৰেণীত পঢ়াৰ বাধ্যতামূলক নিয়মটো বিলোপ কৰা হৈছে, যিহেতু ই অসমৰ প্ৰকৃত স্থায়ী বাসিন্দা হৈও বাহিৰত পঢ়া যোগ্য প্ৰাৰ্থীসকলক বঞ্চিত কৰিছিল। আনহাতেদি ২০২৬ চনৰ পৰা অৰুণাচল প্ৰদেশৰ মৰাণ সম্প্ৰদায়ক অসমৰ মৰাণ সম্প্ৰদায়ৰ সমানে MBBS/BDS পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে ৰাজ্যৰ কোটাত যোগ্য ঘোষণা কৰা হৈছে। ৰাজ্য মন্ত্ৰীসভাই অসম চৰকাৰৰ অধীনৰ বিদ্যালয়সমূহত নৱম শ্ৰেণীত পঢ়ি থকা ৩, ১১, ৬১৪জন ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল বিতৰণৰ বাবে ১৩০ কোটি টকাৰ আৰ্থিক অনুমোদন প্ৰদান কৰিছে। এই পদক্ষেপে ছাত্ৰ-ছাত্ৰীৰ মাজত আধাতে স্কুল এৰাৰ হাৰ হ্ৰাস কৰিব, ধৰি ৰখাৰ হাৰ বৃদ্ধি কৰিব আৰু মাধ্যমিকৰ পৰা উচ্চতৰ মাধ্যমিক স্তৰলৈ উত্তৰণৰ হাৰ উন্নত কৰিব বুলি লক্ষ্য স্থিৰ কৰা হৈছে। সোমবাৰে ৰাজ্যিক কেবিনেটে ইউনিফাইড পেন্সন স্কীম (UPS) প্ৰৱৰ্তনত অনুমোদন জনাইছে। ৰাষ্ট্ৰীয় পেন্সন প্ৰণালীৰ অধীনত থকা অসম চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে ইউনিফাইড পেন্সন স্কীম (UPS)ক এক বিকল্প হিচাপে প্ৰৱৰ্তনৰ অনুমোদন জনায়। এই প্ৰকল্পই কৰ্মচাৰীসকলৰ বৃদ্ধাৱস্থাৰ সুৰক্ষা নিশ্চিত কৰিব আৰু বজাৰৰ ৰিটাৰ্ণৰ ওপৰত নিৰ্ভৰশীল নহ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেবিনেটৰ সিদ্ধান্ত জনাই সংবাদমেলত ঘোষণা কৰে যে নতুন পেন্সন স্কীমত নতুনকৈ ৰাজ্য চৰকাৰৰ চাকৰিত সোমোৱাসকলে বহুত ভাল সা-সুবিধা লাভ কৰিব। তথাপি তেওঁলোকে বিকল্প ৰূপে এই ইউনিফাইড পেন্সন স্কীম (UPS) গ্ৰহণ কৰিব পাৰিব। লগতে ১, ২৩১জন মাষ্টাৰ ৰোল, কেজুৱেল আৰু নিৰ্দিষ্ট বেতনৰ কৰ্মচাৰীৰ বাবে ন্যূনতম বেতন স্কেলৰ অনুমোদন দিয়ে কেবিনেটে। ইয়াৰ উপৰি সাধাৰণ প্ৰশাসন বিভাগৰ অধীনত নিয়োজিত ৯৯জন নিৰ্দিষ্ট বেতনৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ বাবে ১৬, ৪০০ টকা সহায়ক ভাট্টাৰ সমতুল্য নিৰ্দিষ্ট বেতন বৃদ্ধিৰ অনুমোদন দিয়া হৈছে। অসম ৰাজ্য গ্ৰামীণ জীৱিকা মিছন (ASRLM)ৰ ১০, ১৮৬জন সম্প্ৰদায় কেডাৰ (বি টি আৰ জিলা অন্তৰ্ভুক্ত)ক ৭ অ'ক্টোবৰ, ২০২৫ৰ পৰা অৰুণোদয় ৩.০ আঁচনিৰ সুবিধাভোগী হিচাপে অন্তৰ্ভুক্ত কৰাত কেবিনেটে অনুমোদন দিয়ে। এই সিদ্ধান্তৰ ফলত অৰুণোদয় আঁচনিৰ অধীনত প্ৰতিমাহে প্ৰায় ১.২৭ কোটি টকাৰ অতিৰিক্ত ব্যয় হ'ব। শেহতীয়াভাৱে তামিলনাডুত এক ভয়ানক দুৰ্ঘটনাত মৃত্যু হোৱা অসমৰ ৯জন ব্যক্তিৰ নিকটতম আত্মীয়ক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ৫ লাখ টকা আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। সোমবাৰে অসম কেবিনেট বৈঠকে এই সিদ্ধান্তত অনুমোদন জনায়। এই সাহায্য তেওঁলোকে কৰ্মৰত কোম্পানীৰ পৰা প্ৰাপ্ত ক্ষতিপূৰণৰ অতিৰিক্ত হ'ব।

## ৰাজস্থানৰ চিকিৎসালয়ৰ

উপস্থিত হয় মুখ্যমন্ত্ৰী। ইতিমধ্য ঘটনা সন্দৰ্ভত আৰম্ভ হৈছে তদন্ত। ৰাজস্থানৰ সৱাই মানসিংহ হাস্পতালত মাজনিশা এক বৃহৎ দুৰ্ঘটনা সংঘটিত হয়। চিকিৎসালয়খনৰ ট্ৰমা চেণ্টাৰৰ দ্বিতীয় মহলাত হঠাতে জুইৰ সূত্ৰপাত ঘটে। এই অগ্নিকাণ্ড ইমানেই ভয়াবহ আছিল যে হাস্পতালখনৰ আই চি ইউত ভৰ্তি হৈ থকা ৮জন ৰোগীৰ মৃত্যু হৈছে। সোমবাৰে পুৱা প্ৰায় ২ ৰ পৰা ৩ বজাৰ ভিতৰত সংঘটিত হয় এই দুৰ্ঘটনাটো। শ্বৰ্ট চাৰ্কিটৰ ফলত এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। প্ৰথম অৱস্থাত লাভ কৰা তথ্য মতে, চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ দীপক মহেশ্বৰীয়ে উল্লেখ কৰে, "এই জুইৰ ফলত ছয়জন লোকৰ মৃত্যু হৈছে আৰু আহতসকলৰ চিকিৎসা চলি আছে।" ৰোগী আৰু তেওঁলোকৰ আত্মীয়ই জনোৱা মতে, আই চি ইউৰ পৰা হঠাতে ধোঁৱা ওলাবলৈ ধৰে। তেওঁলোকে চিকিৎসালয়ৰ কৰ্মচাৰীক এই বিষয়ে কোৱাৰ পাচতো প্ৰথম অৱস্থাত কোনো লোক উপস্থিত হোৱা নাছিল। লাহে লাহে সমগ্ৰ ট্ৰমা চেণ্টাৰটো ধোঁৱাই ভৰি পৰে আৰু ৰোগীসকলে উশাহ-নিশাহ লোৱাত অসুবিধাৰ সন্মুখীন হয়। তাৰ পাচত কিছু সময়ৰ ভিতৰতে পৰিস্থিতি বেয়াৰ ফালে গতি কৰে আৰু বহু ৰোগীৰ স্বাস্থ্যৰ অৱনতি ঘটে। দুৰ্ঘটনাটোৰ বিষয়ে তথ্য লাভ কৰাৰ লগে লগে মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাই ততাতৈয়াকৈ চিকিৎসালয়লত উপস্থিত হয়। মন্ত্ৰী জৱাহৰ সিং বেধামেও মুখ্যমন্ত্ৰীৰ লগতে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। দুয়োগৰাকী নেতাই চিকিৎসালয় প্ৰশাসনৰ পৰা সম্পূৰ্ণ ঘটনাৰ প্ৰতিবেদন বিচৰাৰ লগতে সাহায্যৰো ব্যৱস্থা কৰে। ভজনলাল শৰ্মাই উল্লেখ কৰে যে ঘটনাৰ পুংখানুপুংখ তদন্ত কৰা হ'ব আৰু দোষীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। গোটেই নিশাটো ঘটনাস্থলীত উপস্থিত আছিল প্ৰায় ডেৰ ডজন অগ্নিনিৰ্বাপক বাহিনীৰ দল। অগ্নিনিৰ্বাপক বাহিনীক জুই নিয়ন্ত্ৰণ কৰিবলৈ প্ৰায় দুঘণ্টা সময় লাগিছিল। জুই নিয়ন্ত্ৰণলৈ অনাৰ পিছত ট্ৰমা চেণ্টাৰৰ পৰা সকলো ৰোগীক নিৰাপদে উলিয়াই অনা হয়। সাৱধানতা স্বৰূপে চিকিৎসালয়ৰ বাহিৰত চিকিৎসকৰ এটা দলক মোতায়েন কৰি ৰোগীক প্ৰাথমিক চিকিৎসা প্ৰদান কৰা হয়। সৱাই মানসিং চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ দীপক মহেশ্বৰীয়ে আহত ৰোগীসকলৰ চিকিৎসা চলি আছে বুলি উল্লেখ কৰে। ট্ৰমা চেণ্টাৰৰ ভাৰপ্ৰাপ্ত বিষয়া ডাঃ অনুৰাগ ঢাকাদে নিশ্চিত কৰিছে যে ৬জন লোকৰ মৃত্যু আনুষ্ঠানিকভাৱে নিশ্চিত কৰা হৈছে। প্ৰাথমিক তদন্তত এই জুইৰ প্ৰধান কাৰণ শ্বৰ্ট চাৰ্কিট বুলি জানিব পৰা গৈছে। তেওঁ লগতে কয় যে এই অগ্নিকাণ্ড সংঘটিত হোৱা আই চি ইউত ১১জন ৰোগী আছিল আৰু কাষৰ আই চি ইউত ১৩জন ৰোগী আছিল। এই অগ্নিকাণ্ডৰ ফলত চিকিৎসালয় চৌহদৰ ভিতৰত এক বিশৃংখল পৰিস্থিতিৰ সৃষ্টি হয়। ফলত ভয়ত বিতত হৈ বহু ৰোগীৰ আত্মীয়ই নিজৰ আপোনজনৰ সৈতে চিকিৎসালয়ৰ পৰা বাহিৰলৈ ওলাই যায়। একাংশ ৰোগীক বিছনাৰ লগতে চিকিৎসালয়ৰ বাহিৰলৈ লৈ যোৱা হয়। ঘটনাৰ সময়ত কেইবাজনো ৰোগীক ৰাজপথত পৰি থকা দেখা গৈছিল, য'ত বাহিৰত উপস্থিত চিকিৎসকে লগে লগে চিকিৎসা আৰম্ভ কৰিছিল। শেহতীয়াকৈ জানিব পৰা মতে, এই অগ্নিকাণ্ডত মৃত্যু হোৱা আঠজন ৰোগীৰ ভিতৰত পাঁচজন পুৰুষ আৰু তিনিগৰাকী আছিল। এই অগ্নিকাণ্ড ইমানেই ভয়াবহ আছিল যে তেওঁলোকক বাহিৰলৈ উলিয়াই অনাৰ বাবে কোনো সুযোগে নাপালে হাস্পতাল কৰ্তৃপক্ষই। ফলত জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যু মুখত পৰে আঠজন ৰোগী। ইতিমধ্যে সমগ্ৰ বিষয়টোৰ তদন্তৰ বাবে মুখ্যমন্ত্ৰী ভজন লাল শৰ্মাই এখন উচ্চ পৰ্যায়ৰ কমিটী গঠন কৰিছে।

## জুবিন গাৰ্গৰ মৃত্যুক লৈ

পুলিচৰ বিশেষ তদন্ত দল (এছ আই টি)ৰ দ্বাৰা তদন্ত চলি থকাৰ মাজত ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে তদন্তক CBI লৈ হস্তান্তৰৰ দাবী জনাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ভূমিকাক শেহতীয়াভাৱে সমালোচনা কৰিছে। এই সমালোচনাৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰীয়ে অখিল গগৈক মৃত ব্যক্তিৰ নাম লৈ নিকৃষ্ট ৰাজনীতি কৰাৰ অভিযোগ পোহৰ দি তেওঁক আটাইতকৈ নিকৃষ্ট ৰাজনীতিবিদ বুলি আখৰা দিছে। সোমবাৰে গুৱাহাটীত অনুষ্ঠিত এটা সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অখিল গগৈৰ বিৰুদ্ধে তীব্ৰ ভাষাত মন্তব্য কৰি কৈছে যে, "অখিল গগৈয়ে জুবিন গাৰ্গৰ মৃত্যুক লৈ পলিটিকচ কৰি আছে। মৃত ব্যক্তিক লৈ ৰাজনীতি কৰাসকলক আটাইতকৈ নিকৃষ্ট ৰাজনীতিবিদ বুলি কোৱা হয়। তেওঁলোকে ভাবে যে ইয়াত ভোট আছে, কিন্তু ইয়াত ওলোটা হ'ব। কিন্তু কোনেও নিবিচাৰে যে এজন মৃত ব্যক্তিক লৈ ৰাজনীতি কৰাটো কিমান নিকৃষ্ট।" মুখ্যমন্ত্ৰীয়ে অখিলৰ উদ্দেশ্যক স্পষ্টকৈ বুজি নোপোৱাৰ কথা উল্লেখ কৰি কৈছে যে, তেওঁ যদি 'ক' বুলি কয় তেন্তে 'খ'ও হ'ব পাৰে আৰু তেওঁ যি কৰিব খোজে সেয়া তেওঁহে নিজেই জানে। এই সংবাদমেলত মুখ্যমন্ত্ৰীয়ে অখিল গগৈৰ লগতে অসম জাতীয়তাবাদী যুৱক, এজেপি ৰ সভাপতি লুৰীণজ্যোতি গগৈকো সমালোচনাৰ কেন্দ্ৰবিন্দুত স্থাপন কৰিছে। তেওঁ কৈছে, "অখিল গগৈ আৰু লুৰীণ গগৈয়ে সকলোবোৰ মুকলি হোৱাটো বিচাৰে। তদন্তৰ কোনো তথ্য ৰাজহুৱা হ'লে আন এজনে সমালোচনা কৰে। লুৰীণজ্যোতি গগৈৰ বিৰুদ্ধে জুবিনে বহু কথা কৈ গৈছিল।" এই মন্তব্যত মুখ্যমন্ত্ৰীয়ে দুয়োজনকে সাংঘাতিক ৰাজনীতি কৰাৰ অভিযোগ কৰিছে।

## জুবিন গাৰ্গৰ দেহৰক্ষীৰ

আগবাঢ়িছে। এছআইটি দলে এই তদন্তৰ দায়িত্ব পালন কৰি থকাৰ সময়ত জুবিনৰ মোবাইল ফোন আৰু তেওঁৰ দেহৰক্ষীৰ বেংক একাউণ্টৰ পৰীক্ষাত বহু চাঞ্চল্যকৰ তথ্য পোৱা গৈছে। বিশেষকৈ, দেহৰক্ষীৰ একাউণ্টত প্ৰায় ১ কোটি টকাৰো অধিক বৃহৎ পৰিমাণৰ ধনৰ লেনদেনৰ তথ্য লাভ হোৱাৰ ফলত এই ঘটনাই তদন্তকাৰী দলক আৰু সজাগ কৰি তুলিছে। এই তথ্যসমূহৰ ভিত্তিত ক্ৰিমিনেল ইনভেষ্টিগেচন ডিপাৰ্টমেণ্টে (চিআইডি) বহু লোকক সন্দেহজনক হিচাপে চিহ্নিত কৰি কাৰ্যালয়লৈ তলব কৰিছে। এই তদন্তৰ মাজত ছিংগাপুৰৰ ঘটনাৰ সন্দৰ্ভত এজনৰ পিছত এজনক চিআইডিৰ সন্মুখত হাজিৰ হোৱাৰ নিৰ্দেশ দিয়া হৈছে, যাৰ ফলত বিভিন্নজনৰ পৰা ভাষ্য সংগ্ৰহ কৰা হৈছে। এই তদন্তৰ শেহতীয়া তথ্য অনুসৰি, এছআইটিয়ে আজি অভিমন্যু তাঁতী আৰু ৰিতু প্ৰয়াগ গাৰ্গৰ পৰা ভাষ্য সংগ্ৰহ কৰে। অভিমন্যু তাঁতীয়ে জুবিনক জোনালীৰ ষ্টুডিঅ'ত কেয়াৰটেকাৰ হিচাপে কাম কৰিছিল, যি তেওঁৰ সঙ্গীত জীৱনৰ সৈতে গভীৰভাৱে জড়িত আছিল। ইয়াৰ লগতে, জুবিনৰ সৈতে গান গোৱা প্ৰাৰ্থনা বৰাই ইতিমধ্যে চিআইডি কাৰ্যালয়ত হাজিৰ হৈ ভাষ্য দিছে। প্ৰাৰ্থনা বৰা জুবিনৰ সৈতে সঘন যোগাযোগত আছিল, যাৰ বাবে তেওঁক গুৰুত্বপূৰ্ণ সাক্ষী হিচাপে গণ্য কৰা হৈছে। এই তদন্তৰ আৰম্ভণিৰ পৰা এছআইটিয়ে জুবিনৰ মোবাইল ফোনৰ ডেটা ফ'ৰেনচিক পৰীক্ষা কৰি বহু গোপনীয় তথ্য উন্মোচন কৰিছে, যেনে কল ৰেকৰ্ড, মেচেজ আৰু অ'পল'ডেড ফাইলসমূহ। এই তথ্যসমূহে জুবিনৰ শেষ দিনসমূহৰ কাৰ্যকলাপৰ ওপৰত আলোকপাত কৰিছে, যি ছিংগাপুৰৰ ১৯ ছেপ্তেম্বৰৰ ঘটনাৰ সৈতে জড়িত। উল্লেখ্য যে জুবিনৰ দেহৰক্ষীৰ বেংক একাউণ্টৰ লেনদেনৰ তথ্য তদন্তকাৰীসকলক সন্দেহজনক আৰ্থিক কাৰ্যকলাপৰ ইংগিত দিছে। প্ৰায় ১ কোটি টকাৰো অধিক ধনৰ এই লেনদেনসমূহৰ মাজত কিছুমান অস্বাভাৱিক ট্ৰান্সফাৰ পোৱা গৈছে, যিবোৰ জুবিনৰ মৃত্যুৰ পূৰ্বৰ সময়ত ঘটিছিল। এই তথ্যৰ ভিত্তিত চিআইডিয়ে বহু লোকক কাৰ্যালয়লৈ সোধপোছৰ বাবে তলব কৰে, যাৰ ভিতৰত ছিংগাপুৰৰ ঘটনাৰ সঙ্গী অভিমন্যু তালুকদাৰ আৰু অন্যান্য প্ৰবাসী অসমীয়াসকলকো অন্তৰ্ভুক্ত কৰা হৈছে। চিআইডি কাৰ্যালয়ত বিভিন্নজনৰ পৰা ভাষ্য সংগ্ৰহ কৰা হৈছে, য'ত জুবিনৰ সহযোগী শিল্পী, সঙ্গীতজ্ঞ আৰু পৰিয়াল সদস্যসকলৰ বক্তব্য অন্তৰ্ভুক্ত। এছআইটিয়ে আজি অভিমন্যু তাঁতী আৰু ৰিতু প্ৰয়াগ গাৰ্গৰ ভাষ্য সংগ্ৰহ কৰিবলৈ পৰিকল্পনা কৰিছে, যি তদন্তত নতুন মোৰ যোগ কৰিব পাৰে। জুবিনৰ জোনালী ষ্টুডিঅ'ৰ কেয়াৰটেকাৰ অভিমন্যু তাঁতীৰ সৈতে জুবিনৰ কামকাৰী সম্পৰ্কৰ বিষয়ে বিস্তৃত জিজ্ঞাসাবাদ কৰা হ'ব। ইয়াৰ লগতে, পৰিস্মিতা দত্ত আৰু সাধন দাস নামৰ দুই যুৱক-যুৱতীকো চিআইডিয়ে তলব কৰিছে। এই দুজনৰ সৈতে জুবিনৰ সাম্প্ৰতিক যোগাযোগৰ তথ্য পোৱা গৈছে, যি তেওঁলোকক সন্দেহৰ দৃষ্টিৰ পৰা পৰীক্ষা কৰাৰ প্ৰয়োজনীয়তা সৃষ্টি কৰিছে। এই সমস্ত তথ্যৰ আলোকত তদন্তকাৰী দলই জুবিনৰ মৃত্যুক কেৱল দুৰ্ঘটনা হিচাপে নয়, বৰঞ্চ সম্ভাব্য অপৰাধমূলক কাৰ্যকলাপৰ সৈতে জড়িত হিচাপে দেখাৰ প্ৰতি ঝুকিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই তদন্তৰ তত্ত্বাৱধানৰ বাবে ৪ অ'ক্টোবৰত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শৈকীয়াৰ অধ্যক্ষতাত এটা ৰাজ্যজুৰি গঠন কৰিছে, যি চিআইডিৰ কামৰ পাৰ্শ্বপ্ৰেক্ষিতত জনসাধাৰণৰ পৰা তথ্য সংগ্ৰহ কৰিব। জুবিনৰ স্ত্ৰী গৰিমা গাৰ্গই তদন্তত পূৰ্ণ সহযোগিতাৰ প্ৰতিশ্ৰুতি দিছে আৰু কয় যে, তেওঁ আইনী প্ৰক্ৰিয়াৰ ওপৰত বিশ্বাস ৰাখে। এই তদন্তৰ পুৰ্বগতিৰ ওপৰত সকলোৱে নজৰ স্থিৰ হৈ আছে, যাতে জনতাৰ হিয়াৰ আমঠুৰ মৃত্যুৰ পিছৰ সত্যতা প্ৰকাশ পায়।

## তদন্তত সহযোগ নাই

আৰু জটিল কৰি তুলিছে। উল্লেখ্য যে, ১৯ ছেপ্তেম্বৰ ২০২৫ তাৰিখে ছিংগাপুৰৰ সাগৰৰ য়টখনত সাঁতোৰ কৰি থকা সময়ত তেওঁৰ মৃত্যু ঘটিছিল। সেই সময়ত য়টখনত উপস্থিত আছিল সিদ্ধাৰ্থ বৰা, পৰীক্ষিত শৰ্মা, সুদ্বীপ চেটাৰ্জী, তন্ময় ফুকন, দেৱজ্যোতি হাজৰিকা, ৰূপকমল কলিতা, ৱাজিদ আহমেদ, অভিমন্যু তালুকদাৰসহ অন্যান্য সদস্যসকল। এই ১১ জন প্ৰবাসী অসমীয়াই সেই ঘটনাৰ প্ৰত্যক্ষদৰ্শী আছিল। অসম পুলিছৰ ক্ৰিমিনেল ইনভেষ্টিগেচন ডিপাৰ্টমেণ্টে (চিআইডি) এই সকলক জেৰাৰ বাবে উপস্থিত হ'বলৈ জনাইছিল, যাতে তদন্তত গুৰুত্বপূৰ্ণ তথ্যসমূহ সংগ্ৰহ কৰিব পাৰি। এছআইটিয়ে ৬ অক্টোবৰ ২০২৫ তাৰিখ শেষসীমা হিচাপে নিৰ্ধাৰণ কৰি সকলো প্ৰত্যক্ষদৰ্শীক গুৱাহাটীত চিআইডি কাৰ্যালয়লৈ হাজিৰ হোৱাৰ নিৰ্দেশ দিছিল। কিন্তু আজি শেষসীমা উত্তীৰ্ণ হোৱাৰ পিছতো এজনো লোক উপস্থিত নোহোৱাৰ ফলত তদন্তত বাধাৰ সৃষ্টি হৈছে। এই অংশগ্ৰহণ নকৰাৰ বাবে এই ১১ জনৰ প্ৰতি অভিযোগ উত্থাপিত হৈছে, যি তদন্ত প্ৰক্ৰিয়াক প্ৰভাৱিত কৰিছে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ত কৈছে যে, ছিংগাপুৰত বসবাস কৰা অসমীয়া সকলৰ সহযোগ অবিহনে এই তদন্ত সম্পূৰ্ণ কৰা সম্ভৱ নহয়। তেওঁ কৈছে, "অসম আৰক্ষী ছিংগাপুৰলৈ যোৱাৰ ক্ষমতা নাই, আৰু এই প্ৰবাসীসকলে অসমলৈ আহিলেহে তদন্ত নিয়াৰিকৈ সম্পন্ন কৰিব পাৰিম।" মুখ্যমন্ত্ৰীৰ এই অনুৰোধক কাণ নিদি এই সদস্যসকলে হাজিৰ নোহোৱাৰ ফলত ৰাজ্যবাসীয়ে কঠোৰ পদক্ষেপৰ আহ্বান জনাইছে। এছআইটিৰ নেতৃত্বত স্পেচিয়েল ডিজি আইপিএছ এম. পি. গুপ্তাই এই তদন্তৰ দায়িত্ব পালন কৰিছে, য'ত অন্যান্য নজন আৰক্ষী কৰ্মীয়েও সহায় কৰিছে। অন্যহাতে ছিংগাপুৰৰ অসম এছ'চিয়েচনৰ সভাপতি অভিমন্যু তালুকদাৰৰ ভাতৃয়ে জনাইছে যে, তেওঁৰ ভাইৰ অসমলৈ অহাৰ কোনো তথ্য নাই। এই বিবৃতিয়ে তদন্তত আৰু জটিলতা আনিছে।

## গোলাঘাটত দহ সহস্ৰাধিক

আয়োজন কৰা হয়। গোলাঘাট সমন্বয় ক্ষেত্ৰত দিনজোৰা কাৰ্যসূচীৰে গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ উদ্যোগত, গোলাঘাট জিলা প্ৰশাসন, জুবিন গাৰ্গ ফেন ক্লাৱ আৰু বিভিন্ন দল-সংগঠনৰ সহযোগত অনুষ্ঠিত ৰাজহুৱা আদ্যশ্ৰাদ্ধ উপলক্ষে বিৰাজ কৰে আধ্যাত্মিক পৰিৱেশৰ। পুৱা নাম প্ৰসংগৰ পিছত গোলাঘাট জিলা আয়ুক্ত পুলক মহন্তই বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ। শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি জুবিন গাৰ্গৰ স্মৃতি চিৰযুগমীয়া কৰাৰ বাবে স্থায়ী পদক্ষেপ লোৱাৰ চিন্তাৰ কথা অৱগত কৰে জিলা আয়ুক্ত পুলক মহন্তই। গোলাঘাট জিলাৰ আৰক্ষী অধীক্ষক ৰাজেন সিঙৰ লগতে জিলাখনৰ বিভিন্ন দল-সংগঠন, ৰাইজে জ্ঞাপন কৰে শ্ৰদ্ধাৰ্ঘ। অনুষ্ঠানত অসম চৰকাৰৰ কৃষি মন্ত্ৰী অতুল বৰা, প্ৰাক্তন মন্ত্ৰী বিস্মিতা গগৈ, গোলাঘাটৰ পৌৰপতি দুলুমণি বৰবৰা, উপ পৌৰপতি সীমান্ত বৰা, বিশিষ্ট নিবন্ধকাৰ ডাঃঅজিত বৰুৱা, অগপৰ জিলা সভাপতি ডঃ নৃপেন বৰুৱা, বিশিষ্ট সমাজকৰ্মী পূৰ্ণ ৰাজখোৱা, সাংবাদিক ৰোহিত গগৈ, দেৱজিৎ ফুকন, শিক্ষাবিদ ডঃ পুতুল চন্দ্ৰ শইকীয়া আদিকে ধৰি বহু গণ্য মান ব্যক্তি উপস্থিত থাকি গণশিল্পী গৰাকীলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে। সমান্তৰালকৈ অনুষ্ঠানত পশ্চিম গোলাঘাট শাখা সাহিত্য সভা, সদৌ অসম ঠেঙাল কছাৰী সংগঠন, অধিবক্তা সন্থা, গোলাঘাট, তাই আহোম ছাত্ৰ সন্থা, চুতীয়া জাতি ছাত্ৰ সন্থা, লায়ঞ্চ ক্লাৱ, প্ৰেছ ক্লাৱ, গোলাঘাট মিডিয়া ফ'ৰাম, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, ভস্ক পপুলী, ইউনাইটেড চেম্বাৰছ অফ কমাৰ্চ, বীৰ লাচিত সেনা, গোলাঘাট জিলা ট্ৰাইবেল সংঘ, জিলা সাংবাদিক সংস্থা, নাগৰিক মঞ্চ, গোলাঘাট শাখা সাহিত্য সভা, পূব গোলাঘাট বসন্ত উৎসৱ, বনগাঁও, কছাৰীহাট, ভোজপুৰী পৰিষদ, নদী আৰু নাৰী জাগ্ৰত শক্তি, জিলা অনুসূচিত জাতি ছাত্ৰ সন্থা, কৃষক মুক্তি সংগ্ৰাম সমিত, অসমীয়া যুৱ মঞ্চ, মাৰৱাড়ী যুৱ মঞ্চ, মাৰৱাড়ী সন্মিলন, জিলা ছাত্ৰ সন্থা, টাই আহোম মহিলা পৰিষদ, টাই আহোম যুৱ পৰিষদ, কলিতা জনগোষ্ঠী ছাত্ৰ সন্থা, সন্মিলিত মটৰ পৰিবহণ সন্থা, সদৌ টাই আহোম ছাত্ৰ সন্থা, টাই আহোম যুৱ পৰিষদ সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থা খিলঞ্জীয়া, জিলা সাঁতোৰ সন্থা, জাতীয় সংগ্ৰামী সেনাৰ লগতে বহু সংগঠন, অনুষ্ঠান প্ৰতিষ্ঠানে দিনজোৰা কাৰ্যসূচীত অংশ গ্ৰহণ কৰি জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। গণশিল্পী গৰাকীৰ নামেৰে গোলাঘাট সমন্বয় ক্ষেত্ৰৰ নামকৰণ কৰাৰ দাবী উত্থাপন কৰে গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ সাধাৰণ সম্পাদক বিশ্বজিত গগৈয়ে। গোলাঘাট প্ৰশাসনক শীঘ্ৰেই নাম সলনি কৰি জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰ হিচাপে চিহ্নিত কৰাৰ দাবীক সমৰ্থন জনাই উপস্থিত সহস্ৰজনে। উদ্যোক্তাসকলৰ আহ্বান ক্ৰমে কাৰ্যসূচীৰ অন্তত সমন্বয় ক্ষেত্ৰত দহ সহস্ৰাধিক ৰাইজ উপস্থিত হৈ একেস্বৰে গালে "মায়াবিনি ৰাতিৰ বুকুত "শীৰ্ষক গীতটি।

## মাকুমত নৈশ বাছত

সৰবৰাহ কৰা ঘটনাই বাতৰি শিৰোনাম দখল কৰি থকাৰ মাজতে তেনে এক ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আজি নিশা মাকুমত নৈশ বাছত সৰবৰাহ কৰি অনা চাৰিটাকৈ কিশোৰ-কিশোৰী উদ্ধাৰ হয়। অৰুণাচল প্ৰদেশৰ পৰা অহা এ আৰ ১১ বি ৪৪৫৮ নম্বৰৰ এখন নৈশ বাছত আনি থকা অৱস্থাত কাকপথাৰৰ প্ৰত্যেক্ষদৰ্শী আৰু ডুমডুমা দল-সংগঠনৰ সহযোগত মাকুম চহৰত উদ্ধাৰ কৰা হয় কিশোৰ-কিশোৰীকেইটাক। অৰুণাচল প্ৰদেশৰ দাইনৰ দুগৰাকী মহিলাই কিশোৰ-কিশোৰী কেইটাক ইটানগৰলৈ লৈ যোৱা হৈছিল বুলি এগৰাকী মহিলা সৰবৰাহকাৰীয়ে সদৰী কৰে। উক্ত ঘটনাক কেন্দ্ৰ কৰি মাকুম চহৰত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। ঘটনাস্থলীত মাকুম আৰক্ষী উপস্থিত হৈ আটাইকে থানালৈ লৈ যায় যদিও পৰৱৰ্তী পৰ্যায়ত তালাপ আৰক্ষীৰ হাতত হস্তান্তৰ কৰে। উল্লেখযোগ্য যে এনেধৰণৰ শিশু-কিশোৰ-কিশোৰী বিশেষকৈ চাহ-শ্ৰমিক সকলৰ ল'ৰা-ছোৱালীৰ সৰবৰাহ কৰা ঘটনা দিনক দিনে বৃদ্ধি পোৱাৰ বিষয়টোৱে সকলোকে চিন্তিত কৰি তুলিছে।

## তিনি গৰাকী বিজ্ঞানীলৈ

ছান ফ্ৰান্সিস্কোৰ ফ্ৰেড ৰেমছডেল আৰু জাপানৰ শ্বিমন ছাকাগুচিক এই প্ৰতিষ্ঠিত বঁটাৰে বিভূষিত কৰা হৈছে। তেওঁলোকৰ গৱেষণাই ৰোগ প্ৰতিৰোধ ক্ষমতাৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত অভূতপূৰ্ব অৱদান আগবঢ়াইছে, যাৰ ফলত এই সন্মানৰ যোগ্য হৈ উঠিছে। মেৰী ই ব্ৰংকো ছিয়াটলৰ ইনষ্টিটিউট অৱ চিষ্টেমছ বায়'লজিৰ সৈতে জড়িত, আনহাতে ফ্ৰেড ৰেমছডেলে ছান ফ্ৰান্সিস্কোৰ ছ'নোমা বায়'থেৰাপিউটি'ত কৰ্মৰত। শ্বিমন ছাকাগুচি জাপানৰ ওছাকা বিশ্ববিদ্যালয়ৰ এক গৱেষক হিচাপে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এই তিনিওজন বিজ্ঞানীয়ে পেৰিফেৰেল ইমিউন টোলাৰেন্সৰ ওপৰত তেওঁলোকৰ গৱেষণাৰ জৰিয়তে মানৱ শৰীৰৰ ৰোগ প্ৰতিৰোধ প্ৰক্ৰিয়াৰ জটিল দিশসমূহ উন্মোচন কৰিছে। তেওঁলোকৰ এই আৱিষ্কাৰে ভৱিষ্যতৰ চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। ন'বেল বঁটাৰ অফিচিয়েল এক্স হেণ্ডেলত শ্বেয়াৰ কৰা তথ্য অনুসৰি, এই তিনি গৰাকী বিজ্ঞানীয়ে ৰোগ প্ৰতিৰোধ ক্ষমতাৰ নিয়ন্ত্ৰণ প্ৰক্ৰিয়াৰ ওপৰত গভীৰ গৱেষণা কৰি এই ক্ষেত্ৰত নতুন দিশৰ সন্ধান দিছে। তেওঁলোকৰ কামে ইমিউন চিষ্টেমৰ অত্যধিক সক্ৰিয়তা বা কম সক্ৰিয়তাৰ ফলত সৃষ্ট ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত নতুন পথৰ সৃষ্টি কৰিছে। এই আৱিষ্কাৰৰ গুৰুত্ব বিবেচনা কৰি ন'বেল সমিতিয়ে তেওঁলোকক এই সন্মানৰ বাবে নিৰ্বাচিত কৰিছে। বিজয়ীসকলে পুৰস্কাৰ হিচাপে ১ কোটি ১০ লাখ ছুইডিছ ক'ৰ'নাৰ সৈতে স্বৰ্ণ পদক আৰু প্ৰমাণ পত্ৰ লাভ কৰিব। আগন্তুক ১০ ডিচেম্বৰত ষ্টকহ'মত আনুষ্ঠানিকভাৱে এই বঁটা প্ৰদানৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ লগতে, আগন্তুক দিনত অন্যান্য ক্ষেত্ৰৰ ন'বেল বঁটাৰ ঘোষণাও কৰা হ'ব। পদাৰ্থ বিজ্ঞানৰ বঁটা ৭ অক্টোবৰ, সাহিত্যৰ বঁটা ৯ অক্টোবৰ, শান্তিৰ বঁটা ১০ অক্টোবৰ আৰু অৰ্থনীতিৰ ন'বেল বঁটা ১৩ অক্টোবৰত ঘোষণা কৰা হ'ব। এই সন্মানে বিশ্বৰ চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত মেৰী ই ব্ৰংকো, ফ্ৰেড ৰেমছডেল আৰু শ্বিমন ছাকাগুচিৰ অৱদানক স্বীকৃতি প্ৰদান কৰিছে। তেওঁলোকৰ গৱেষণাই ভৱিষ্যতৰ ৰোগ নিৰাময়ৰ পথত নতুন আশাৰ সঞ্চাৰ কৰিছে। এই ঘোষণাই বিশ্বজুৰি বিজ্ঞানী সমাজত উৎসাহৰ সৃষ্টি কৰিছে, আৰু তেওঁলোকৰ কামৰ গুৰুত্বৰ ওপৰত আলোচনা তীব্ৰতৰ হৈছে।

## উচ্চতম ন্যায়ালয়ৰ মুখ্য

কৰিছিল, যি ঘটনা উচ্চতম ন্যায়ালয়ৰ ইতিহাসত পূৰ্বে কেতিয়াও দেখা বা শুনা নাছিল। নিৰাপত্তাৰক্ষীৰ তৎপৰতাৰ বাবে এই প্ৰচেষ্টা ব্যৰ্থ হৈছিল আৰু অধিবক্তাগৰাকীক তৎক্ষণাৎ আদালত চৌহদৰ পৰা টানি-আজুৰি উলিয়াই নিয়া হৈছিল। বাহিৰলৈ নিয়াৰ সময়ত তেওঁ সকলোৱে শুনাকৈ চিঞৰি কৈ গৈছিল, "সনাতন কা অপমান নেহি ছহেংগে" (সনাতনক অপমান সহ্য নকৰো)। এই ঘটনাই আদালতত ক্ষন্তেকৰ বাবে বিশৃংখলাৰ সৃষ্টি কৰিছিল। তথাপি মুখ্য ন্যায়াধীশ গাভায়ে অসাধাৰণ ধৈৰ্যৰ পৰিচয় দি নিজৰ শান্ত ভাৱ বজাই ৰাখিছিল। তেওঁ আদালতত উপস্থিত অধিবক্তাসকলক শান্ত কৰি কৈছিল, "এই সকলোবোৰৰ দ্বাৰা মই বিচলিত হোৱা নাই। এইবোৰে মোৰ ওপৰত কোনো প্ৰভাৱ পেলোৱা নাই। আপোনালোকে নিজৰ যুক্তি আগবঢ়াওক।" তেওঁৰ এই শান্ত আৰু পেছাদাৰীভাৱে শুনানি অব্যাহত ৰাখিছিল। এই ঘটনাৰ পিছত উচ্চতম ন্যায়ালয়ৰ নিৰাপত্তা গোটে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। অধিবক্তাগৰাকীৰ পৰিচয় আৰু তেওঁৰ এই কাৰ্যৰ উদ্দেশ্য কি আছিল, তাৰ বিষয়ে অনুসন্ধান চলি আছে। প্ৰাথমিক তথ্য অনুসৰি, অধিবক্তাগৰাকীয়ে সনাতন ধৰ্মৰ সৈতে সম্পৰ্কিত কোনো বিষয়ক লৈ ক্ষোভৰ বাবে এই কাৰ্য কৰিছিল বুলি ধাৰণা কৰা হৈছে। কিন্তু তেওঁৰ এই কাৰ্যৰ পিছৰ প্ৰকৃত কাৰণ আৰু পটভূমিৰ বিষয়ে স্পষ্ট তথ্য এতিয়াও প্ৰকাশ হোৱা নাই। এই ঘটনাই উচ্চতম ন্যায়ালয়ৰ নিৰাপত্তা ব্যৱস্থাৰ ওপৰতো প্ৰশ্ন উত্থাপন কৰিছে। আদালতৰ মজিয়াত এনে ধৰণৰ ঘটনা অতীতত অতি বিৰল আছিল, আৰু এই ঘটনাই নিৰাপত্তাৰক্ষীৰ তৎপৰতাৰ প্ৰশংসাৰ লগতে ভৱিষ্যতে এনে ঘটনা ৰোধৰ বাবে অধিক কঠোৰ ব্যৱস্থাৰ প্ৰয়োজনীয়তাৰ কথা উত্থাপন কৰিছে। এই ঘটনাৰ পিছত আদালতত উপস্থিত অধিবক্তা আৰু কৰ্মচাৰীসকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া দেখা গৈছে। কিছুমানে অধিবক্তাগৰাকীৰ এই কাৰ্যক নিন্দা কৰিছে, আনহাতে কিছুমানে তেওঁৰ চিঞৰৰ পটভূমিত থকা বিষয়টোৰ ওপৰত আলোচনাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰিছে। তথাপি, মুখ্য ন্যায়াধীশৰ শান্ত আৰু দৃঢ়তাৰে পৰিস্থিতি নিয়ন্ত্ৰণৰ প্ৰচেষ্টাই আদালতৰ কাৰ্যকৰীতা অক্ষুণ্ণ ৰাখিছে। এই ঘটনাই সামাজিক মাধ্যমতো তীব্ৰ আলোচনাৰ সৃষ্টি কৰিছে। কিছুমানে অধিবক্তাগৰাকীৰ কাৰ্যক অগণতান্ত্ৰিক বুলি নিন্দা কৰিছে, আনহাতে কিছুমানে তেওঁৰ উচ্চস্বৰে কৰা মন্তব্যৰ পটভূমিৰ বিষয়ে স্পষ্ট তথ্যৰ দাবী কৰিছে। উচ্চতম ন্যায়ালয়ৰ বাৰ এছ'চিয়েশ্যনে এই ঘটনাক লৈ শীঘ্ৰেই এক বৈঠকৰ আয়োজন কৰাৰ সম্ভাৱনা আছে বুলি জানিব পৰা গৈছে।

## ব্যাপক তুষাৰধুমুহা; মাডণ্ট

এই ধুমুহাত পৰ্বতৰ পূব দিশৰ বৰফেৰে আবৃত এটা শিবিৰত প্ৰায় ১০০০জন পৰ্বতাৰোহী, ট্ৰেকাৰ আৰু সহায়ক দলসদস্যক আবদ্ধ কৰি দিছে। এতিয়ালৈকে ৩৫০ জনক নিৰাপদে উদ্ধাৰ কৰা হৈছে, আৰু বাকী ২০০তকৈ অধিকৰ সৈতে যোগাযোগ স্থাপন কৰা হৈছে। উদ্ধাৰ অভিযান অব্যাহত আছে, কিন্তু প্ৰবল তুষাৰপাত আৰু বজ্ৰপাতৰ বাবে কামত বাধাৰ সৃষ্টি হৈছে। শুকুৰবাৰ সন্ধ্যাৰ পৰা আৰম্ভ হোৱা এই তুষাৰধুমুহাই হিমালয়ৰ পূবাঞ্চলত অভূতপূৰ্ব ক্ষতিৰ সৃষ্টি কৰিছে। প্ৰতিবেদন অনুসৰি, ৪৯০০ মিটাৰতকৈ অধিক উচ্চতাত অৱস্থিত এই অঞ্চলত পৰ্বতাৰোহীসকলে অকস্মাৎ তুষাৰপাতৰ মাজত আবদ্ধ হৈ পৰিছে। বি বি চিৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে, চীনৰ ৰাষ্ট্ৰীয় প্ৰতিবেদনৰ উদ্ধৃতি দি ২০০তকৈ অধিক পৰ্বতাৰোহী তুষাৰপাতৰ মাজত আবদ্ধ হৈ আছে, যদিও মুঠ সংখ্যা ১০০০তকৈ অধিক। এই ধুমুহাই চীনৰ ২০২৫ চনৰ প্ৰশান্ত মহাসাগৰীয় ধুমুহাময়ৰ ২১ নং নামকৰণকৰা ধুমুহাৰ সৈতে জড়িত, যিয়ে দক্ষিণ চীনৰ গুৱাংডং প্ৰদেশৰ জানজিয়াং চহৰৰ জুৱেন কাউণ্টিৰ পূব উপকূলত স্থলপথত প্ৰৱেশ কৰিছিল। ঘণ্টাত সৰ্বোচ্চ ১৫১ কিলোমিটাৰ বতাহৰ গতিবেগ থকা এই ধুমুহাই পূৰ্বে গুৱাংডং আৰু হাইনানৰ পৰা প্ৰায় ৩ লাখ ৪৭ হাজাৰ লোকক উদ্ধাৰ কৰা হৈছিল। আবদ্ধ পৰ্বতাৰোহীসকলে ছ'চিয়েল মিডিয়াত প্ৰকাশ কৰা ভিডিঅ'ত কৈছে যে, দেওবাৰে বজ্ৰপাত আৰু প্ৰচণ্ড বতাহে অঞ্চলটোক আঘাত হানিছে, যাৰ ফলত অব্যাহত তুষাৰপাতত বহু লোক বৰফত পোত যোৱাৰ আশংকা আছে। কুডাং টাউনশ্বিপৰ পৰা উদ্ধাৰ হোৱা এজন পৰ্বতাৰোহীয়ে সংবাদ মাধ্যমক কৈছে, "পৰ্বতত বৰ্তমান অত্যন্ত তুষাৰপাত হৈ আছে। ফলত শীতৰ মাত্ৰা বৃদ্ধি পাইছে, যাৰ ফলত হাইপাৰথাৰ্মিয়া হোৱাৰ আশংকা অধিক।" এই অঞ্চলত ট্ৰেকিং অক্টোবৰ মাহত সাধাৰণতে নিৰাপদ বুলি গণ্য কৰা হয়, কিয়নো তাপমাত্ৰা মধ্যমীয়া আৰু আকাশ পৰিষ্কাৰ থাকে, কিন্তু এইবাৰৰ ধুমুহাই সকলোকে আচৰিত কৰি তুলিছে। এতিয়ালৈকে ৩৫০জন পৰ্বতাৰোহীক নিৰাপদে উদ্ধাৰ কৰি কুডাং টাউনশ্বিপলৈ নিয়ে যোৱা হৈছে। বাকী ২০০তকৈ অধিকৰ সৈতে যোগাযোগ স্থাপন কৰা হৈছে, আৰু তেওঁলোকক গোট-গোটে উদ্ধাৰ কৰাৰ পৰিকল্পনা আছে। তিব্বতৰ ব্লু চাই ৰেসকিউ টিম সহ শ শ স্থানীয় গাঁওবাসী আৰু উদ্ধাৰকাৰী দলে দিনে-নিশাই কাম কৰি আছে। কিন্তু ৪৯০০ মিটাৰতকৈ অধিক উচ্চতাত অৱস্থিত এই অঞ্চলত তুষাৰপাতৰ বাবে উদ্ধাৰ কাৰ্য অসম্ভৱ হয়ে পৰিছে। ৰোডসমূহ বন্ধ হৈ পৰাৰ ফলত হেলিকপ্টাৰৰ সহায়ত উদ্ধাৰ কৰা হৈছে। চীনৰ টিংৰি কাউণ্টি টুৰিজম কোম্পানীয়ে শুকুৱাৰে ৰাতিৰ পৰা এভাৰেষ্ট স্কেনিক এৰিয়ালৈ টিকেট বিক্ৰী আৰু প্ৰৱেশ বন্ধ কৰিছে। চীনৰ মূলসুঁতিৰ সংবাদ মাধ্যমে এই ঘটনাৰ বিষয়ে বিশেষ বাতৰি প্ৰকাশ নকৰাৰ ফলত মাত্ৰ কেইটামান তথ্য উপলব্ধ হৈছে, যিবোৰ স্থানীয় মাধ্যমৰ উদ্ধৃতি দি বি বি চিৰ দ্বাৰা প্ৰকাশ কৰা হৈছে।

## জুবিনৰ ন্যায়ৰ দাবীৰে

সৈতে কটোৱা এটা স্মৰণীয় মুহূৰ্তৰ ফটো শ্বেয়াৰ কৰি ন্যায়ৰ বাবে অধীৰ অপেক্ষাৰ কথা উল্লেখ কৰিছে। গৰিমাই তেওঁৰ পোষ্টত ইংৰাজীত লিখিছে, "The last one for this life...But we will be together again, very soon Goldie." অৰ্থাৎ, এই জীৱনৰ বাবে শেষবাৰৰ দৰে হ'লেও অচিৰেই তেওঁলোক পুনৰ একেলগে মিলিত হ'ব। তেওঁ লগতে লিখিছে, "এতিয়া, অতি শীঘ্ৰেই মই/আমি সকলোৱে জানিব লাগিব তুমি কায়িকভাৱে আমাৰ মাজৰ পৰা আঁতৰি যোৱাৰ কাৰণ। কি? এই প্ৰশ্নই মোৰ শূন্য বুকু দিন-ৰাতি জ্বলাই ৰাখিছে। মোক উত্তৰৰ প্ৰয়োজন।" তেওঁৰ এই পোষ্টত #JusticeForZubeenGarg হেচটেগৰ জৰিয়তে তেওঁ ন্যায়ৰ দাবী জনাইছে। ইপিনে, একেসময়তে জুবিনৰ ভগ্নী ড° পাল্মী বৰঠাকুৰেও ফেচবুকত এটা আৱেগিক পোষ্টৰ জৰিয়তে নিজৰ মনৰ কথা ব্যক্ত কৰিছে। জুবিনৰ সৈতে এখন ফটো শ্বেয়াৰ কৰি তেওঁ লিখিছে, "আকৌ তই 'মমন' বুলি মাতিবি... যেতিয়া আমি সীমনাৰ সিপাৰে লগ পাম। এতিয়া আমাৰ একমাত্ৰ লক্ষ্য তোক ন্যায় দিয়া। ৰাইজ! আপোনালোকৰ সমৰ্থন আৰু মনোবল আমাৰ শক্তি হওক!" গৰিমা আৰু পাল্মীৰ এই পোষ্টসমূহে জুবিন গাৰ্গৰ অকাল বিদায়ৰ পাছতো তেওঁৰ প্ৰতি থকা গভীৰ ভালপোৱা আৰু ন্যায়ৰ বাবে তেওঁলোকৰ সংকল্পক প্ৰতিফলিত কৰিছে। ৰাইজৰ সমৰ্থনৰ ওপৰত ভৰসা কৰি তেওঁলোকে সত্য উদঘাটনৰ বাবে অপেক্ষা কৰি আছে।

# ডিব্ৰুগড়ত চাহ বাগিচাৰ মাটি বিক্ৰী বন্ধ কৰি-আৰবান ফৰেষ্ট প্ৰজেক্টৰ অধীনত সংৰক্ষণ কৰিবলৈ দাবী চাচটেইনেবল গ্ৰীণ সংগঠনৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৬ অক্টোবৰ ঃ** 'সেউজীয়া পৃথিৱী আমাৰ অধিকাৰ' এই বাণীৰে ৰাজপথলৈ লাই আহিল প্ৰকৃতি ৰক্ষাৰ অভিযান কেন্দ্ৰিক অৰাজনৈতিক সংগঠন 'চাচটেইনেবল গ্ৰীণ সংগঠন', ডিব্ৰুগড়ৰ কৰ্মী সকল। চাহ নগৰ হিচাপেখ্যাত তথা অসমৰ দ্বিতীয় মহানগৰ ডিব্ৰুগড়ৰ মাজমজিয়াত থকা সেউজীয়া চাহ বাগিচাবোৰে, নগৰখনৰ সৌন্দৰ্য্য বৰ্ধন আৰু প্ৰকৃতি ৰক্ষা কৰাৰ উপৰিও প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষা কৰাত সহায় কৰি আহিছে। কিন্তু শেহতীয়াকৈ এই অঞ্চলৰ বাসিন্দাবোৰক অংশ অংশকৈ উঠাই দি তাত আবাসিক বৃহৎ বৃহৎ অট্টালিকা, হোটেল, ধৰ্মীয় গৃহ, বাণিজ্যিক ক্ষেত্ৰ আদি গঢ়ি তোলা পৰিলক্ষিত হৈছে। ডিব্ৰুগডৰ চাহ বাগিচা সমূহ এনেকৈ বিক্ৰী নকৰি 'আৰবান ফৰেষ্ট প্ৰজেক্ট' (নগৰীয়া বনাঞ্চল প্ৰকল্প) ৰ আধীনত সংৰক্ষণ কৰি ৰাইজৰ বাবে উছৰ্গা কৰিবলৈ চৰকাৰক অনুৰোধ জনোৱাৰ লগতে স্থানীয় জনগণক সচেতন কৰাৰ প্ৰয়াস কৰি আহিছে। এই বিষয়ত, বন ধ্বংসকৰণৰ বিৰুদ্ধে প্ৰতিবাদী সমদল, গছপুলি ৰোপণৰ কাৰ্য্যসূচী কৰি গণতান্ত্ৰিক আন্দোলন অব্যাহত ৰখা সংগঠনৰ ফালৰপৰা জালান বাগিচাৰ কৰ্তৃপক্ষক লগ কৰি এই বিষয়ে আলোচনা কৰাৰ লগতে অসম চৰকাৰৰ বন বিভাগলৈও গছ কটাৰ তথ্য বিচাৰি পত্ৰ প্ৰেৰণ কৰা হৈছে। তদস্বত্বেও বাগিচা কৰ্তৃপক্ষই গছ কটা আৰু বাগান উঠোৱা বন্ধ নকৰাত উদ্বিগ্ন হৈ পৰিছে এই সংগঠনৰ লগত জড়িত ব্যক্তিসকল তথা প্ৰকৃতিপ্ৰেমী ৰাইজ। এই সংগঠনৰ এটা সঁজাতি দলে যোৱা ১৪ জুন ২০২৫ তাৰিখে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক লগ কৰি সমগ্ৰ বিষয়টো অবগত কৰাত তেখেতে অতি সোনকালে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা লোৱা হ'ব বুলি মত প্ৰকাশ কৰিছিল। তেওঁ জিলা আয়ুক্তক এশ (১০০) বিঘা মাটিৰ 'আৰবান ফৰেষ্ট'ৰ বিষয়টো চাবলৈ অনুৰোধ জনাই মত প্ৰকাশ কৰা পৰিলক্ষিত হয়। লগে লগেই বিষয়টো সদস্যসকলৰ বাবে অধিক চিন্তাৰ কাৰণ হৈ পৰিছে। 'চাচটেইনেবল গ্ৰীণ সংগঠন' ডিব্ৰুগড় নামৰ অৰাজনৈতিক সংগঠনটোৰ সদস্যসকলে আৰ টি আই কৰি পোৱা তথ্য মতে পুৰণি চৰকাৰী আদেশৰ সালসলনি ঘটাই নতুন নীতিমতে চাহ বাগিচাৰ মাটিৰ মূল্য প্ৰতি বিঘাত দুই লাখ কৰা হৈছে আৰু সেই হিচাপত এশ (১০০) বিঘা মাটিৰ মূল্য দুই কোটি টকাৰ হ'ব পাৰে। গতিকে সমগ্ৰ ডিব্ৰুগড়বাসীৰ কল্যাণৰ বাবে তথা সেউজ পৃথিবী এখন ৰক্ষাৰ স্বাৰ্থত চৰকাৰে ডিব্ৰুগড় মহানগৰৰ মাজত থকা চাহ বাগিচাবিলাকৰ মালিকপক্ষক মূল্য আদায় দি সেই সেউজ অংশ ৰক্ষা কৰি ৰাইজৰ বাবে উছৰ্গা কৰিবলৈ 'চাচটেইনেবল গ্ৰীণ ডিব্ৰুগড়'-এ কৈ আহিছে। দক্ষিণ ভাৰতৰ বাংগালোৰ, হায়দৰাবাদ আদি বৃহৎ মহানগৰৰ মাজ ভাগত মানুহৰ সু স্বাস্থ্য, পশু-পক্ষী তথা জীৱকুলৰ সুৰক্ষাৰ ডাঙৰ ডাঙৰ এলেকা চৰকাৰে সংৰক্ষণ কৰি সেই মহানগৰবিলাকৰ সৌন্দৰ্যৰ লগতে জলবায়ু প্ৰদূষণ ৰোধ কৰাৰ ব্যৱস্থা কৰিছে। তেনে ধৰণেই ডিব্ৰুগড় মহানগৰখনকো জুবিন গাৰ্গৰ নামত এখন আৰবান ফৰেষ্ট গঢ়ি তোলাৰ বাবে 'চাচটেইনেবল গ্ৰীণ ডিব্ৰুগড়'-এ প্ৰচেষ্টা চলায় আছে। গতিকে সংবাদ মেলৰ যোগেদি পুনৰ জনসাধাৰণক বিষয়টো সজাগ কৰাৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ১৪ জুন ২০২৫ তাৰিখে ব্যক্ত কৰা কথাখিনি বাস্তৱত ৰূপায়ণ কৰি এক যোগাত্মক দিশৰ সূচনা ডিব্ৰুগড়ত কৰিব বুলি 'চাচটেইনেবল গ্ৰীণ ডিব্ৰুগড়' বিশ্বাসী। 'চাচটেইনেবল গ্ৰীণ ডিব্ৰুগড়'-এ 'সেউজীযা পৃথিৱী আমাৰ অধিকাৰ'ৰ বাবে সক্ৰিয়ভাবে সদায় মত পোষণ কৰি যাব। সংবাদমেলত চাচটেইনেবল গ্ৰীণ ডিব্ৰুগড়'ৰ ড° পৰমানন্দ মহন্ত, ডাঃ ৰাম হাজৰিকা, জুৰী বৰা বৰগোহাঞি, অৰ্পনা বৰা, দুৰ্গা বৰঠাকুৰ, সুব্ৰত বৰ্মন, বিশ্ববিজয় ফুকন আৰু শম্ভু তাঁতী উপস্থিত থাকে।

শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীলৈ এই বৰ্ষৰ সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা বঁটা

# শিৱসাগৰত আছুৰ সাহিত্যৰথীৰ ওপজা দিন উদ্‌যাপন



**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ৬ অক্টোবৰ ঃ** সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ আহ্বানত আজি সমগ্ৰ শিৱসাগৰ জিলাৰ বিভিন্ন প্ৰান্তত আছুৱে উদযাপন কৰে সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ওপজা দিন। সাহিত্যৰথীৰ আত্মজীৱনীত উল্লিখিত ধৰণেৰে বিগত পাঁচটা বৰ্ষ ধৰি শিৱসাগৰ জিলা ছাত্ৰ সন্থাই প্ৰত্যেক বছৰে লক্ষ্মী পূৰ্ণিমাৰ দিনটো তেখেতৰ ওপজা দিনৰূপে পালন কৰি আহিছে। জিলাখনৰ ভিন্ন প্ৰান্তৰ লগতে শিৱসাগৰস্থ লক্ষ্মীনাথ বেজবৰুৱা শিশু উদ্যানত জিলা ছাত্ৰ সন্থাই শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত কেন্দ্ৰীয় ভাৱে পালন কৰে ওপজা দিনৰ কাৰ্যসূচী। শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মানস প্ৰতীম বৰুৱা আৰু সাধাৰণ সম্পাদক মনজিৎ হাজৰিকাই আঁতধৰা অনুষ্ঠানটি বেজবৰুৱাৰ আজো পৰিনাতি বোৱাৰী অৰুন্ধতী বেজবৰুৱাই লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলিৰে মুকলি কৰে। উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰি জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকা, সাধাৰণ সম্পাদক দীপাংকৰ শইকীয়াই বেজবৰুৱালৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। অনুষ্ঠানটিত শিৱসাগৰ ছোৱালী কলেজৰ অধ্যক্ষ ড° প্ৰতীম শৰ্মাই লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন সন্দৰ্ভত আলোকপাত কৰি তেখেতলৈ গভীৰ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰি শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ এনে ইতিবাচক পদক্ষেপৰ ভূয়সী প্ৰশংসা কৰে। ভাষণ প্ৰসংগত ড° প্ৰতিম শৰ্মাই কয়-আজিৰ পৰা ডেৰশ বছৰ পূৰ্বে অসম আৰু অসমীয়া জাতি এক সংকটপূৰ্ণ সন্ধিক্ষণত আছিল। য'ত ব্ৰিটিছৰ পৰাধীনতাৰ গ্লানি আৰু সামাজিক ক্ষয়িষুণতাই ৰূপ পাইছিল এক জাতীয় চেতনাহীনতাৰ। স্বাভিমানবোধৰ অভাৱ আৰু ভাব আদৰ্শৰ সংঘাতৰ ফলত জাতিটো বিপৰ্যয়ৰ সন্মুখীন হৈছিল। এনে সময়তে অসমভূমিত আবিৰ্ভাৱ হোৱা লক্ষ্মীনাথ বেজবৰুৱাই নিজৰ যি মনস্বীতাৰে, প্ৰজ্ঞাৰ সিদ্ধিৰে এটা যুগৰ সূচনা কৰি গ'ল, যি দিক নিৰ্ণয় কৰি থৈ গ'ল-সেয়া তুলনাবিহীন। গভীৰ মনীষা আৰু চেতনাৰ সঞ্চাৰেৰে অসমৰ এটা যুগৰ নিৰ্ণয় কৰি তেখেত যুগনায়কলৈ ৰূপান্তৰ হ'ল। লক্ষ্মীনাথ বেজবৰুৱাক আমি কেৱল এজন সাহিত্যিক ৰূপে নহয়, যুগদ্ৰষ্টাৰূপে, জাতিটোৰ এক সন্ধিক্ষণৰ সময়ত মন তথা আত্মা আলোড়িত কৰি নৱজাগৰণৰ সূচনা কৰা পুৰোধা ব্যক্তিৰূপে সদায়েই স্মৰণ কৰি যাব লাগিব। ড° শৰ্মাই বেজবৰুৱাই আত্মজীৱনী 'মোৰ জীৱন সোঁৱৰণ'ত লিখি যোৱা' দুখৰ বিষয়—অসমীয়া ভাষাটো যে আমাৰ লাগতিয়াল, তাক কোনো অসমীয়াই দকৈ গমি নেচাই উপলুঙ্গা কৰে। ....... হায়! হায়! অসমীয়া মানুহে নিজ ভাষাৰ উন্নতিলৈ পিঠি দিয়াৰ কাৰণে কতখনি কাকত উপজি মৰি গ'ল, সদাশয় পাঠকসকলে এবাৰ তাক সুঁৱৰি বহি কান্দোক। এই কথাকেইটা গুৰুত্বসহকাৰে স্মৰণ কৰে। সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাই প্ৰদান কৰা সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা বঁটা সন্দৰ্ভত ঘোষণা কৰি জিলা ছাত্ৰ সন্থাৰ সভাপতি-সাধাৰণ সম্পাদকে কয়, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাক আমাৰ মাজত জীয়াই ৰাখিবৰ বাবে আৰু তেখেতক নতুন পুৰুষৰ স'তে পৰিচয় কৰাই দিয়াৰ লক্ষ্যৰে শিৱসাগৰৰ সু-সন্তান গৰাকীৰ নামেৰে জিলা ছাত্ৰ সন্থাই প্ৰতিবছৰে এটি বঁটা সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা বঁটা শীৰ্ষকেৰে প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰি বিগত তিনিটা বৰ্ষত এই বঁটা প্ৰদান কৰিছে। অসমৰ সমাজ জীৱন, সাহিত্য-সংস্কৃতিলৈ প্ৰতিভূ অৱদান আগবঢ়োৱা বিশিষ্ট ব্যক্তিক এই বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত জিলা ছাত্ৰ সন্থাই কাৰ্যকৰী কৰি আহিছে। এই বৰ্ষৰ বঁটা অসমৰ এগৰাকী বিশিষ্ট সাহিত্যিক, তত্ত্বজ্ঞ, শ্ৰী শ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীলৈ আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। কেইবাখনো গুৰুত্বপূৰ্ণ গ্ৰন্থৰ প্ৰণেতা তথা টীয়ক কলিয়াপানীস্থিত আউনীআটী বিশ্ববিদ্যালয়ৰ আচাৰ্য ড° দেৱগোস্বামীক চলিত বৰ্ষতে শিৱসাগৰত অনুষ্ঠিত হ'বলগীয়া এক বিশেষ অনুষ্ঠানত উক্ত এই বঁটা প্ৰদান কৰা হ'ব বুলি আছু নেতৃত্বই অৱগত কৰিছে।

# জ্ঞানজ্যোতি গ্ৰন্থাগাৰৰ উদ্যোগত মাজুলী ভিত্তিত দিহানাম প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ৬ অক্টোবৰ ঃ** মাজুলী জিলাৰ গেৰেকী গাঁৱত ২০১৭ চনৰ পহিলা ভাগত জন্মলাভ কৰা অসমৰ অন্যতম সামাজিক অনুষ্ঠান জ্ঞানজ্যোতি গ্ৰন্থাগাৰে জন্মলগ্নৰে পৰা সমাজৰ শৈক্ষিক, সাংস্কৃতিক, বৌদ্ধিক, ক্ৰীড়া ইত্যাদি সকলো ক্ষেত্ৰৰ সৰ্বাংগীণ বিকাশৰ বাবে বিভিন্ন ধৰণৰ কৰ্মসূচী গ্ৰহণ কৰি আহিছে। তদুপৰি গ্ৰন্থাগাৰ পৰিয়ালে অসমবাসীৰ একান্ত সহযোগিতাত নৱপ্ৰজন্মৰ লগতে গ্ৰামাঞ্চলৰ বাসিন্দা সকলৰ মাজত প্ৰতিযোগিতা মূলক এখনি মঞ্চ তৈয়াৰ কৰিবৰ বাবে নিৰ্লস প্ৰচেষ্টা অব্যাহত ৰাখিছে। তেনে প্ৰচেষ্টাৰ অংশস্বৰূপে এই বাৰ গ্ৰন্থাগাৰটোৱে শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭ সংখ্যক জন্ম উৎসৱৰ লগত সংগতি ৰাখি সদৌ মাজুলী ভিত্তিত চিত্ৰাংকণ আৰু দিহানাম প্ৰতিযোগিতা যোৱা ৫ অক্টোবৰ তাৰিখে আয়োজন কৰিছিল। দিনজোৰা কাৰ্যসূচীৰে আয়োজিত অনুষ্ঠানটোত পুৱা ভাগতে গ্ৰন্থাগাৰৰ পতকা উত্তোলন কৰাৰ পিছতে সদ্যপ্ৰয়াত অমৰ শিল্পী জুবিন গাৰ্গ, জ্ঞানজ্যোতি গ্ৰন্থাগাৰৰ অন্যতম সদস্য প্ৰয়াত মুকুল বৰুৱা, প্ৰশান্ত ভূএগা আৰু যতীন বৰাৰ্লৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সমগ্ৰ দিনটো তেখেত সকলৰ নামত উৎসৰ্গা হয়। ইয়াৰ পিছতে অনুষ্ঠিত হোৱা চিত্ৰাংকণ প্ৰতিযোগিতাত প্ৰথম স্থান ভাগ্য ভৰালী, দ্বিতীয় স্থান ধৰিত্ৰী ভূএগা, তৃতীয় স্থান জয়শ্ৰী দত্ত আৰু নিচুকনি বঁটা লাভ কৰে সুস্মিতা দত্তই। গেৰেকী গাঁৱৰ নামঘৰত অনুষ্ঠিত হোৱা দিহানাম প্ৰতিযোগিতাত প্ৰথম স্থান নতুন পোহাৰদিয়া মহিলা দল, দ্বিতীয় স্থান লাহলিয়াল গাঁও মহিলা সমিতি, তৃতীয় স্থান পুখুৰীপৰিয়া জয়া মহিলা সমিতি আৰু শ্ৰেষ্ঠ নামতিৰ বঁটা লাভ কৰে সপ্তৰ্ষি গুৰুকুল বিদ্যালয় দিহানাম দলৰ চিকমিক দত্তই। জ্ঞানজ্যোতি গ্ৰন্থাগাৰৰ সম্পাদক ভাগ্যজ্যোতি দত্তই আঁত ধৰা অনুষ্ঠানটোত সৰুমাই বৰুৱা, মুনিন্দ্ৰ ভূএগা, বীৰেন শইকীয়া, যদু কলিতা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানটো সফলভাৱে আয়োজন কৰাত সকলো দিশতে সহযোগিতা কৰা শুভাকাংক্ষী সকলক গ্ৰন্থাগাৰ পৰিচালনা সমিতিৰ হৈ সভাপতি মণিমাধৱ বৰুৱাই আন্তৰিক কৃতজ্ঞতা জনায়।

# দেৰগাঁও শঙ্কৰী কলা-কৃষ্টি কেন্দ্ৰৰ ৰূপালী জয়ন্তী উৎসৱৰ সফল সামৰণি

ভক্তিৰসত বুৰ গ'ল সমগ্ৰ চকিয়াল গাঁও

**অসম বাৰ্তা, দেৰগাঁও, ৬ অক্টোবৰ ঃ** ৪ আৰু ৫ অক্টোবৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ল শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, দেৰগাঁও আঞ্চলিক শাখাৰ দেৰগাঁও শঙ্কৰী কলা-কৃষ্টি কেন্দ্ৰৰ ৰূপালী জয়ন্তী উৎসৱ। অনুষ্ঠানৰ প্ৰথম দিনা নাম প্ৰসংগ, পতাকা উত্তোলন, মুকলি সভা, শিল্পী সমাৰোহ আৰু দুখনকৈ অঙ্কীয়া নাট প্ৰদৰ্শন কৰাৰ উপৰিও দুটা দিনত প্ৰদৰ্শিত হ'ল প্ৰায় দুকুৰি সাংস্কৃতিক অনুষ্ঠান। দেৰগাঁৱৰ চৌদিশে বিয়পিল শঙ্কৰী সংস্কৃতিৰ সুৱাস। পতকা উত্তোলন কৰে দেৰগাঁও শঙ্কৰী কলা-কৃষ্টি কেন্দ্ৰৰ সভাপতি শ্ৰীযুত কামিনী কুমাৰ দত্তই। প্ৰয়াত লক্ষেশ্বৰ গগৈ সোঁৱৰণী স্থায়ী তোৰণ উন্মোচন কৰে আঞ্চলিক শাখাৰ প্ৰাক্তন সভাপতি বিনন্দ সন্দিকৈয়ে। দেৰগাঁও শঙ্কৰী কলা-কৃষ্টি কেন্দ্ৰৰ নৱনিৰ্মীত প্ৰেক্ষাগৃহৰ দ্বাৰ উদ্‌ঘাটন কৰে আঞ্চলিক শাখাৰ উপদেষ্টা গোলাপ নাথে। নামপ্ৰসংগৰ পিছতে অনুষ্ঠিত হোৱা শিল্পী সমাৰোহ উদ্বোধন কৰে শঙ্কৰী সংস্কৃতিৰ সাধক তথা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ শঙ্কৰী সঙ্গীত গৱেষণা পৰিষদৰ সভাপতি শ্ৰীযুত পৱিত্ৰ প্ৰাণ বৰায়ে। স্মৃতিগ্ৰন্থ "সংস্কৃতি মঞ্জুষা" উন্মোচন কৰে দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপক ড° ক্ষীৰেশ্বৰ লয়িংয়ে। মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰে বকুল বনৰ বঁটা প্ৰাপক, শঙ্কৰী সঙ্গীত আৰু অসমীয়া লোক-সঙ্গীতৰ বিশিষ্ট শিল্পী তথা দেৰগাঁও শঙ্কৰী কলা-কৃষ্টি কেন্দ্ৰৰ ২৫ বছৰীয়া যাত্ৰাৰ মুখ্য প্ৰশিক্ষক অজিত বৰায়ে। অজিত বৰাৰ উপৰিও জন্মলগ্নৰ নৃত্য আৰু বাদ্যৰ প্ৰশিক্ষক ক্ৰমে বিশিষ্ট নৃত্য শিল্পী দৰ্শন বৰুৱা আৰু বায়ন শিল্পী যাদৱ শইকীয়া, কুৰি বছৰৰো অধিক কাল নৰ্ত্তন বিষয়ৰ প্ৰশিক্ষণ প্ৰদান কৰি থকা ধ্ৰুৱজ্যোতি বৰাকে মুখ্য কৰি দেৰগাঁও শঙ্কৰী কলা-কৃষ্টি কেন্দ্ৰৰ অতীত আৰু বৰ্তমানৰ প্ৰশিক্ষক সকলক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। কেইবাগৰাকীও প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীয়ে বৰগীত, শঙ্কৰী নৃত্য, খোলবাদ্য আৰু লোকগীত পৰিৱেশন কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে জিলা সংস্কৃতি শাখাৰ সভাপতি শ্ৰীযুত পৰাগজ্যোতি হাজৰিকা, বোকাখাত জিলাৰ প্ৰাক্তন সম্পাদক যতীন লয়িং আৰু শঙ্কৰী সঙ্গীত বিদ্যাপীঠৰ সচিৱ মৃদুল বৰাৰ লগতে কলা-কৃষ্টি কেন্দ্ৰটিৰ প্ৰশিক্ষকবৃন্দ আৰু কেইবাগৰাকীও প্ৰাক্তন ছাত্ৰ-ছাত্ৰী। সন্ধিয়া মূসঙ্ঘৰ প্ৰাক্তন সদস্য ভোলা হাজৰিকায়ে বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰথম দিনৰ সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে বিশিষ্ট সমাজ সেৱক অমল ভৰালীয়ে। নিশালৈ দেৰগাঁও শিৰোমণি নাট্যগোষ্ঠীয়ে পৰিৱেশন কৰা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ শঙ্কৰদেৱ বিৰচিত ৰামবিজয় অঙ্কীয়া নাট উদ্বোধন কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ শঙ্কৰী সঙ্গীত পৰীক্ষা পৰিষদৰ সচিৱ শ্ৰীযুত ৰঞ্জিত বৰায়ে। দেওবাৰে পুৱা নাম প্ৰসংগ কৰে আঞ্চলিক শাখাৰ শিশু-আইমাতৃ কল্যাণ শাখাৰ মহিলা সকলে। দেৰগাঁও শঙ্কৰী কলা-কৃষ্টি কেন্দ্ৰৰ সভাপতি কামিনী কুমাৰ দত্তৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। সভা উদ্বোধন কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ যুটীয়া সম্পাদক দেৱাঞ্জন বৰায়ে। আদৰণী ভাষণ প্ৰদান কৰে দেৰগাঁও আঞ্চলিক শাখাৰ সম্পাদক বিজিত বৰদলৈয়ে। নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে মূল সংস্কৃতি শাখাৰ প্ৰাক্তন সম্পাদক ফণী হাজৰিকায়ে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ উপ-পদাধিকাৰ শ্ৰীযুত চন্দ্ৰ হাজৰিকা মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে। মূল শিক্ষা শাখাৰ সম্পাদক চন্দ্ৰকান্ত ভুএগা, সদৌ অসম ছাত্ৰসন্থাৰ উপ-সভাপতি অভিৱৰ্তন গোস্বামী, অসম সাহিত্য সভাৰ ড° ভুপেন হাজৰিকা সাংস্কৃতিক প্ৰকল্পৰ আহ্বায়ক মঃ নুৰুল চুলতান, গোলাঘাট জিলা শাখাৰ সভাপতি গোলাপ শইকীয়া, সম্পাদক পৱিত্ৰ নাথ, প্ৰাক্তন শৰণ সদস্য নবীন বৰা বাপ সভাত বিশিষ্ট অতিথি হিছাপে উপস্থিত থাকে। উদ্‌যাপন সমিতিৰ যুটীয়া সম্পাদক প্ৰশান্ত কলিতাই শলাগৰ শৰাই আগবঢ়ায়। সন্ধিয়া আঞ্চলিক শাখাৰ সভাপতি দিলীপ বৰাই বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰে। দ্বিতীয় দিনৰ সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে জিলা সংস্কৃতি শাখাৰ সম্পাদক ৰমেন পাঠকে। নিশালৈ দেৰগাঁও শঙ্কৰী কলা-কৃষ্টি কেন্দ্ৰৰ শিল্পীবৃন্দই পৰিৱেশন কৰে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিত অঙ্কীয়া নাট পাৰিজাত হৰণ। উদ্বোধন কৰে জিলা সংস্কৃতি শাখাৰ প্ৰাক্তন সভাপতি দুলু প্ৰসাদ নাথে। আঞ্চলিক শাখাৰ সভাপতি দিলীপ বৰা, সম্পাদক বিজিত বৰদলৈ, দেৰগাঁও শঙ্কৰী কলা-কৃষ্টি কেন্দ্ৰৰ পৰিচালনা সমিতি তথা ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি কামিনী কুমাৰ দত্ত, কাৰ্যকৰী সভাপতি প্ৰভাত কাকতী আৰু সম্পাদক প্ৰশান্ত বৰতামোলীয়ে অনুষ্ঠানভাগিৰ সফল সমাপ্তিত সন্তুষ্টি প্ৰকাশ কৰি সহযোগিতা আগবঢ়োৱা সকলোজনলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

# ডুমডুমাৰ ৰূপাই চাইডিঙত হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৬ অক্টোবৰ ঃ** ডুমডুমাৰ সমীপৰ ৰূপাইস্থিত ডুমডুমা ৰাজহ চক্ৰ কাৰ্যালয়ৰ সমীপত বৃহত্তৰ ৰূপাই চাইডিঙবাসীৰ উদ্যোগত দেওবাৰে দিনজোৰা কাৰ্যসূচীৰে হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠিত কৰে। পুৱা ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° প্ৰফুল্ল মেধিয়ে জনপ্ৰিয় কণ্ঠশিল্পীগৰাকীৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন কৰাৰ পাছতে ৰূপাই মছজিদ সমিতিৰ সভাপতি আজিজুল হক চৌধুৰীয়ে শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী শুভাৰম্ভ কৰে। এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিভিন্ন জাতীয়-জনগোষ্ঠী দল-সংগঠনৰ নেতৃত্বৰ লগতে প্ৰায় সহস্ৰাধিক অনুৰাগীয়ে অসমীয়াৰ প্ৰাণৰ শিল্পী, প্ৰতিটো বিপদৰ সময়ত অসমবাসীৰ বাবে মাত মতা হিয়াৰ আমঠুগৰাকীলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ইয়াৰ পাছতে উপস্থিত জুবিন অনুৰাগীয়ে সমস্বৰে জুবিনৰ গীত পৰিৱেশন কৰি প্ৰাণৰ শিল্পীগৰাকীক সুঁৱৰি গছপুলি ৰোপণ কৰে। ডুমডুমা বন সংমণ্ডলৰ বন প্ৰাধিকাৰী বিষয়া মৃগাংক বড়াই নাহৰ পুলি ৰোপণ কৰি শুভাৰম্ভ কৰা অনুষ্ঠানত বহুকেইটা নাহৰৰ পুলি ৰাজহ চক্ৰ কাৰ্যালয়ৰ চৌহদত ৰোপণ কৰে। এই কাৰ্যসূচীৰ অন্তত শতাধিক ভকত-বৈষ্ণৱৰ সহযোগত ভাগৱত স্থাপন কৰি নাম প্ৰসংগ কৰা লগতে দিহা নামেৰে মুখৰিত কৰি তোলে সমগ্ৰ শ্ৰাদ্ধৰথলী। দিনৰ বাৰ বজাত সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভাত এলেকাৰ বিভিন্ন ধৰ্মাৱলম্বী লোকে তেখেতসকলৰ ধৰ্মপুথি লৈ প্ৰাৰ্থনা কৰে। দিনৰ দুই বজাত বৰগীত পৰিৱেশন কৰি স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। এই সভাত উদ্বোধনী ভাষণ প্ৰদান কৰে সাহিত্যিক তথা অসম বাৰ্তা কাকতৰ মুখ্য সম্পাদক শৰৎ চন্দ্ৰ চিৰিং ফুকনে। অভ্যৰ্থনা সমিতিৰ সম্পাদক ৰাতুল গগৈয়ে আঁত ধৰা অনুষ্ঠানত জুবিন গাৰ্গৰ মোমায়েক বীৰেন অধ্যাপকে অংশ লৈ জুবিনৰ মাতৃ এসময়ত ডাঙৰীত থাকি তাতেই পঢ়া-শুনা কৰা তথা ডুমডুমা অসমীয়া নাট্য মন্দিৰত জুবিনৰ মাতৃয়ে নিজ প্ৰচেষ্টাৰে নৃত্য -গীত আদিৰ বাবে ৰেলত উঠি অহা-যোৱা কৰাৰ এক নষ্টালজিক পৰিৱেশৰ কথা সোঁৱৰি জুবিনে সংগীতৰ শিক্ষা মাতৃৰ পৰাই লাভ কৰাৰ কথা উল্লেখ কৰে। তেখেতে জুবিনৰ মৃত্যু অপ্ৰত্যাশিত ভাবে হোৱাৰ যি মৰ্ম বেদনা তাক অসমবাসীয়ে যি কষ্টৰে সহ্য কৰিছে, পৰিয়ালক যি সাহস অসমবাসীয়ে দিছে সেইয়া ভগৱান প্ৰদত্ত বুলিও উল্লেখ কৰে। এই স্মৃতিচাৰণ অনুষ্ঠানত উপস্থিত থকা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপ সভানেত্ৰী কিৰণময়ী হাজৰিকা বৰুৱা আৰু জুবিন গাৰ্গৰ বন্ধু সাৰংগ নাথকে প্ৰমুখ্য কৰি এলেকাৰ বিভিন্ন ভাষা-ভাষী ধৰ্মাৱলম্বী লোকে জুবিনৰ প্ৰতি থকা মনৰ ভাৱ প্ৰকাশ কৰে। ৰাজহুৱা আদ্যশ্ৰাদ্ধস্থলীত জুবিনৰ কবিতা, গীত-মাত, নাগাৰা নাম, দিহা নাম আদি পৰিবেশন কৰাৰ লগতে 'মায়াবিনী' গীতটো সমস্বৰে পৰিবেশন কৰি অনুষ্ঠানৰ সামৰণি মাৰে। সন্ধিয়া শ্ৰাদ্ধস্থলীত ৫০০ গছি বন্তি প্ৰজ্বলন কৰাৰ লগতে সমগ্ৰ ৰূপাই এলেকাৰ বাসগৃহ, ব্যৱসায় প্ৰতিষ্ঠান আদিত একোগছিকৈ বন্তি প্ৰজ্বলন কৰে। আনহাতে ৰূপাই জোনাকী পথত বহুকেইগৰাকী জুবিন অনুৰাগীয়ে জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ দিনটোৰ পৰা প্ৰতিদিনে বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ অন্তত যোৱা ৪ অক্টোবৰত এক ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠিত কৰে। বিভিন্ন জাতি-জনগোষ্ঠী আৰু ধৰ্মাৱলম্বী লোকে এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ লগতে স্থানীয় ভকতবৃন্দই দিহা নাম পৰিৱেশন কৰে। এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পৰাই উদ্যোক্তাসকলে জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰকৃত ৰহস্য উদ্‌ঘাটনৰ লগতে ইয়াৰ সৈতে জড়িতসকলক কঠোৰতম শাস্তি প্ৰদান কৰি শিল্পীগৰাকীক ন্যায় প্ৰদান কৰিবলৈ চৰকাৰক আহ্বান জনায়।

শতাধিক মহিলাৰ একেলগে বৰগীত পৰিৱেশন

# চেলেংহাটত যোৰহাট জিলা শাখাৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ গুৰুজনাৰ ৫৭৭ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ পালন



**অসম বাৰ্তা, আমগুৰি, ৬ অক্টোবৰ ঃ** যোৰহাট জিলাৰ চেলেংহাটত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ চেলেং আঞ্চলিক শাখাৰ নামঘৰ প্ৰাংগণত দুদিনীয়া কাৰ্যসূচীৰে জগত গুৰু শ্ৰীমন্ত শংকৰ দেৱ গুৰুজনাৰ ৫৭৭ সংখ্যক আৰ্বিভাব মহোৎসৱ ভাগী যোৰহাট জিলা শাখাৰ উদ্যোগত চেলেংহাট আঞ্চলিক শাখাৰ আতিথ্যত সফলভাৱে উদ্‌যাপন কৰা হয়। শনিবাৰ ৪ অক্টোবৰৰ পুৱা গছপুলি ৰোপণ, তোৰণ উন্মোচন, শিশু, আই -মাতৃ কল্যাণ শাখাৰ দ্বাৰা নাম প্ৰসংগৰ পিছতেই যোৰহাট জিলা শিশু, আই-মাতৃ কল্যাণ শাখা সমিতিৰ সভানেত্ৰী বিজুমণি দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাখনি উদ্বোধন কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কেন্দ্ৰীয় সেৱা বাহিনীৰ প্ৰাক্তন সাংস্কৃতিক উপ সচিব কৃষ্ণ কিঙ্কৰ খাটনিয়াৰে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে মূলৰ সদস্য মন মাওট, বিশিষ্ট অতিথি হিচাপে যোৰহাট জিলাৰ সংস্কৃতি শাখাৰ সভাপতি জিতেন শইকীয়া, যোৰহাট জিলা সাহিত্য শাখাৰ সভাপতি প্ৰদীপ ভৰালী, যোৰহাট জিলা প্ৰচাৰ শাখাৰ সভাপতি কৃষ্ণ বৰুৱা, কেন্দ্ৰীয় শিশু আই মাতৃ কল্যাণ শাখাৰ প্ৰাক্তন সম্পাদিকা যুনু বৰা গগৈয়ে ভাষণ প্ৰদান কৰে। সন্ধ্যা নাম প্ৰসংগৰ পিছতেই সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে যোৰহাট জিলা পৰিষদৰ সভাপতি সুৰজিত শইকীয়াই। উক্ত অনুষ্ঠানত অঞ্চলিকৰ শিল্পীসকলে অংকীয়া নাট 'ৰাম বিজয়' প্ৰদৰ্শন কৰে। সেইদৰে ৫ অক্টোবৰ দেওবাৰে পতাকা উত্তোলন কৰে যোৰহাট জিলা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সভাপতি মুকুল গগৈয়ে। ইয়াৰ পিছতেই মনোৰম ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা সম্পন্ন হয়। দুপৰীয়া নাম প্ৰসংগৰ পিছতেই যোৰহাট জিলা শাখাৰ সভাপতি মুকুল গগৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ধৰ্মালোচনী সভাখনি উদ্বোধন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শৰণ সদস্য ডম্বৰুধৰ বৰুৱাই। সভাৰ আৰম্ভণিতেই শতাধিক মহিলাই সুন্দৰ ভাবে এটি বৰগীত পৰিবেশন কৰে। উক্ত সভাত নিৰ্দিষ্ট বক্তা হিচাপে নাৰায়ণপুৰৰ সুবক্তা চন্দন কোঁৱৰ, বিশেষ আমন্ত্ৰিত অতিথি হিচাপে বিশিষ্ট কবি তথা চিকিৎসক প্ৰণয় ফুকন বিশিষ্ট অতিথি হিচাপে মূলৰ সদস্য খগেন ফুকন, মুকুল বৰুৱা, বিশ্বজ্যোতি গগৈ, অজিত বৰা, নীলমণি দত্তকে ধৰি বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে। সভাৰ অন্তত সন্ধ্যা নাম প্ৰসংগৰ পিছতেই ৰাজা হৰিচন্দ্ৰ উপাখ্যান ভাওনা প্ৰদৰ্শন কৰে চেলেংহাট আঞ্চলিক শাখাৰ ভাওনা শিল্পীসকলে। বিধায়ক ৰূপজ্যোতি কূৰ্মীৰ প্ৰতিনিধি ললিত গগৈয়ে ভাওনা ভাগি শুভ উদ্বোধন কৰে।

সৰ্বধৰ্মৰ মিলনভূমিলৈ পৰিণত হ'ল আদ্যশ্ৰাদ্ধস্থলী

# মাকুমত সৰ্বধৰ্ম প্ৰাৰ্থনাৰে সম্পন্ন হ'ল অমৃত কণ্ঠ জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ

**অসম বাৰ্ত, মাকুম, ৬ অক্টোবৰ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আত্মাৰ চিৰশান্তিৰ কামনাৰে আজি মাকুম ৰজনীকান্ত বৰদলৈ খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা মাকুম সম-জিলা প্ৰশাসন, মাকুম পৌৰসভা, মাকুমবাসী ৰাইজ আৰু মাকুমৰ দল-সংগঠনৰ যৌথ উদ্যোগত জুবিন গাৰ্গৰ সৰ্ব ধৰ্ম প্ৰাৰ্থনাৰ অনুষ্ঠান সফলতাৰে সম্পন্ন হৈ যায়। মাকুমৰ শিশু শিল্পী সকলে ৰং তুলিকাৰে শুভাৰম্ভ কৰা অনুষ্ঠানত ডিগবৈৰ বুদ্ধ বিহাৰৰ অধ্যক্ষ বিশুদানন্দ ঠেৰ'য়ে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি অৰ্পণ কৰি মায়াবিণী গীতেৰে সংগীত জগতৰ নক্ষত্ৰ জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। তাৰ পাছতে আৰম্ভ হয় সৰ্ব ধৰ্ম প্ৰাৰ্থনাৰ অনুষ্ঠান। ডুমডুমা দীঘলটৰঙৰ অখিল চন্দ্ৰ শৰ্মা বৰুৱাই ভাগৱত গীতা পাঠেৰে সৰ্বধৰ্ম প্ৰাৰ্থনা অনুষ্ঠানৰ আৰম্ভ কৰাৰ পাছত শিখ ধৰ্মৰ হৈ জ্ঞাণী হাৰনিক সিংৰ লগতে শিখ সম্প্ৰদায়ৰ পুৰুষ-মহিলা সকলৰ গুৰু গ্ৰন্থ চাহিব পাঠ, ডিগবৈ বুদ্ধ বিহাৰৰ অধ্যক্ষ বিশুদানন্দ ঠেৰ'ৰ লগত বুদ্ধ বিহাৰ ফেডাৰেচনৰ সকলৰ ত্ৰিপিটক, ঈষাই ধৰ্মৰ হৈ তিনিচুকীয়া ব্যাপ্টিছ মণ্ডলি, দৈদামৰ পৰা ফিলিমন নন্দ, পিণ্টু মেকাইয়াৰ আৰুজন হাৱাইৰ দ্বাৰা বাইবেল পাঠ, মাকুম মজ্জিদ সমিতিৰ হৈ কোৰান পাঠ, টাই আহোম সকলৰ বাম ফে প্ৰাৰ্থনা, লাইনা গাঁও আৰু মাকুম জ্যোতিনগৰ দলৰ গায়ন-বায়ন পৰিবেশন, মাকুমৰ বিপিন বৰাৰ দলৰ কীৰ্তন পাঠ, মাকুমৰ প্ৰভু ঈশ্বৰৰ শান্তনু গোস্বামীৰ আশীৰ্বাদ প্ৰদান, মাকুমৰ মহিলা সকলৰ দিহানাম পৰিবেশন, মাকুমৰ শিল্পী সমাজৰ জুবিন গাৰ্গৰ কালজয়ী মায়াবিনী সংগীত পৰিবেশন আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। প্ৰিয় শিল্পীগৰাকীৰ অনাকাংক্ষিত মৃত্যুত ন্যায় বিচাৰি ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰিবলগীয়া পত্ৰ আৰু হৰ্ডিঙত ৰাইজে ৰাজহুৱা স্বাক্ষৰ কৰে। ৰাইজৰ দান-বৰঙণি আৰু খোৱাবস্তু ইত্যাদি সামগ্ৰীৰে প্ৰায় দহ সহস্ৰাধিক ৰাইজক আপ্যায়ন কৰা হয়। আজিৰ অনুষ্ঠানৰ লগত সংগতি ৰাখি জুবিন গাৰ্গৰ প্ৰিয় নাহৰ গছৰ পুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উক্ত কাৰ্যসূচীৰ শুভাৰম্ভ কৰে পৰিবেশ সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় সভাপতি ঋতুৰাজ বৰুৱাই। মুঠৰ ওপৰত জুবিন গাৰ্গৰ সৰ্ব ধৰ্মৰ ৰাজহুৱা আদ্য শ্ৰাদ্ধখনে মাকুমত এক ইতিহাস ৰচিবলৈ সক্ষম হ''ল।

# চামগুৰিত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ শতবৰ্ষ কাৰ্যসূচী পালন

**অসম বাৰ্তা, পুৰণিগুদাম, ৬ অক্টোবৰ ঃ** ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ শতবৰ্ষ উদ্বোধন আৰু বিজয়া দশমী উৎসৱটি কালি চামগুৰি দুৰ্গা পূজা মণ্ডপত সংঘৰ চামগুৰি মণ্ডলে উদযাপন কৰে। ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক তথা চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা স্বয়ং সেৱক সংঘৰ শতবৰ্ষ কাৰ্যসূচীত উপস্থিত থাকি ভাষণ প্ৰসংগত কয় যে, ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে সমগ্ৰ ভাৰতীয়ক একত্ৰিত কৰাত সংঘৰ শতবৰ্ষীয় যাত্ৰাই আমাৰ সমাজত ইতিবাচক প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। ভাৰতৰ পুৰাতন সংস্কৃতিৰ সুৰক্ষা আৰু আমি সকলোৱে গৌৰৱেৰে নিজকে পৰিচয় দিবলৈ সংঘই সদায় প্ৰেৰণা দি আহিছে। জন্মলগ্নৰে পৰা সনাতনী সভ্যতা-সংস্কৃতিৰ নীৰৱচ্ছিন্ন প্ৰহৰী তথা ৰাষ্ট্ৰধৰ্মৰ মহাযজ্ঞত সৰ্বদা সমৰ্পিত এটা আদৰ্শ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ। বৰ্ণিল পৰিক্ৰমাৰ মাজেৰে আগবাঢ়ি সংঘ আজিও সেই একেই শতাব্দী পুৰণি সাহস কোটি-কোটি ভাৰতীয়ৰ বিশ্বাসৰ অন্য নাম। সংঘৰ এই গৌৰৱ গাঁথাই আমাক প্ৰতিক্ষণতেই নিৰন্তৰ ৰাষ্ট্ৰসেৱা আগবঢ়াবলৈ উদ্বুদ্ধ কৰি আহিছে তথা আগন্তুক সময়তো প্ৰেৰণা যোগাই যাব বুলি ভাষণ প্ৰসংগত বিধায়ক গৰাকীয়ে উল্লেখ কৰাৰ লগতে সংঘৰ তাৎপৰ্য ব্যাখ্যা আৰু হিন্দু ধৰ্মৰ ওপৰতো এক বিস্তৃত আলোকপাত কৰে। উক্ত অনুষ্ঠানত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ নগাঁও জিলাৰ সম্পৰ্ক প্ৰমুখ ড° উৎপল দাস মুখ্য অতিথি হিচাপে উপস্থিত থাকি সংঘৰ বিভিন্ন দিশৰ ওপৰত ভাষণ প্ৰদান কৰে। উক্ত অনুষ্ঠানত চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষদ্বয় প্ৰদীপ কুমাৰ দাস, দুৰ্লভ কুমাৰ মহন্ত, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান নগাঁৱৰ প্ৰাক্তন প্ৰবক্তা প্ৰবীণ কুমাৰ বৰা, কলিয়াবৰ জিলা যুৱ মৰ্চাৰ সভাপতি লক্ষ্মীৰঞ্জন কাকতিকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উক্ত অনুষ্ঠানটিৰ আঁট ধৰে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ চামগুৰি খণ্ডৰ কাৰ্যবাহ দীগেন চন্দ্ৰ বৰাই।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালতহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা | ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন